● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যদি আপুনি নিজকে ভালদৰে বুজি পায়, তেন্তে আন সকলোকে বুজি পাব।



আইজাক আছিম'ভ
*প্ৰসিদ্ধ মাৰ্কিন বিজ্ঞান লেখক*


www.dainikagradoot.in

৭ ২০০৮ বৰ্ষৰ পাছত সৰ্বাধিক খাৰুৱা তেলৰ মূল্য
১৫ দ্বিতীয় টেষ্টৰ ভাৰতীয় দলত অক্ষৰ
৪ ইউক্ৰেইনৰ বিনাশ অৱধাৰিত নেকি?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৪৯তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৩ ফাগুন ১৪২৮ ভাস্কৰাব্দ ৮ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 8 March 2022 মূল্য ঃ ৯.০০ টকা

## পাকঘৰ

■ সঞ্জীৱ সভাপণ্ডিত



ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত বোলে বিশ্ব যুদ্ধ লাগিছে। সঁচা-মিছা মই নাজানো। বাতৰি কাকত-টিভি চেনেলবিলাকত, ছ'চিয়েল মিডিয়াত যুদ্ধ লাগিছে বুলি কথা ওলাইছে। এইবিলাকত বহুত কথা এনেয়ে ওলায়। গতিকে সঁচা-সঁচিকৈয়ে যুদ্ধ নালাগিবও পাৰে। চ'ৰাঘৰত বহি দেশৰ-ৰাজ্যৰ ৰাজনীতি ওলট-পালট কৰা বা ক্ৰিকেট খেলৰ গতি নিৰূপণ কৰা মানুহে এনেয়েও এইবিলাক কথা প্ৰচাৰ কৰিব পাৰে। মানুহ নামৰ জীৱটোৱে এই পৃথিৱীখন *১০ পৃষ্ঠাত চাওক*

■ পাঁচ ৰাজ্যৰ নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰকাশ ■ উত্তৰ প্ৰদেশ-উত্তৰাখণ্ড-মণিপুৰত শাসক দলৰ অগ্ৰগতি ■ পঞ্জাৱত চমক দিব আম আদমীয়ে ■ গোৱাত সমানে সমানে কংগ্ৰেছ-বিজেপি

| ৰাজ্য | আসন | সংখ্যাগৰিষ্ঠ | অগ্ৰগতি | সমীক্ষাৰ গড় |
|---|---|---|---|---|
| উত্তৰ প্ৰদেশ | ৪০৩ | ২০২ | বিজেপি+ | ২৪৬ |
| পঞ্জাৱ | ১১৭ | ৫৯ | আম আদমী পাৰ্টি | ৬৩ |
| গোৱা | ৪০ | ২১ | বিজেপি/কংগ্ৰেছ | ১৬ |
| মণিপুৰ | ৬০ | ৩১ | বিজেপি+ | ৩০ |
| উত্তৰাখণ্ড | ৭০ | ৩৬ | বিজেপি | ৩৫ |

# কঠিন যুঁজত বিজেপিৰ অগ্ৰগতিৰ ইংগিত



*এনএছচিএন উগ্ৰপন্থীৰ দৌৰাত্ম্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ওলাই আহিল গঞা, অৰুণাচলৰ টিৰাপত সোমবাৰে।*

■ গোৱাত প্ৰথমবাৰলৈ যুঁজত নামি 'কিংমেকাৰ'ৰ ৰূপত অৱতীৰ্ণ হ'ব পাৰে মমতাৰ তৃণমূল

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ৭ মাৰ্চ ঃ পাঁচ ৰাজ্যৰ বহু চৰ্চিত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ লগে লগে আৰম্ভ হৈছে হিচাপ-নিকাচ— এইবাৰ ক্ষমতাৰ বাঘজৰী কাৰ হাতলৈ? ভোটগ্ৰহণৰ সমাপ্তিৰ লগে লগে বিভিন্ন নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰকাশিত হৈছে। এই সমীক্ষাসমূহৰ গড় হিচাপ অনুসৰি উত্তৰ প্ৰদেশ পুনৰ বিজেপিৰ হাততে থকাটো স্পষ্ট হৈছে। পঞ্জাৱত আম আদমী পাৰ্টি (আপ)য়ে কংগ্ৰেছক পদদলিত কৰি ক্ষমতা দখলেৰে চমক সৃষ্টি কৰাৰ সম্ভাৱনা প্ৰকাশ পাইছে। ইয়াৰ বিপৰীতে গোৱাত কংগ্ৰেছ আৰু বিজেপিৰ মাজত হ'ব কঠিন যুঁজ। আনহাতে, মণিপুৰ আৰু উত্তৰাখণ্ডত বিজেপিৰে অগ্ৰগতিৰ ইংগিত দিছে সমীক্ষাসমূহে। অৰ্থাৎ সামগ্ৰিকভাৱে পাঁচ ৰাজ্যৰ নিৰ্বাচনত বিজেপিয়ে অগ্ৰগতি লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা প্ৰকাশ পাইছে। *দুই পৃষ্ঠাত চাওক*



আশাবাদী বিজেপি-কং

## অসমসহ ছয় ৰাজ্যৰ ১৩ খন ৰাজ্যসভাৰ আসনৰ বাবে ৩১ মাৰ্চত নিৰ্বাচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ মাৰ্চ ঃ** অসমকে ধৰি ছখন ৰাজ্যৰ ১৩ খন ৰাজ্যসভাৰ আসনৰ বাবে অহা ৩১ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। ভাৰতৰ নিৰ্বাচন আয়োগে আজি ঘোষণা কৰে যে দেশৰ উচ্চ সদনখনৰ ১৩ গৰাকী সদস্যৰ *১০ পৃষ্ঠাত চাওক*

আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্যবৃদ্ধিৰ ফলশ্ৰুতিত বিপৰ্যয়

## যুদ্ধৰ পৰিস্থিতিত ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্যৰ সৰ্বাধিক পতন

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৭ মাৰ্চ ঃ** টকাৰ মূল্যৰ সৰ্বকালীন অভিলেখ সৃষ্টি কৰি পতন ঘটিল। আজি প্ৰতি মাৰ্কিন ডলাৰৰ বিপৰীতে টকাৰ মূল্য হয় ৭৬.৯৬। টকাৰ মূল্যৰ উক্ত সৰ্বকালীন শোচনীয় পৰ্যায় স্পৰ্শ কৰাৰ পাছত ই হয়গৈ ৭৬.৯২। আজি সপ্তাহৰ প্ৰথম দিনাই মাৰ্কিন ডলাৰৰ তুলনাত টকাৰ মূল্য আৰু এক শতাংশ অৱনমিত হয়। আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য তীব্ৰগতিত বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত এনে পৰিস্থিতিৰ সৃষ্টি হয় বুলি কোৱা হৈছে। ইয়াৰ পূৰ্বে ২০২০ৰ এপ্ৰিলত টকাৰ মূল্য অভিলেখ পৰিমাণৰ পতন ঘটি ৭৬.৯০ হৈছিল। ক'ভিড-১৯ৰ অতিমাৰীৰ পৰিপ্ৰেক্ষিতত এনে পৰিস্থিতিৰ সৃষ্টি হৈছিল। এইবাৰ যুদ্ধৰ পৰিস্থিতিত সৰ্বকালীন পতন *দুই পৃষ্ঠাত চাওক*

ৰাছিয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে ■ চাৰি যুদ্ধবিধ্বস্ত গুৰুত্বপূৰ্ণ চহৰত উদ্ধাৰ অভিযান ব্যৰ্থ

## ইউক্ৰেইনত পুনৰ ব্যৰ্থ হ'ল যুদ্ধবিৰতি

■ **নিউজ ব্যুৰ'**


**কিয়েভ/মস্কো, ৭ মাৰ্চ ঃ** ইউক্ৰেইনৰ চাৰিখন মহানগৰীৰ পৰা ৰাছিয়া আৰু বেলাৰুছলৈ মানৱীয় কৰিড'ৰ নিৰ্মাণৰ ৰাছিয়াৰ প্ৰস্তাৱ আজি অগ্ৰাহ্য কৰে ইউক্ৰেইনে। ৰাছিয়াৰ এই প্ৰস্তাৱক অনৈতিক চমক বুলি আখ্যা দিয়ে ইউক্ৰেইনে। ৰাষ্ট্ৰখনৰ কিয়েভ, মাৰিয়ুপ'ল আৰু পূবৰ মহানগৰী খাৰকীভ আৰু ছুমীৰ পৰা এই কৰিড'ৰ মুকলি কৰি দিয়াৰ কথা আছিল। ৰাছিয়াই বোমা আক্ৰমণত আবদ্ধ ইউক্ৰেইনীয়সকলক ৰাছিয়া আৰু সহযোগী দেশ বেলাৰুছলৈ নিবলৈ *১০ পৃষ্ঠাত চাওক*

ইউক্ৰেইনত আবদ্ধ ভাৰতীয়ক উদ্ধাৰত সহযোগৰ আহ্বান

## জেলেন'স্কী-পুটিনৰ স'তে ফোনযোগে বাৰ্তালাপ মোদীৰ

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৭ মাৰ্চ ঃ** ছুমীত আবদ্ধ ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰৰ বাবে সাহায্যৰ আশ্বাস বিচাৰি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেন'স্কীৰ স'তে ফোনযোগে বাৰ্তালাপ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এতিয়াও সাতশ *১০ পৃষ্ঠাত চাওক*



## জেলেন'স্কীক হত্যা কৰিলে কি কৰিব ইউক্ৰেইনে ঃ সাজু কৰিছে পৰিকল্পনা

■ **নিউজ ব্যুৰ'**

**ৱাশ্বিংটন ডিচি, ৭ মাৰ্চ ঃ** মাৰ্কিন বৈদেশিক সচিব এণ্টনী ব্লিনকেনে দাবী কৰে যে ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেন'স্কীক ৰাছিয়াই হত্যা কৰিলে ইউক্ৰেইনবাসীয়ে চৰকাৰখন ৰক্ষা কৰাটো নিশ্চিত কৰিবলৈ পৰিকল্পনা প্ৰস্তুত কৰি থৈছে। বিশেষ তথ্য সদৰী নকৰি তেওঁ কয় যে ইউক্ৰেইনীয় *দুই পৃষ্ঠাত চাওক*

■ সহযোগীসহ কাছাৰৰ মণিপুৰ সীমান্তৰ বাগিচাত আত্মগোপন কৰি আছিল ■ অসমৰ মাজেৰে চুবুৰীয়া ৰাষ্ট্ৰৰ লগত ৰেড ক'ৰিডৰ নিৰ্মাণৰ দায়িত্ব লৈছিল ■ নগদ ধনসহ বিভিন্ন সামগ্ৰী উদ্ধাৰ


## কেন্দ্ৰীয় মাওবাদী নেতা 'কাঞ্চনদা'ক গ্ৰেপ্তাৰ

■ চিপিআই-মাওবাদীৰ ৭০ বছৰীয়া অন্যতম কৌশল নিৰূপক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ মাৰ্চ ঃ** অসমক মাওবাদীৰ অন্যতম ঘাটিৰূপে প্ৰতিষ্ঠাৰ লগতে ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ স'তে দেশৰ মাওবাদী অধ্যুষিত অঞ্চলবোৰক সংযোজিত কৰাৰ 'ৰেড ক'ৰিডৰ' নিৰ্মাণৰ কামত নিয়োজিত চিপিআই-মাওবাদীৰ বৰ্ষীয়ান শীৰ্ষ নেতা অৰূণ কুমাৰ ভট্টাচাৰ্য্য ওৰফে জ্যোতিষ ওৰফে কবিৰ ওৰফে কনক ওৰফে কাঞ্চন দা যোৱা নিশা মহানগৰ আৰক্ষীৰ জালত পৰে। কাঞ্চনদাই অসমৰ কাছাৰ, ডিমা হাছাও আৰু মণিপুৰৰ তামেংলং জিলাৰ সীমা স্পৰ্শ কৰি থকা এক বিশেষ স্থানত আত্মগোপন কৰি থকাৰ তথ্য শেহতীয়াকৈ গুৱাহাটী মহানগৰ আৰক্ষী তথা অসম আৰক্ষীয়ে লাভ কৰিছিল। সেই খবৰৰ ভিত্তিত গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ অপৰাধ শাখাৰ অতিৰিক্ত উপ-আৰক্ষী আয়ুক্ত নুমল মহত্তসহ আৰক্ষীৰ এটা দলে পাঁচটা ভাগত বিভক্ত হৈ উক্ত অঞ্চলত কালিৰ পৰা বৃহৎ *১০ পৃষ্ঠাত চাওক*








কেবিনেটৰ সিদ্ধান্ত ■ কণ্টিনজেন্সী পুঁজি দুহেজাৰ কোটিলৈ বৃদ্ধি

## যিকোনো প্ৰতিষ্ঠানে শ্ৰমিক নিয়োগ কৰিলে অনলাইন পঞ্জীয়ন বাধ্যতামূলক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ মাৰ্চ ঃ** গ্ৰামাঞ্চলত ব্যৱসায়িক অনুজ্ঞাপত্ৰৰ প্ৰয়োজনীয়তা প্ৰত্যাহাৰ আৰু ৰাজহ 'টাউন' ব্যৱস্থাৰ বিলুপ্তিসহ কে'বাটাও সিদ্ধান্ত আজি গ্ৰহণ কৰে অসম চৰকাৰৰ কেবিনেট বৈঠকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত জনতা ভৱনত অনুষ্ঠিত বৈঠকত গৃহীত সিদ্ধান্তৰ বিষয়ে সদৰী কৰি মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে ৰাজহ বিভাগৰ দ্বাৰা লোৱা সিদ্ধান্ত অনুসৰি নিৰ্ধাৰিত কেইটামান শিতানৰ বাদে এতিয়াৰে পৰা গাঁও পঞ্চায়তৰ অধীনৰ অঞ্চলত ব্যৱসায় কৰিবলৈ *১০ পৃষ্ঠাত চাওক*





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ১৭° |
| ডিব্ৰুগড় | ৩১° | ১৪° |
| দিল্লী | ২৯° | ১৬° |
| কলকাতা | ৩২° | ১৯° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩১° | ২৪° |
| বাংগালুৰু | ২৭° | ১৭° |
| শ্বিলং | ২৫° | ১৩° |

*৭ মাৰ্চ, ২০২২*

## ৰঙালী বিহু উদ্‌যাপনক লৈ চৰকাৰৰ সিদ্ধান্তক আদৰণি দীপলিনাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ মাৰ্চ ঃ** অসম চৰকাৰে ক'ভিডে সৃষ্টি কৰা জটিলতাৰ বাবে ব্যৱসায়ীৰ ওপৰত হেঁচা নপৰিবলৈ একাংশ বিহু উদ্‌যাপন সমিতিক আৰ্থিক সাহায্য *১০ পৃষ্ঠাত চাওক*

পূৰ্বৰ তুলনাত নিম্ন হাৰত উপ-নিৰ্বাচনত ভোট

## শান্তিপূৰ্ণভাৱেই মাজুলীত ৬৬ শতাংশৰ ভোটদান



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী দেৰগাঁও, ৭ মাৰ্চ ঃ** মাজুলী সমষ্টিৰ উপ-নিৰ্বাচনত আজি পুৱা সাত বজাৰ পৰা আৰম্ভ হোৱা ভোটদান বিয়লি পাঁচ বজাত শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। অৱশ্যে সমষ্টিটোত পূৰ্বৰ তুলনাত ভোটদানৰ হাৰ যথেষ্ট নিম্নগামী হোৱা পৰিলক্ষিত হয়। সমষ্টিটোত মুঠ ১,৩৩,২৭৭ ভোটাৰৰ ভিতৰত ভোটদানৰ হাৰ *১০ পৃষ্ঠাত চাওক*

উৎকোচ লোৱা নিলম্বিত কৰ্মচাৰীও ধৃত নগাঁৱত

## জলসিঞ্চনত ভুৱা নিযুক্তিপত্ৰ লৈ আহি দুই মহিলা জালত

**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ মাৰ্চ ঃ** ৰাজ্য চৰকাৰে শেহতীয়াকৈ পুনৰ গঠন কৰা নগাঁও বৰ়মপুৰ জলসিঞ্চন সংমণ্ডলত চাকৰিত যোগদান কৰিবলৈ আহি এজন নিলম্বিত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ স'তে গ্ৰেপ্তাৰ হ'ল দুগৰাকী মহিলা। ধৃত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীজনক শকত অংকৰ উৎকোচ দি *১০ পৃষ্ঠাত চাওক*

১০৪ গৰাকী শিক্ষাৰ্থীক ইউক্ৰেইনৰ পৰা উদ্ধাৰ

## ছুমীত আবদ্ধ শুৱালকুছিৰ ছাত্ৰীৰ প্ৰাণৰ সংশয় প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/শুৱালকুছি, ৭ মাৰ্চ ঃ** ইউক্ৰেইনত আবদ্ধ অসমৰ ১০৪ গৰাকী শিক্ষাৰ্থীক আজি পৰ্যন্ত স্বদেশলৈ ওভতাই অনা হৈছে। আজিও তিনিগৰাকী ছাত্ৰীক ভাৰতলৈ অনা হয়। দুপৰীয়া বিশেষ বিমানেৰে *১০ পৃষ্ঠাত চাওক*




চেঙা তেল



*যুদ্ধ নালাগিলেও আমি মূল্যবৃদ্ধিৰ স্পীড কোনোদিনে কমাই দিয়া নাই! খালী চৰকাৰৰ কৃপা থাকিলে হ'ল!*

## উত্তৰ-পূৱত জন ঔষধি কেন্দ্ৰৰ সংখ্যা আঠশলৈ বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ মাৰ্চ ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ স্বাস্থ্যসেৱাৰ উত্তৰণত চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিছে। আগন্তুক দিনত উত্তৰ-পূৱত আঠশ 'জন ঔষধি কেন্দ্ৰ' স্থাপনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। তদুপৰি অসমত স্থাপন কৰা হ'ব চাৰিশটা এনে কেন্দ্ৰ, *১০ পৃষ্ঠাত চাওক*

'জন ঔষধি দিৱস'ৰ উদ্‌যাপনত মন্ত্ৰী সোণোৱালৰ ঘোষণা



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৮ মাৰ্চ, মঙ্গলবাৰ ২০২২ পৃষ্ঠা তিনি

## জনজাতিকৰণ-ভূমি পট্টাৰ দাবীত আদিবাসী জাতীয় মহাসভা-সংগ্ৰামী মঞ্চৰ ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ৭ মাৰ্চ ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁৱত আদিবাসী জাতীয় মহাসভাই আজি তিনিঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। জনজাতিকৰণ আৰু ভূমি পট্টাৰ দাবীত আদিবাসী জাতীয় মহাসভা আৰু সংগ্ৰামী মঞ্চৰ উদ্যোগত পুৱা ১১ বজাৰ পৰা এক বজালৈ এই কাৰ্যসূচী ৰূপায়ণ কৰে। চৰকাৰে জনজাতিকৰণৰ নামত দীৰ্ঘদিনৰ পৰাই প্ৰতাৰণা কৰাৰ অভিযোগ তুলি মহাসভাৰ সম্পাদক বীৰসিং মুণ্ডাই কয় যে বিজেপিয়ে বাৰে বাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ নামত প্ৰতাৰণাহে কৰিছে। গতিকে অতি শীঘ্ৰেই জনজাতিকৰণ নকৰিলে অসমৰ পৰা ছয় পৃষ্ঠাত চাওক

## অইলৰ ক্ষেত্ৰীয় কাৰ্যালয় ঘেৰাও আছুৰ
## বাঘজান কাণ্ডৰ মূল খলনায়ক জন এনাৰ্জিক পুনৰ ঠিকা প্ৰদান অইলৰ



**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ৭ মাৰ্চ ঃ** বাঘজান-কাণ্ডৰ মূল খলনায়ক জন এনাৰ্জি প্ৰাইভেট লিমিটেডক অইল ইণ্ডিয়া লিমিটেডে পুনৰ ঠিকা প্ৰদানৰ প্ৰতিবাদত আজি পুৱা তৈলনগৰী দুলীয়াজানৰ অইলৰ ক্ষেত্ৰীয় কাৰ্যালয়ৰ সন্মুখত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা আৰু তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকলে যৌথভাৱে ঘেৰাও কাৰ্যসূচী ৰূপায়ণেৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত ছাত্ৰকৰ্মীসকলে অইলৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। এই ঘেৰাও কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত আৰু সাধাৰণ সম্পাদক অৱনী গগৈয়ে ক্ষোভেৰে কয়, 'অইলৰ উত্তৰণৰ ক্ষেত্ৰত অসমৰ ৰাইজৰ বহু ত্যাগ-অৱদান আছে । অসমৰ ৰাইজে অইলক গঢ়ি তুলিবলৈ নিজৰ মাটিবাৰী দান দিছে আৰু এই অইলৰ উত্তৰণত অসমৰ ৰাইজে তেজ দিব লগাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।' তেনে ছয় পৃষ্ঠাত চাওক

## চাকৰি নিয়মীয়াকৰণ, সমান কামৰ সম দৰমহাৰ দাবী, অনলাইনযোগে নিয়োগৰ বিৰোধিতা
# ৰাজ্যজুৰি গৃহৰক্ষী জোৱানৰ অৱস্থান ধৰ্মঘট



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৭ মাৰ্চ ঃ** চাকৰি নিয়মীয়া কৰণৰ লগতে তিনি দফীয়া দাবীৰ সমৰ্থনত আজি প্ৰায় তিনি শতাধিক প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী জোৱানে গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। উল্লেখ্য যে 'গৃহৰক্ষী জোৱান সকলৰ চাকৰি নিয়মীয়া কৰণৰ ব্যৱস্থা কৰা, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে সমান কামৰ সমান দৰমহা ৰাজ্য চৰকাৰে গৃহৰক্ষী কৰ্মীসকলক তৎকালীনভাৱে আদায় দিয়া আৰু গৃহৰক্ষী জোৱান সকলৰ মকৰলৰ ক্ষেত্ৰত অনলাইন ডেপ্লয়মেন্ট চিষ্টেম অতি সোনকালে বন্ধ কৰাৰ' দাবীত আজিৰে পৰা অনিৰ্দিষ্টকালীন কৰ্মবিৰতি কাৰ্যসূচী আৰম্ভ কৰিছে। কৰ্মবিৰতি কাৰ্যসূচীৰ প্ৰথম দিনা গোৱালপাৰা জিলাৰ গৃহৰক্ষী জোৱানসকলে উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সমবেত হৈ বেনাৰৰ লগতে হাতে হাতে প্লে কাৰ্ড লৈ পুৱা ছয় বজাৰ পৰা আবেলি চাৰি বজালৈকে অৱস্থান ধৰ্মঘট কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে গৃহৰক্ষী সন্থাৰ জিলা সম্পাদক আব্দুল হাকিমে কয় যে তেওঁলোকে মাহিলি মাত্ৰ ন হেজাৰ টকাৰ দৰমহাৰে কাৰ্যনিৰ্বাহ কৰিবলগীয়া হৈছে। ইফালে. ছমাহ কামত মকৰল কৰাৰ বিপৰীতে ছমাহ ঘৰত বহি কটাবলগীয়া হৈছে গৃহৰক্ষী ছয় পৃষ্ঠাত চাওক

## টিংখাঙত বাঘৰ আক্ৰমণত দুজন আহত ঃ উজাগৰী নিশা কটাইছে গঞাই



**অগ্ৰদূত বাৰ্তা**
**টিংখাং, ৭ মাৰ্চ ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং আৰক্ষী থানাৰ অন্তৰ্গত দিল্লীবাৰী লংবৈ নহোলা গাঁৱত দেওবাৰৰ বিয়লি প্ৰায় চাৰি বজাত এটা নাহৰফুটুকীৰ আক্ৰমণত দুজন লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'ব লগা হৈছে। আহত দুজন বিনোদ (৩০) আৰু সুশীল (২৮)। বাঘৰ এই আক্ৰমণৰ পাছৰে পৰা অঞ্চলটোত এক চেপা উত্তেজনা বিৰাজ কৰিছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বৃহত্তৰ টিংখাং অঞ্চলত বাঘে পোহনীয়া গৰু-ছাগলী ভক্ষণ কৰি আহিছে। উল্লেখ্য যে অঞ্চলটোৰ দিৰৈচুক, শ্ৰীপুৰ, বামচুক, শিশুমৰা বৰপথাৰ গাঁৱৰ হাবিত এহাল বাঘে পোৱালিসহ আশ্ৰয় লৈ আছে। বিগত কে'বামাহ ধৰি হাবিত আশ্ৰয় লৈ থকা বাঘে স্থানীয় গাঁওকেইখনৰ লগতে সমীপৰ গাঁওবিলাক অবাধে বিচৰণ কৰি গৰু-ছাগলী ভক্ষণ কৰি সন্ত্ৰাস চলাই আহিছে। বাঘে পথাৰত চৰি থকাৰ লগতে ঘৰৰ গোহালি-গঁৰাল আদিৰ পৰা জীৱ-জন্তু ধৰি নি ভক্ষণ কৰি অঞ্চলটোৰ জনসাধাৰণৰ নিদ্ৰাহৰণ কৰিছে। অঞ্চলটোত বাঘৰ মুক্ত বিচৰণৰ ফলত আক্ৰমণৰ শংকা কৰি জনসাধাৰণ আতংকিত হৈ ছয় পৃষ্ঠাত চাওক

## পলায়ন কৰা অপৰাধীক ধৰি গতাই দিলে সুৰক্ষা কৰ্মীয়ে




**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৭ মাৰ্চ ঃ** ডিব্ৰুগড়ত কৰ্তব্য নিষ্ঠাৰ পুৰস্কাৰ পালে দুজন সুৰক্ষাকৰ্মীয়ে। আজি অসম আৰক্ষীয়ে তেওঁলোকক বিশেষভাৱে পুৰস্কৃত কৰে। এজন পলাতক অপৰাধীক কৰায়ত্ত কৰি আৰক্ষীৰ দ্বাৰা পুৰস্কৃত হোৱা সুৰক্ষাকৰ্মীদ্বয় হৈছে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ছয় পৃষ্ঠাত চাওক

## দৰঙী কোচ ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা ধৰ্মনাৰায়ণ দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**
**মঙলদৈ, ৭ মাৰ্চ ঃ** ইতিহাস প্ৰসিদ্ধ দৰঙী কোচ ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা ধৰ্মনাৰায়ণৰ প্ৰতিমূৰ্তি স্থাপনৰ এবছৰ পূৰ্ণ হোৱা উপলক্ষে আজি মঙলদৈৰ বৰপুখুৰীৰ পাৰৰ প্ৰতিমূৰ্তিস্থলীত দ্বিতীয় বাৰ্ষিক ৰজা ধৰ্মনাৰায়ণ দিৱস উদ্‌যাপন কৰা হয়। প্ৰতিমূৰ্তি সংৰক্ষণ সমিতিৰ উদ্যোগত আৰু প্ৰতিমূৰ্তি দাতা প্ৰতিষ্ঠান দেৱচন্স গোটৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত এই দিৱস উদ্‌যাপন উপলক্ষে বিশিষ্ট শিক্ষাবিদ, গৱেষক , লেখক ড° নগেন্দ্ৰ নাথ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। উপায়ুক্ত শৰ্মাই দৰঙী কোচ ৰজাৰ ঐতিহাসিক সমল আৰু কীৰ্তিচিহ্নসমূহ চিনাক্ত কৰি সেয়া উপযুক্তভাৱে সংৰক্ষণৰ বাবে জিলা প্ৰশাসনে চৰকাৰৰ স'তে ইতিমধ্যে যোগাযোগ ছয় পৃষ্ঠাত চাওক

## প্ৰাক্তন অধ্যক্ষ পুণ্য মোহন বৰুৱাৰ বিয়োগ



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৭ মাৰ্চ ঃ** শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পুণ্য মোহন বৰুৱা (৮৭)ৰ আজি নিজ গৃহত মৃত্যু হয়। আজি পুৱা ৮.৩০ বজাত মৃত্যু হোৱা বৰুৱাই পত্নীৰ লগতে দুজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়। শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বৰুৱাৰ জন্ম হৈছিল ১৯৩৪ৰ ছয় পৃষ্ঠাত চাওক

## এপ্ৰিলৰ পৰা আৰম্ভ হ'ব নতুন শিক্ষাবৰ্ষ
## চৰকাৰী বিদ্যালয়ত বিষয় শিক্ষক নোহোৱাক লৈ নামভৰ্তিকৰণত বিপাঙত অভিভাৱক

**অগ্ৰদূত বাৰ্তা**
**তালাপ, ৭ মাৰ্চ ঃ** সমগ্ৰ ৰাজ্যত এপ্ৰিলৰ পৰা আৰম্ভ হ'ব ২০২২-২৩ৰ নতুন শিক্ষাবৰ্ষ। ২০২০লৈকে অসমত জানুৱাৰীৰ পৰাই নতুন শিক্ষাবৰ্ষ আৰম্ভ হৈ আছিল। বিশ্বত কৰ'না ভাইৰাছ মহামাৰীৰ সংক্ৰমণৰ পাছত বিদ্যালয়-মহাবিদ্যালয়সমূহ বন্ধ ৰাখিবলগীয়া হয়। অসমতো বিদ্যালয়সমূহ বন্ধ ৰাখিব লগাত শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছপৰি থাকিব লগা হ'ল। তাৰ পাছৰ পৰাই অসমতো মাৰ্চ শিক্ষাবৰ্ষৰ অন্তিম মাহ হিচাপে গ্ৰহণ কৰে। দুখৰ বিষয় যে অসমৰ চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাটো এতিয়াও ফোঁপোলা স্বৰূপ হৈ থকা পৰিলক্ষিত হৈছে। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাটো উন্নত কৰি তুলিবলৈ বিভিন্ন পন্থা লোৱা বুলি ঢাক-ঢোল বজালেও সেয়া কেৱল এক মিথ্যাচাৰহে বুলি অভিযোগ উত্থাপন হৈছে। দৰিদ্ৰ পৰিয়ালৰ সচেতন পৰিয়ালৰ বহু অভিভাৱকে চৰকাৰী খণ্ডৰ বিদ্যালয়ত তেওঁলোকৰ সন্তানক নামভৰ্তি কৰিবলৈ বিচাৰিছে যদিও বিষয় শিক্ষক নোহোৱাক লৈ পৰিছে বিপাঙত। বহু বিদ্যালয়ত বিষয় শিক্ষকৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নোহোৱা, ছাত্ৰ-ছাত্ৰীয়ে বহিবলৈ বেঞ্চ-ডেস্ক ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, মঙলবাৰ ২৩ ফাগুন ১৪২৮ ভাস্কৰাব্দ ৮ মাৰ্চ ২০২২

## আশাবাদৰ ক্ৰিয়া

মানুহ জন্মগতভাৱেই আশাবাদী আৰু সেয়ে মানৱ সমাজ প্ৰগতিৰ দিশত আগুৱাই গৈছে। মানুহৰ বিভিন্ন কামৰ মাজেদি, সাংস্কৃতিক কাৰ্যকলাপ, ধৰ্মবিশ্বাস আদিৰ মাজেদি আশাবাদ প্ৰকাশ পাইছে। মানুহে যদি ধৰ্ম মন্দিৰলৈ গৈছে, গিৰ্জা তথা মছজিদলৈ গৈছে, ঈশ্বৰক প্ৰাৰ্থনা কৰিছে— সেই সকলোতে প্ৰকৃততে আশাবাদেই নিহিত হৈ আছে। ভৱিষ্যৎ মংগলময় হ'ব, ভাল হ'ব, শুভ হ'ব— এই বিশ্বাস আশাবাদী মানুহৰ মনৰ পৰাই উদ্ভৱ হৈছে।

ঈশ্বৰ বিশ্বাস নাইবা ধৰ্মবিশ্বাস হ'ল আশাবাদৰ অভিব্যক্তি। ধৰ্ম বা ঈশ্বৰত অগাধ বিশ্বাস থকা ভক্ত বা ধাৰ্মিক লোকসকলৰ জীৱন কালৰ সন্দৰ্ভত বিশেষভাৱে গৱেষণা বা অধ্যয়ন চলোৱা হৈছে নে নাই, সেই বিষয়ে তথ্যৰ অভাৱ; কিন্তু আশা কৰা হৈছে ধাৰ্মিক বা ভক্তসকলৰ গড় আয়ুস আন বহুততকৈ বেছি। অৱশ্যে আধুনিক সাহিত্যত নিৰাশাবাদ নাইবা আশাবাদৰ ওপৰত অনাস্থা যথেষ্ট পৰিমাণে দেখা যায়। আধুনিক সাহিত্যত ধৰ্ম, ঈশ্বৰৰ ওপৰত সন্দেহ, আশাবাদৰ ওপৰত সন্দেহ স্পষ্ট। ধ্ৰুপদী সাহিত্য আৰু ৰোমান্টিক সাহিত্য আৰু দৰ্শনত মানুহৰ আশাবাদ শক্তিশালী ৰূপত দেখা গৈছিল; কিন্তু আধুনিক সাহিত্য আৰু দৰ্শনত আশাবাদৰ ওপৰত প্ৰশ্ন আৰু সন্দেহ কৰিছে লেখকসকলে। অৱশ্যে কে'বাশ বছৰৰ আগেয়ে উইলিয়াম শ্বেক্সপীয়েৰৰ নাটকতো বিশেষকৈ তেওঁৰ ট্ৰেজিক নাটসমূহত আশাবাদে বিশেষ গুৰুত্ব পোৱা নাছিল।

প্ৰশ্ন হয়, যদিহে আশাবাদে মানুহৰ আয়ু বা জীৱন কাল বঢ়াব পাৰে, অৰ্থাৎ মানুহক জীয়াই থকাত অৰিহণা যোগাব পাৰে, তেন্তে শিল্প-সাহিত্যত আশাবাদী দৃষ্টিভংগীয়েই প্ৰতিফলিত হোৱা উচিত; কিন্তু আধুনিক যুগৰ সকলো শিল্পী-সাহিত্যিক এই কথাত একমত নহয়। তেওঁলোকৰ সাহিত্য-কলাত আশাবাদৰ জয়গান দেখা নাযায়। শূন্যতা আৰু নিৰাশাৰ পৃথিৱী এখনহে এই সাহিত্যিকসকলে দাঙি ধৰে নাইবা দাঙি ধৰিব বিচাৰে। উদ্ভট নাটকসমূহত এনে শূন্যতাত নাট্যকাৰসকলে আশ্ৰয় লোৱা দেখা যায়। ছেমুৱেল বেকেটৰ 'গ'ড'ৰ প্ৰতীক্ষাত' (ৱেইটিং ফৰ গ'ড') নাটকত প্ৰধান চৰিত্ৰ দুটাই সদায় প্ৰতীক্ষাহে কৰে; কিন্তু যাৰ বাবে প্ৰতীক্ষা কৰে, তেওঁ কোনোদিনেই দেখা নিদিয়ে বা আহি উপস্থিত নহয়। ইয়াত আশা কোনোদিনেই পূৰণ হোৱা নাই। এই নাটকত প্ৰতীক্ষা হ'ল আশাবাদ; কিন্তু প্ৰতীক্ষা কোনোদিনেই পূৰণ নোহোৱাটো হ'ল শূন্যতা। আধুনিক মানৱ তথা আধুনিক মানুহৰ ভৱিষ্যতক কেন্দ্ৰ কৰি ৰচিত এই নাটকতো আশাবাদৰ জয়গান নাই; কিন্তু আধুনিক বিশ্ব সাহিত্যত এই নাটক অতি উচ্চ মানৰ আৰু মৌলিক বুলি প্ৰশংসিত হৈ, চৰ্চিত হৈ আহিছে। আধুনিক চিত্ৰকলাতো আশাবাদৰ বাণীৰ প্ৰতিফলন কম দেখা যায়। আধুনিক চিত্ৰকলাত বিমূৰ্তকৰণৰ যোগেদি মানৱ অৱয়ৱৰ অৱসান ঘটোৱা হৈছে। আশাবাদৰ বাণীৰ অভাৱ ঘটিছে; কিন্তু এই শ্ৰেণীৰ মহান সাহিত্য-শিল্পই মানুহৰ বয়সৰ ওপৰত কি প্ৰভাৱ পেলাইছে, সেই প্ৰশ্নৰ উত্তৰ কোনে দিব?

সাহিত্য-কলা আশাবাদীয়েই হওক নাইবা নিৰাশাবাদীয়েই হওক, সকলোৱেই গুৰুত্বপূৰ্ণ আৰু মূল্যৱান বুলি বিবেচিত হৈছে। আধুনিক শিল্পী-সাহিত্যিকে সৰল আশাবাদক আঁকোৱালি লোৱা নাই। ইয়াৰ বিপৰীতে বিজ্ঞানীসকলৰ গৱেষণাৰ তথ্যসমূহে মানুহক আশাবাদী হ'বলৈ পৰামৰ্শ দিছে। আধুনিক শিল্পী-সাহিত্যিকসকলে সৰল আশাবাদী দৃষ্টিভংগী গ্ৰহণ কৰা নাই নাইবা কৰিব পৰা নাই; কিন্তু এনে সাহিত্য-শিল্পৰ মানুহৰ জীৱনৰ ওপৰত, বয়সৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলোৱা বুলি দাবী কৰিব পৰা নাযায়। সৰল আশাবাদ নাথাকিলেও এনে শিল্প-সাহিত্যই মানৱ সমাজৰ চিন্তাৰ জগতখন বহলাইছে। আনহাতে, বিজ্ঞানীসকলৰ গৱেষণাৰ পৰা লাভ কৰা তথ্যবোৰকো আওকাণ কৰিব নোৱাৰি। মানৱ সভ্যতাৰ ভৱিষ্যতে কি আছে— ধ্বংসই অন্তিম সত্য নেকি— সেই বিষয়ে স্পষ্টভাৱে কোনেও একো ক'ব বা দাবী কৰিব পৰা নাই। এটা বৃহৎ গ্ৰহাণুৱে যিকোনো এদিন পৃথিৱী ধ্বংস কৰিব নাইবা মানৱ প্ৰজাতি নিঃশেষ কৰিব পাৰে। সৰল আশাবাদী হোৱাটো সেয়ে চিন্তাশীল মানৱৰ কাৰণে সম্ভৱ নহ'বও পাৰে; কিন্তু মানুহ মূলতঃ আশাবাদী প্ৰাণী। নিৰাশা বা হতাশা থাকিলেও মানুহে আশা কৰি, সপোন দেখি ভাল পায়। হয়তো এয়াই মানুহৰ প্ৰকৃতি। আদিম অৱস্থাৰ পৰা মানুহৰ প্ৰগতিৰ দিশেৰে হোৱা পৰিৱৰ্তনৰ অন্তৰালত এই আশাবাদেই ক্ৰিয়া কৰি আহিছে।

## খোলা মঞ্চ

## সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নেকি?



আমি ইতিহাসৰ পাত লুটিয়াই চালে দেখিবলৈ পাওঁ যে দেশবিলাকৰ মাজত সীমাৰ ভাগ-বতৰা কৰাৰ সময়ত চৰকাৰৰ লোকসকলে যিখিনি তদাৰক কৰিব লাগিছিল আমাৰ কেন্দ্ৰীয় চৰকাৰে সেইখিনি কৰা নাছিল। যাৰ ফলত আজি আমাৰ ৰাজ্য ভাৰাক্ৰান্ত হ'বলগীয়া হৈছে। প্ৰথমতে আমি যদি মেকমোহন লাইনৰ কথাকে কওঁ, তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু নিজক লৈ ব্যস্ত আছিল হেনো। সীমাটো হেনো তেওঁ আঙুলিৰে দেখুৱাই দি দায়িত্ব সামৰিছিল। এতিয়া তাৰ বাবে মাজে-সময়ে ভাৰত চৰকাৰৰ মূৰৰ কামোৰণি হ'বলগীয়া হৈছে। কেৱল ভাৰত-চীন সীমান্ত বুলিয়ে নহয় পাকিস্তান, বাংলাদেশ, নেপাল আদি ৰাজ্যবোৰৰ মাজতো সীমা নিৰ্ধাৰণ কেনেদৰে কৰা হৈছিল ৰাইজে জানে। বৰ্তমান এই সীমা বিবাদবিলাকক লৈ ভাৰতবাসীৰ যিটো অৱস্থা তাত অসমক টানি লাভ নাই। ইয়াৰ বাবে সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰহে জগৰীয়া। ব্ৰিটিছসকল ভাৰতলৈ আহিছিল সাম্ৰাজ্যবাদী মনোভাৱ লৈ। গতিকে তেওঁলোকে

**অঞ্জলিকা চক্ৰৱৰ্তী,** লেখিকা

সাম্ৰাজ্যবাদ বিস্তাৰৰ বাবে যিবিলাক উন্নয়নমূলক কাম কৰিবলগীয়া হৈছিল সেইবিলাকৰ ওপৰতহে তেওঁলোকে অধিক মনোযোগ দিছিল। বাকী অন্য দিশবিলাকৰ প্ৰতি তেওঁলোকো উদাসীন আছিল। লগতে তেতিয়াৰ আমাৰ ৰাজনীতিবিদ সকলো তৎপৰ নাছিল। সেই সময়ৰ ভুল বিলাকৰ বাবে এতিয়া অসমে নানা সমস্যাত ভুগিবলগীয়া হৈছে।


সীমা সমস্যা সকলোতে থাকে। দুঘৰ মানুহৰ মাজতো সীমা সমস্যা থাকে। আৰু ইয়াৰ বাবে মানুহ মৰা মৰি হোৱা দৃষ্টান্তও আছে। যেতিয়া জনবসতি কম আছিল, তেতিয়া মানুহবিলাক সীমা সম্পৰ্কে সজাগ নাছিল। উভয়ে উভয়ৰ নিৰাপত্তাৰ বাবে মানুহবোৰ ওচৰা ওচৰিকৈ বাস কৰিছিল। সেই সময়ত তেওঁলোকে ভবা নাছিল যে জনসংখ্যাই গৈ বৰ্তমানৰ ৰূপ ল'ব বুলি। মানুহক মানুহ লাগে। গতিকে সীমান্তবাসীয়ে তুমি অসমীয়া মই পাকিস্তানী, মই বাংলাদেশী, মই নেপালী এই ভাববোৰ অনা নাছিল। যেতিয়া জনসংখ্যা বাঢ়ি গ'ল মানুহৰ থাকিবলৈ ঠাই নোহোৱা হ'ল, নিজ দেশ এৰি বিদেশত আশ্ৰয় ল'বলগীয়া হ'ল, তেতিয়াহে এই দিশটোৰ ওপৰত সজাগ হ'বলগীয়া হ'ল।

সীমা বিবাদ সমাধানৰ বাবে দ্বিপাক্ষিক আলোচনাৰে মীমাংসা কৰিব লাগে। তাতো যদি নহয়, ৰাজহ বিভাগ, আদালত আদি চৰকাৰী সহায়ৰ ওচৰ চাপিব লাগে। কথাবিলাক সহজভাৱে চলি গ'লে দুখন ৰাজ্যৰ বা দুখন জিলাৰ সীমা বিবাদ দুয়োখন ঠাইৰ সীমান্তবাসীৰ মতামতৰো প্ৰয়োজন হয়। এনেদৰে সমাধান কৰাটো সকলোৰে বাবে মংগল। অসমৰ বাহিৰে উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহ ভাগ ভাগ হোৱাৰ পাছত তেওঁলোকে ইনাৰ লাইন পাৰ্মিটৰ ব্যৱস্থা কৰি লৈ বৰ ভাল কাম কৰিছে। আমাৰ চৰকাৰে বৰ্তমানলৈ কোনো ব্যৱস্থা কৰা নাই। অতি সোনকালে অসমতো এই আইন প্ৰৱৰ্তন কৰাটো বাঞ্চনীয়। *ফোন ঃ ৯১০১৭৯৯৫৯৫*

# ইউক্ৰেইনৰ বিনাশ অৱধাৰিত নেকি?

**আত্মসমৰ্পণ অপমানজনক হ'ব পাৰে; কিন্তু দেশ আৰু দহৰ সুৰক্ষাৰ বাবে তেনে অপমানকো নতশিৰে স্বীকাৰ কৰি লোৱাটোহে আচল বীৰত্ব আৰু আত্মত্যাগ হ'ব পাৰে। ভৱিষ্যতে যুঁজিবলৈ হলেওঁতো নিজক বচাই ৰাখিব লাগিব!**

## জেলেন'স্কীয়ে যদি আত্মসমৰ্পণ নকৰে, চকুৰ আগতে ইউক্ৰেইন ছাৰখাৰ হৈ যোৱাহে তেওঁ দেখিবলৈ পাব



অসবৰ্ণ

হীৰেন গগৈ

এঘাৰ দিন পাৰ হ'ল, ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ অৱসান হোৱা নাই। যুদ্ধ যিমানে দীঘলীয়া হৈছে, ইউক্ৰেইনৰ চহৰবোৰত ধ্বংসলীলাৰ প্ৰকোপো বৃদ্ধি পাইছে। ৰাছিয়াৰ মিছাইল আক্ৰমণত ঘৰ-দুৱাৰ পুৰি ছাৰখাৰ হৈছে, কিছু সংখ্যক সাধাৰণ নাগৰিকৰো মৃত্যু ঘটিছে আৰু যিসকল বাচি আছে তেওঁলোক ঘৰ-দুৱাৰ এৰি নিৰাপদ স্থানলৈ পলাবলগীয়া হৈছে নাইবা বাংকাৰত সোমাই থাকিবলগীয়া হৈছে। যুঁজিব পৰাসকলে হাতত অস্ত্ৰ লৈ ৰুছ বাহিনীক ভেটিবলৈ মৰণপণ যুঁজি আছে। ইউক্ৰেইনীয় সেনা আৰু সশস্ত্ৰ নাগৰিকসকলৰ প্ৰত্যাক্ৰমণত ৰুছ বাহিনীৰো বহু হেজাৰ জোৱানৰ প্ৰাণ হানি হোৱাৰ লগতে বহুসংখ্যক টেংক আৰু যুঁজাৰু বিমান ধ্বংস হোৱা বুলি বাতৰি ওলাই আছে। একেদৰে ৰুছ অভিযানৰ অগ্ৰগতি আৰু সাফল্যৰ খবৰবোৰো প্ৰচাৰিত হৈ আছে; কিন্তু এই সকলোবোৰ হৈছে যুদ্ধকালীন প্ৰচাৰহে; নিজ পক্ষৰ শক্তি-সাফল্য আৰু শত্ৰুপক্ষৰ ক্ষয়ক্ষতিৰ অতিৰঞ্জনেই হৈছে তাৰ ধৰ্ম।

কিন্তু প্ৰকাশ্য সত্য এয়ে যে যুদ্ধখন চলি আছে আৰু ইউক্ৰেইনৰ মাটিতহে চলিছে। ৰাছিয়াৰ সেনাবাহিনী আৰু শই শই টেংক যুদ্ধৰ আৰম্ভণিৰ পৰাই ইউক্ৰেইনত সোমাই আছে আৰু সেইবোৰে ইউক্ৰেইনৰ প্ৰধান চহৰবোৰ অৱৰোধ কৰি ৰাখিছে। কেইখনমান চহৰ, দুটামান পাৰমাণৱিক পাৱাৰ প্লেণ্ট, একাধিক সামৰিক ঘাটি ৰুছ সেনাই দখল কৰি লৈছে বুলি ধৰিব পাৰি। তদুপৰি অৱৰুদ্ধ চহৰবোৰৰ ওপৰত ৰুছ বাহিনীৰ বোমাবৰ্ষণো অহৰহ চলিয়েই আছে। তাৰ পাছতো ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন'স্কীয়ে যদি দাবী কৰি থাকে যে যুদ্ধত ইউক্ৰেইনৰ জয় হ'ব আৰু ৰাছিয়া হাৰি যাব, তেনে কথা বিশ্বাস কৰা টান। জেলেন'স্কীয়ে নিজেও নিশ্চয় বুজি পাইছে যে তেওঁৰ দেশে অকলে বিশাল ৰুছ বাহিনীৰ বিৰুদ্ধে যুঁজি থাকিব নোৱাৰে; কেইদিনমানৰ ভিতৰতে তেওঁলোক সকলো ধ্বংস হৈ যাব। সেইবাবেই তেওঁ এই যুদ্ধখনত আমেৰিকা প্ৰমুখ্যে নাটো দেশবোৰক আৰু ইউৰোপক জড়িত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাই আছে। ইউৰোপীয় দেশবোৰক তেওঁ ভাবুকিয়ো দিছে যে ইউক্ৰেইন যদি হাৰি যায় আৰু ধ্বংস হয়, ইউৰোপো বাচি নাথাকিব। তেওঁ পশ্চিমৰ দেশবোৰক ইউক্ৰেইনৰ সহায়ৰ বাবে আগবাঢ়ি আহিবলৈ বাৰম্বাৰ আহ্বান জনাইছে, তেওঁলোকৰ পৰা যুঁজাৰু বিমান আৰু ক্ষেপণাস্ত্ৰ বিচাৰিছে আৰু ইউক্ৰেইনক 'ন' ফ্লাই জ'ন' ঘোষণা কৰিবলৈও দাবী জনাইছে। ৰুছ বাহিনীক প্ৰতিহত কৰি ইউক্ৰেইনৰ মাটিৰ পৰা খেদি পঠোৱাৰ শক্তি তেওঁৰ থকা হ'লে ৰাছিয়াৰ স'তে পশ্চিমীয়া দেশবোৰক যুঁজাবলৈ ইমান তালবাহনাও তেওঁ কৰি নাথাকিলহেঁতেন।

এই কথাও এতিয়া স্পষ্ট হৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি পশ্চিমৰ দেশবোৰ জেলেন'স্কীৰ উচটনিত প্ৰৰোচিত হোৱা নাই। তেওঁলোকে ৰাছিয়াৰ স'তে সমুখ যুদ্ধত নামিব খোজা নাই। কাৰণ সেইখন বিশ্বযুদ্ধ আৰম্ভ কৰা মানেই সমগ্ৰ পৃথিৱীক পাৰমাণৱিক ধ্বংসৰ মুখলৈ ঠেলি দিয়া। এখন ইউক্ৰেইনক বচোৱাৰ স্বাৰ্থত তেওঁলোকে সেই আত্মধ্বংসী যুদ্ধখন তৰিবই বা কিয়? তথাপি যদি তেওঁলোকে বিশ্বযুদ্ধখন লগাই দিয়ে, বিধ্বস্ত পৃথিৱী আৰু বিনষ্ট মানৱজাতিৰ ইতিহাস লিখিবলৈ কোন ক'ত বাচি থাকিবগৈ, কোৱা টান।

যুদ্ধখন আৰু দীঘলীয়া হ'লে ৰাছিয়াৰো ক্ষয়-ক্ষতি বাঢ়িব নিশ্চয়। কিন্তু সেই ক্ষয়-ক্ষতি পূৰণ কৰিবলৈ ৰাছিয়া নিজে বাচি থাকিব। ৰাছিয়া পৃথিৱীৰ বৃহত্তম দেশ; কেৱল মাটিকালিৰ ক্ষেত্ৰতে .নহয়, তেল আৰু গেছৰ দৰে খনিজ সম্পদৰ ক্ষেত্ৰতো। সামৰিক শক্তিৰ ক্ষেত্ৰততো ছুপাৰ পাৱাৰ হয়েই। গতিকে ইউক্ৰেইন যুদ্ধখনত হোৱা ক্ষয়-ক্ষতিবোৰ পূৰণ কৰি যুদ্ধখন দীঘলীয়াকৈ চলাই থকাৰ সামৰ্থ্যও ৰাছিয়াৰ আছেই; কিন্তু তেনে সামৰ্থ্য ইউক্ৰেইনৰ আছেনে? ৰুছ সেনাক খেদি পঠাব পাৰিলে বাৰু বেলেগ কথা; তেতিয়া ভগা দেশখন বাচিবলৈ আমেৰিকা আৰু ইউৰোপীয় দেশবোৰৰ পৰা বৃহৎ আৰ্থিক সাহায্য নিশ্চয় পাব পাৰে; কিন্তু সোনকালে শেষ নোহোৱা যুদ্ধখন ইউক্ৰেইনে চলাই থাকিব কেনেকৈ? আমেৰিকা বা ইউৰোপীয় দেশবোৰে দিয়া যুঁজাৰু বিমান আৰু মিছাইল আদিৰেই ৰাছিয়ান বাহিনীক খেদি পঠাব পাৰিবনে? সেইবোৰ ধ্বংস কৰাৰ ক্ষমতা ৰাছিয়াৰো আছে। তদুপৰি ৰাজধানী কিয়েভ আৰু খাৰকিভ আদি চহৰবোৰৰ ওপৰত ৰাছিয়াই এতিয়া মিছাইল আৰু যুঁজাৰু বিমানেৰে চৰম আৰু সৰ্বাত্মক বোমা আক্ৰমণ চলাবই। সাধাৰণ নাগৰিকসকলৰ জীৱন ৰক্ষাৰ বাবে ইমান কেইদিনে ৰাছিয়াৰ চিন্তা আছিল। একাংশ সশস্ত্ৰ নাগৰিকৰ প্ৰতিৰোধৰ বাবেও ৰাছিয়ান সেনাই টেংকসহ কিয়েভ আদি প্ৰধান চহৰ কেইখনত সোমাব পৰা বা সোমোৱা নাছিল; কিন্তু যুদ্ধৰ দ্বাদশ দিনত ৰাছিয়াই ৰণনীতি সলনি কৰি চূড়ান্ত আক্ৰমণৰ বাবে প্ৰস্তুত হোৱা যেন দেখা গৈছে। এতিয়াও জেলেন'স্কীয়ে যদি আত্মসমৰ্পণ নকৰে, চকুৰ আগতে ইউক্ৰেইন ছাৰখাৰ হৈ যোৱাহে তেওঁ দেখিবলৈ পাব। সেই দৃশ্য চাবলৈকে তেওঁ যুঁজখন চলাই আছে নেকি আৰু দেশৰ নাগৰিকসকলকো যুঁজি যুঁজি মৰিবলৈ উচটাই আছে নেকি?

যুদ্ধখন জয় কৰাৰ কিবা সম্ভাৱনা যদি ইউক্ৰেইনৰ থাকিলেহেঁতেন, জেলেন'স্কী আৰু তেওঁৰ অনুগামী সৈনিক আৰু যুঁজাৰু নাগৰিকসকলৰ দেশপ্ৰেম, সাহস আৰু আত্মত্যাগৰ শলাগ নিশ্চয় ললোহেঁতেন, কিন্তু দেশ ৰক্ষাৰ নামত জানি-শুনি দেশখন বৰ্বাদ হ'বলৈ এৰি দিয়াটো আৰু সাধাৰণ দেশবাসীসকলক চৰম বিপৰ্যয়ৰ মাজলৈ ঠেলি দিয়াটো দেশপ্ৰেম বা বীৰত্ব হ'ব নোৱাৰে। জেলেন'স্কীৰ হাতত বিকল্প আছিল; তেওঁ আত্মসমৰ্পণ কৰি দেশখনক আৰু দেশবাসীক নিশ্চিত ধ্বংসৰ পৰা বচাব পাৰিলেহেঁতেন। ৰণ- কৌশলৰ ফালৰ পৰাও সেইটোৱেই হয়তো উচিত কাম হ'লহেঁতেন; কিন্তু জেলেন'স্কীয়ে নিজক ৰূপকথাৰ বীৰ সজাবলৈ গৈ নিজৰ দেশ আৰু দেশবাসীক বলিশালত তুলি দিছে। আত্মসমৰ্পণ অপমানজনক হ'ব পাৰে; কিন্তু দেশ আৰু দহৰ সুৰক্ষাৰ বাবে তেনে অপমানকো নতশিৰে স্বীকাৰ কৰি লোৱাটোহে আচল বীৰত্ব আৰু আত্মত্যাগ হ'ব পাৰে। ভৱিষ্যতে যুঁজিবলৈ হলেওঁতো নিজক বচাই ৰাখিব লাগিব!

পশ্চিমৰ আটাইবোৰ শক্তিশালী দেশেই কেৱল ৰাছিয়াকহে যুদ্ধ বন্ধ কৰি ইউক্ৰেইনৰ পৰা সেনা ঘূৰাই নিবলৈ বাৰম্বাৰ আহ্বান জনাই আছে; কিন্তু তেওঁলোকে এবাৰো কোৱা নাই যে ইউক্ৰেইন নিৰপেক্ষ দেশ হৈ থাকক আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ বা নাটোৰ পৰা সদায় আঁতৰি থাকক। ইউক্ৰেইনক নাটোৰ সামৰিক ঘাটি হোৱাৰ পৰা বিৰত কৰিবলৈকেতো ৰাছিয়াৰ এইখন ইউক্ৰেইন যুদ্ধ। সেই লক্ষ্য পূৰণ নকৰাকৈ ৰাছিয়াই যদি ইউক্ৰেইন এৰি উভতি যাব পাৰে, তেনেহ'লে যুদ্ধখন তৰি লোৱাটোৱেই অৰ্থহীন আছিল বুলি প্ৰতিপন্ন হ'ব। ৰাছিয়াই তেনে আত্মঘাতী পদক্ষেপ কিয় গ্ৰহণ কৰিব। পশ্চিমীয়া দেশবোৰে দৰাচলতে ইউক্ৰেইনক বচাব খোজা নাই, কাৰণ ইউক্ৰেইন দখল বা ধ্বংস কৰাটো ৰাছিয়াৰো লক্ষ্য নহয়। পশ্চিমীয়া দুনিয়াখনে বচাব খুজিছে ইউক্ৰেইনৰ পশ্চিমমুখী বহতীয়া জেলেন'স্কী চৰকাৰখনকহে, যিখন চৰকাৰৰ আত্মসমৰ্পণ বা উৎখাতৰ বাবেই ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰিছে। গতিকে যুদ্ধ তাৎক্ষণিকভাৱে বন্ধ কৰিব পাৰে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন'স্কীয়েহে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে নহয়। অথচ পশ্চিমীয়া দেশবোৰে জেলেন'স্কীক ৰেহাই দি কেৱল পুটিনকহে যুদ্ধ-অপৰাধী সজোৱাৰ বাবে সমস্ত কূটকৌশল চলাই আছে।

বৃহৎ ৰুছ জাতিৰ লগত ইউক্ৰেইনীয়সকলৰ জাতিগত সংঘাত এটা আগৰে পৰাই থাকিব পাৰে আৰু তেওঁলোকে ৰুছজাতিৰ লগত পাল্লা দিবলৈকে পশ্চিমীয়া সাম্ৰাজ্যবাদী শিবিৰটোৰ ৰক্ষণা-বেক্ষণ বিচাৰিব পাৰে; কিন্তু তেওঁলোকৰ ৰুছ-বিদ্বেষৰ কিবা ঐতিহাসিক ভিত্তি থাকিলেও ৰাছিয়াৰ বিৰুদ্ধে শত্ৰুতা বঢ়োৱা আৰু ৰাছিয়াক দমন কৰিবলৈ পশ্চিমীয়া সাম্ৰাজ্যবাদী আমেৰিকা যুক্তৰাষ্ট্ৰ তথা নাটো গোষ্ঠীক নিজৰ দেশত ঘাটি পাতি বহিবলৈ দিয়াৰ যুক্তি সেইটো হ'ব নোৱাৰে। নাইবা ইউক্ৰেইনৰ শাসক গোষ্ঠীয়ে নাৎসী কায়দাৰে নিজ দেশৰ ৰুছ ভাষীসকলৰ ওপৰত বৰ্বৰ দমন-নিৰ্যাতন চলাই থকাৰ অজুহাতো সি হ'ব নোৱাৰে। এতিয়াতো বৃহৎ ৰুছ জাতিয়ে বা পুনৰুত্থিত ৰাছিয়াই ইউক্ৰেইনীয়সকলৰ জাতিসত্তাক ধ্বংস কৰি ৰুছ জাতিত চামিল কৰিবলৈ বিচৰা নাছিল নাইবা ইউক্ৰেইনক ৰাছিয়াৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰা নাছিল! ৰাছিয়াই কেৱল বিচাৰিছিল ইউক্ৰেইনৰ গোষ্ঠী নিৰপেক্ষতাৰ প্ৰতিশ্ৰুতি আৰু সেই দেশৰ ৰুছভাষী ৰাজ্য ডনেৎস্ক আৰু লুহানস্কৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ বা স্বাধীনতা— যিটো অধিকাৰৰ জোৰত ইউক্ৰেইন নিজেই এদিন ছোভিয়েট ইউনিয়নৰ পৰা বিনাবাধাই আৰু শান্তিৰে ওলাই আহি স্বাধীন ৰাষ্ট্ৰ হ'ব পাৰিছিল। সেই একেই অধিকাৰকে এতিয়া ইউক্ৰেইনৰ ৰুছভাষীসকলে ইউক্ৰেইন চৰকাৰৰ পৰা বিচাৰিছে আৰু ৰাছিয়াই বিচাৰিছে ইউক্ৰেইনৰ বন্ধুত্ব আৰু সহযোগিতাৰ আশ্বাস। সেইটো ৰাছিয়াৰ বা পুটিনৰ অপৰাধ হ'ব নোৱাৰে। অপৰাধ হৈছে জেলেন'স্কী আৰু তেওঁৰ চৰকাৰখনৰহে— নয়া নাৎসীবাদী বা হিটলাৰী শাসন চলাই থকাৰ বাবে।


কিবা কাৰণত মহাৰাষ্ট্ৰবাসী এজন জ্যেষ্ঠ অসমীয়া অধিবক্তাই মোৰ স'তে ম'বাইল যোগাযোগ এটা আৰম্ভ কৰিছে। নাম ড° অৰুণ কুমাৰ বৰঠাকুৰ। আইনৰ ডক্টৰেট। দুদিনৰ আগত তেওঁ ৰাছিয়া-ইউক্ৰেইন সংকটৰ সম্পৰ্কত মোলৈ এটা বাৰ্তা প্ৰেৰণ কৰিছিল। ইংৰাজীত লিখা সেই আমোদজনক বাৰ্তাটোৰ অসমীয়া ভাঙনি হ'ব এনেধৰণৰ ঃ 'মই শুবলৈ যোৱাৰ আগতে পত্নীয়ে মোক কৈছিল ঃ 'এই ৰাছিয়াখন যে ইমান বেয়া দেশ। ইউক্ৰেইনে যদি নাটোত যোগ দিবলৈ বিচাৰে, সেইটো তেওঁলোকৰ অধিকাৰ আৰু স্বাধীনতা, তাত হস্তক্ষেপ কৰাৰ অধিকাৰ ৰাছিয়াৰ নাই। ৰাছিয়াৰ বাবে সেইটো ইউক্ৰেইন আক্ৰমণৰ এটা অজুহাত মাত্ৰ।' মই তেওঁক একো নক'লো, মাত্ৰ পাকঘৰলৈ গৈ কটাৰী এখন আনি বিছনাৰ কাষত থ'লো আৰু পত্নীক ক'লো ঃ এতিয়া শুই থাকো ব'লা। পত্নীয়ে চকু দুটা বহলকৈ মেলি মোলৈ চালে ঃ তুমি কি কৰিছা? কটাৰী লৈ শুইছা?! মই ক'লো ঃ চিন্তা নকৰিবা। আমি শুই থাকো আহা। তদুপৰি মই কটাৰী এখন লৈ শুলে তোমাৰ মূৰ কামোৰণি হ'ব নালাগে আৰু সেইটো মোৰ অধিকাৰ। পত্নীয়ে ক'লে ঃ 'তুমি কাষত কটাৰী এখন লৈ শুলে মই বাৰু শুব পাৰো নেকি? যদি তুমি দুৰ্ঘটনাক্ৰমে মোক কাটি দিয়া?' মই ক'লো ঃ 'চোৱা, তুমি নিজৰ মানুহটোকে বিশ্বাস কৰা নাই, তেনেস্থলত তুমি কেনেকৈ আশা কৰা যে ৰাছিয়াই ইউক্ৰেইনক বিশ্বাস কৰিব পাৰে? মই কটাৰী এখন লৈ তোমাৰ কাষত শোৱাটো ইউক্ৰেইনে নাটোত যোগ দিয়াৰ নিচিনা কথাহে।' কিমধিকম্।

*ফোন ঃ ৮৮১১৮২৭৪৩২*



# নেতৃত্ব আৰু সম্পৰ্ক স্থাপন

## মানুহৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ মানুহৰ অন্তৰ জয় কৰিবই লাগিব



অৱলোকন

হিতেশ কলিতা

**প্ৰথম** বিশ্বযুদ্ধৰ সময়ৰ কথা। ফ্ৰান্সৰ সেনাপ্ৰধান জেনেৰেল ডগলাছ মেক আৰ্থাৰে বেটেলিয়ন কামাণ্ডাৰ এজনক ক'লে— 'মেজৰ, যেতিয়াই আপুনি সৈন্যবাহিনীক আগুৱাই নিয়াৰ সংকেত লাভ কৰে তেতিয়াই মই বিচাৰো যে সৈন্যবাহিনী পোনতে অগ্ৰসৰ হোৱাৰ আগতে আপুনি সিহঁতৰ আগত গৈ থিয় দিয়ক। আপুনি যদি আগত গৈ সিহঁতক নেতৃত্ব প্ৰদানৰ সাহস প্ৰদৰ্শন কৰে তেন্তে দেখিব, সিহঁতে আপোনা-আপুনি আপোনাক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিছে।' এই উপদেশ প্ৰদানৰ পাছতে জেনেৰেল মেক আৰ্থাৰে নিজৰ সামৰিক পোছাকজোৰত লিপিট খাই থকা বিশেষ সামৰিক সেৱাৰ ক্ৰুছটো খুলি উল্লিখিত মেজৰ গৰাকীৰ ইউনিফৰ্মজোৰাত লগাই দিলে। অৰ্থাৎ সেই বেটেলিয়নৰ কামাণ্ডাৰজনক জেনেৰেল মেক আৰ্থাৰে কামটো কৰাৰ আগতেই পুৰস্কাৰেৰে উৎসাহ দিছিল আৰু ফৰাচী সামৰিক বাহিনীৰ মুৰব্বী গৰাকীৰপৰা তেনে পুৰস্কাৰ লাভ কৰাৰ পাছত কামাণ্ডাৰজনে নিজ সৈন্যবাহিনীক নেতৃত্ব প্ৰদান কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰতিজন সৈন্যৰ লগত সম্পৰ্ক স্থাপনৰ জৰিয়তে বিশ্বশ্ৰেষ্ঠ সামৰিক নেতা হোৱাৰ বিৰল কৃতিত্ব অৰ্জন কৰিছিল ইতিহাসৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ যুজাৰু নেপোলিয়ন বোনাপাৰ্টে। এইটো কোৱা হয় যে নেপোলিয়নে তেওঁৰ সৈন্যবাহিনীৰ প্ৰতিজন বিষয়াক নামেৰে স'তে জানিছিল। তেওঁলোক ক'ত থাকে, পৰিয়ালত কোন কোন আছে, ক'ত ক'ত যুদ্ধ কৰিছে এই সকলোবোৰৰ বিষয়ে খা-খবৰ ৰাখিছিল। এই বিশ্বত আমি এনে অলেখ সামৰিক নেতাৰ কথা জানিব পাৰো যি সকলে কেৱল পদমৰ্যাদাৰ জোৰত সৈন্যসকলৰ লগত সম্পৰ্ক স্থাপন কৰা নাছিল; বৰঞ্চ এনে সফল সামৰিক নেতাসকলে সৈনাবাহিনীৰ প্ৰতিগৰাকী সৈন্য-বিষয়া আদিৰ লগত সম্পৰ্ক স্থাপন কৰাৰ প্ৰয়াস কৰিছিল। এনেধৰণৰ সম্পৰ্ক স্থাপনৰ প্ৰয়াসে যিকোনো নেতাৰ নেতৃত্ব প্ৰদানৰ সামৰ্থ্যৰ ওপৰত আস্থা বঢ়ায় আৰু তেওঁলোকে বিশ্বাস কৰিবলৈ আৰম্ভ কৰে যে তেওঁলোকৰ যতন ল'বলৈ, তেওঁলোকৰ সুখ-দুখৰ খবৰ ল'বলৈ নেতাৰ সময় আছে। এজন নেতাৰ প্ৰতি সন্মোহিত হৈ পৰাৰ আটাইতকৈ ডাঙৰ কাৰকটোৱে লুকাই থাকে এই সম্পৰ্ক স্থাপনৰ সক্ষমতাৰ ওপৰত।

**হৃদয়েৰে সম্পৰ্ক স্থাপন ঃ** আমি বহু সময়ত এনে কিছুমান সভা-সমিতিত উপস্থিত থকাৰ সুযোগ লাভ ক'ৰো য'ত একো একোজন নেতাই বা বক্তাই উপস্থিত সকলো দৰ্শক বা শ্ৰোতাৰ অন্তৰ জিনি পেলায়। এনে লাগে যেন সেই বক্তাজনে হাজাৰ-বিজাৰ শ্ৰোতাৰ ভিতৰত কেৱল আপোনাৰ লগত কথা পাতি আছে। আপোনাৰ সুখ-দুখ, সমস্যা আদিৰ বিষয়ে তেওঁ অনুভৱ কৰিব পাৰিছে। এনেভাৱে যিসকলে নিজৰ শ্ৰোতা বা দৰ্শকৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰিব পাৰে সেইসকলক সকলোৱে বিনাদ্বিধাই নেতাৰ মান্যতা প্ৰদান কৰে। সফল প্ৰতিগৰাকী নেতাই বুজি পায় যে মানুহৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ মানুহৰ অন্তৰ জয় কৰিবই লাগিব। সেয়েহে ইংৰাজীত এষাৰ কথা আছে— 'You can not move people to action unless you first move them with emotion. The heart comes before the head.'। কথাষাৰৰ ভাবাৰ্থ হৈছে এনেধৰনৰ যে আপুনি মানুহক তেতিয়ালৈকে কোনো কামৰ বা প্ৰেৰিত কৰিব নোৱাৰে যেতিয়ালৈকে আপুনি তেওঁলোকক আবেগেৰে স'তে আগবঢ়াই নিদিয়ে। মূৰতকৈ হৃদয় সদায় আগত আহে।

বহু বছৰ আগতে দূৰদৰ্শন যোগে প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ভাৰতবৰ্ষৰ নিম্ন সদনত দিয়া এক বক্তৃতা চোৱাৰ সৌভাগ্য হৈছিল। তেতিয়া বিজেপি দল বিৰোধী পক্ষত। সেই বক্তৃতাটোত বাজপেয়ীয়ে এনেদৰে ভাষণ দিছিল যে আনকি শাসকীয় পক্ষৰ সাংসদসকলেও টু শব্দ এটা উচ্চাৰণ কৰা নাছিল। সম্ভৱতঃ বক্তৃতাৰ মূল বিষয়টো আছিল ভাৰতবৰ্ষৰ গ্ৰাম্য এলেকাৰ দুৰ্গম আৰু কষ্টসাধ্য পথৰ অৱস্থা। বক্তৃতাটো শুনি থকাৰ সময়ত আমি শ্ৰোতাসকলে অনুভৱ কৰিব পাৰিছিলো কেনেদৰে দেশখনৰ কোটি-কোটি দৰিদ্ৰ জনতাই ভাল পথ এটাৰ বাবে হাহাকাৰ কৰিব লাগে। কোনো গৰ্ভৱতী মহিলাই যেতিয়া প্ৰসৱ যন্ত্ৰণাত ছাটি-ফুটি মৃত্যুৰ ফালে আগবাঢ়ে তেতিয়া একেবাৰে প্ৰান্তীয় গাঁৰ এখনৰ পৰা ঠেলা বা গৰু গাড়ীৰে মহিলা এগৰাকীক কোনো চহৰৰ চিকিৎসালয়লৈ লৈ আনিবৰ বাবে নৰক যন্ত্ৰণা ভুগিব লগা হয়। প্ৰয়াত বাজপেয়ীয়ে সেইদিনাখন যেন সদনত উপস্থিত থকা প্ৰতিজন সাংসদৰ স'তে হৃদয়েৰে বাৰ্তালাপ কৰিছিল। তেওঁৰ ভাষণত নাছিল কাৰোৰে প্ৰতি কটু অভিযোগৰ বাক্যবান বা শ্লেষ। সাৱলীল আৰু অতি আৱেগিক ভাৱে তেওঁ যেন কেৱল বৰ্ণনা কৰি গৈছিল এখন দৰিদ্ৰ দেশৰ ছবি যিখন ছবিৰ কথা সেইদিনাখন সংসদৰ প্ৰতিজন সদস্যৰ হৃদয়ত অংকিত হৈছিল।

**ব্যক্তি আৰু সমাজৰ প্ৰতি যতন ঃ** 'People donot care how much you know untill they know how much you care.' সামাজিক, ৰাজনৈতিক, প্ৰতিষ্ঠানিক আদি সকলো ক্ষেত্ৰত প্ৰযোজ্য নীতিটোৱে হৈছে এই যে মানুহে এজন নেতাই কিমান জানে, তেওঁ কিমান বুদ্ধিদীপ্ত, কিমান প্ৰাচুৰ্যবান আদি বিষয়েৰে সন্মোহিত নহয়। সন্মোহিত হয় তেতিয়াই যেতিয়াই তেওঁলোকে অনুভৱ কৰে যে নেতাজনে তেওঁৰ প্ৰতি যতন লয়। তেওঁৰ সুখ-দুখৰ বিষয়ে জানিবলৈ ব্যগ্ৰতা প্ৰকাশ কৰে তথা যাৰ আগত সাধাৰণ মানুহজনে সকলো কথা অকপটে ব্যক্ত কৰিব পাৰে। সেয়েহে সেইসকলক ইতিহাসৰ শ্ৰেষ্ঠতম নেতা বুলি স্বীকৃতি দি অহা হৈছে যি হাজাৰ-বিজাৰ পাঠক-শ্ৰোতাৰ সমান্তৰালভাৱে প্ৰতিজন পাঠক, প্ৰতিজন শ্ৰোতাৰ লগত যোগাযোগ স্থাপন কৰিব পাৰে। পাৰে হৃদয়ৰ সম্পৰ্ক স্থাপন কৰিবলৈ। এইক্ষেত্ৰত এটা উদাহৰণ দাঙি ধৰিবলৈ বিচাৰিছো। ব্যক্তিগত আৰু সমজুৱা এই দুয়োটা পৰ্যায়ত সম্পৰ্ক ৰক্ষাৰ কৰাৰ অভূতপূৰ্ব উদাহৰণ দাঙি ধৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰোণাল্ড ৰেগনে।

**মহান নেতা হ'বলৈ হ'লে আটাইতকৈ প্ৰয়োজনীয় গুণটোৱে হ'ল সম্পৰ্ক স্থাপনৰ সক্ষমতা আৰু সেই সক্ষমতাক নিতৌ বিকশিত কৰা। নেতৃত্বৰ বিষয়ত এষাৰ পুৰণি কথা আছে। কথাষাৰ এনেকুৱা যে যেতিয়াই মানুহে নিজে নিজৰ নেতৃত্ব দিবলৈ বিচাৰে তেতিয়া তেওঁ নিজৰ মূৰটো ব্যৱহাৰ কৰিব লাগে**

এগৰাকী প্ৰখ্যাত সংযোগকাৰীৰ শিৰোনাম পোৱা ৰেগনে তেওঁৰ কাৰ্যালয়ৰ প্ৰায় সকলো লোকৰ স'তে স্থাপন কৰিছিল মধুৰ সংযোগ। কোৱা হয় যে ৰোণাল্ড ৰেগানে যেতিয়াই কোনো দীঘলীয়া যাত্ৰাৰ অন্তত হোৱাইট হাউছলৈ উভতি আহিছিল তেতিয়াই ৰাষ্ট্ৰপতিৰ হেলিকাপ্টাৰখন হেলিপেডত অৱতীৰ্ণ হোৱাৰ শব্দ শুনিলেই ৰাষ্ট্ৰপতি ভৱনৰ কৰ্মচাৰীসকলে কিছু সময়ৰ বাবে কাম বন্ধ কৰিছিল আৰু সকলোৱে মুখে মুখে বাগৰিছিল 'দেউতা ঘৰলৈ উভতি আহিছে।' এগৰাকী ৰাষ্ট্ৰপতিৰ প্ৰতি তেওঁৰ কৰ্মচাৰীসকলে প্ৰদৰ্শন কৰা এনে আন্তৰিকতা একমাত্ৰ যতন আৰু হৃদয়ৰ সম্পৰ্ক স্থাপনৰ জৰিয়তেহে সম্ভৱ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এগৰাকী প্ৰাক্তন সেনাপ্ৰধান হাৰ্বাৰ্ট নৰমান চৱাৰজোকফ (Herbert Normen Schwarzkof)এ এবাৰ উল্লেখ কৰিছিল— 'মই সক্ষম নেতা দেখা পাইছো যিসকলে এটা প্লেটুনৰ সমুখত থিয় হৈ কেৱল প্লেটুনটো দেখা পায়। কিন্তু এটা প্লেটুনৰ সমুখত থিয় হোৱা মহান নেতাসকলে প্লেটুনটোত থকা ৪৪ গৰাকী ব্যক্তিৰ প্ৰতিগৰাকীকে দেখা পায়, যাৰ প্ৰতিগৰাকীৰে আকাংক্ষা আছে, যাৰ প্ৰতিজনে জীয়াই থাকিবলৈ বিচাৰে, যাৰ প্ৰতিজনে ভাল কিবা এটা কৰিবলৈ বিচাৰে।' গতিকে মহান নেতা হ'বলৈ হ'লে আটাইতকৈ প্ৰয়োজনীয় গুণটোৱে হ'ল সম্পৰ্ক স্থাপনৰ সক্ষমতা আৰু সেই সক্ষমতাক নিতৌ বিকশিত কৰা। নেতৃত্বৰ বিষয়ত এষাৰ পুৰণি কথা আছে।

কথাষাৰ এনেকুৱা যে যেতিয়াই মানুহে নিজে নিজৰ নেতৃত্ব দিবলৈ বিচাৰে তেতিয়া তেওঁ নিজৰ মূৰটো ব্যৱহাৰ কৰিব লাগে। কিন্তু আনক নেতৃত্ব দিবলৈ হ'লে মূৰ বা মগজু নহয়— সেই নেতৃত্ব আহিব লাগিব হৃদয়ৰ মাজৰ পৰা।

*ফোন ঃ ৯৪৭৬৬৫৫২৫৭*

দৈনিক অগ্ৰদূত

# প্ৰৱঞ্চিতা নাৰীৰ প্ৰতিবাদী কণ্ঠ আৰু ঘুনুচা কীৰ্তন

**মঞ্জুলা শৰ্মা ভট্টাচাৰ্য**

**'বাপ্পা ঐ !**
আমাৰ কৈলা গহে তুও কম্‌তি নাছিল দে চোন,
লক্ষ্মী আইৰ দৰে গহেনী এটা থাকোতে কিওনু ঘুন্‌চাৰ ঘৰোক যাই থাক্‌বা লাগে। দে চোন কউ!'
হয়তো দে!
ঘৰোক আহি উল্টাকে লক্ষ্মী আইকে কেনাকে গালি পাৰ্বা ধচ্ছি চা চোন চা!'

দৌলোৎসৱৰ সুঁৱেৰিৰ দিনাখন বৰপেটাৰ কীৰ্তন ঘৰৰ মঠৰ চোতলাত দুগৰাকী বৃদ্ধাই দ্বাপৰৰ প্ৰৱঞ্চিতা আই লক্ষ্মীৰ প্ৰতি অনুকম্পাৰে এয়া বৰপেটীয়া ভাষাত কথা পাতিছে। ঘুনুচা কীৰ্তনৰ উল্লিখিত প্ৰবাদ মতে দৈৱকী নন্দন ভগৱান কৃষ্ণই লক্ষ্মী আইক গৃহত এৰি 'ঘুনুচা বাৰী'লৈ গৈ সাতদিন থাকি উলটি অহাৰ পাছত অভিমানী লক্ষ্মী আয়ে প্ৰৱেশত বাধা দি হেনো কৈছিল।
যাদবায়ে আসি বে নালাগে মোৰ ঠাই



ঘুনুচাৰ বাড়ী লাগি চলোক দুনাই।।
ক্ষোভিত হৈ লক্ষ্মীয়ে আৰু কৈছিল
'ঘুনুচাৰ সম মই নোহোও ৰূপৱতী
নাহি লাসবেশ নোহো নাগেৰী যুৱতী।
..................
নাচাও যাদবাৰ সুখ নামন্তোক হৰি
ঘুনুচাৰ বাড়ী লাগি যায়োক বাহুড়ি।'

তাহানিতেই প্ৰৱঞ্চিতা নাৰী হিচাপে সাহসী প্ৰতিবাদেৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিব খোজা লক্ষ্মী আইৰ বাধা, গালি ককৰ্থনা নেওচি বীৰদৰ্পে গোসাঁয়ে গৃহত প্ৰৱেশ কৰি হেনো কৈছিল।
'মই হৰি জগত ঈশ্বৰ আদি দেৱ।
ব্ৰহ্মা হৰ ইন্দ্ৰ সৱে কৰে সেৱ।।
পতিৰ অহংকাৰক উপহাস কৰি যেতিয়া লক্ষ্মী আয়ে ক্ষোভিত কণ্ঠেৰে কৈছিল—
'বান্দৰকো হৰি বুলি বেদে আছে কৈ
বনে গৈয়া বন ফলমূল খাবা যাই।।
প্ৰত্যুত্তৰত গোসাঁয়ে তুচ্ছ জ্ঞানেৰে উত্তৰ দিছিল—
'হেন শুনি হাসি হৰি দিলন্ত উত্তৰ
স্ত্ৰী জাতি একো কালে নুহি সতন্তৰ।।

এয়া যুগে যুগে নাৰীক অৱমাননা কৰাৰ এক জ্বলন্ত উদাহৰণ। সুদূৰ অতীতৰ ইতিহাস সুঁৱৰি 'ঘুনুচা কীৰ্তন'ত উল্লিখিত এই প্ৰবাদ মতে কৃষ্ণ আৰু লক্ষ্মীৰ এই বাকযুদ্ধক 'বলবলনি' অনুষ্ঠান হিচাপে বৰপেটাৰ কীৰ্তন ঘৰৰ মঠৰ চোতালত দৌলৰ সুঁৱেৰিৰ দিনাখন দুয়োপক্ষৰ ভকতৰ দ্বাৰা অনুষ্ঠিত কৰি অহা পৰম্পৰা আজিকোপতি চলি আছে। এই অনুষ্ঠানে আজি একাদশ শতিকাতো 'নাৰী দিৱস' পাতি নাৰীৰ অধিকাৰ সাব্যস্ত কৰিবলৈ উচ্চ শিক্ষাৰে শিক্ষিত জ্ঞান আৰু যুক্তিৰে আগবাঢ়ি অহা নাৰীসকলৰ প্ৰতিবাদী কণ্ঠ জাগ্ৰত কৰে। স্বয়ং ভগৱান কৃষ্ণৰ লক্ষ্মী আইৰ প্ৰতি কৰা অৱমাননা, অৱহেলা, প্ৰৱঞ্চনাক পুনৰবাৰ প্ৰতিবাদী যুক্তিৰে বিশ্লেষণ কৰাৰ অৱকাশ পায়। এই প্ৰবাদমতে ভগৱান কৃষ্ণই লক্ষ্মী আইক উপহাস কৰাৰ ধৰণে নাৰী জাতি কোনো কালে স্বাধীন নহ'লেও এটাই সত্য যে পৰ্যায়ক্ৰমে বহু বাধা-বিঘিনি অতিক্ৰম কৰি আজি নাৰীয়ে অধিক শিক্ষিত ৰূপত সমাজৰ বিভিন্ন দিশৰ শীৰ্ষস্থানত আসন গ্ৰহণ কৰাৰ যোগ্যতা অৰ্জন কৰিব পাৰিছে। এতিয়া মাথোঁ লাগে সাহস, ঐক্যতা, শক্তিশালী সাংগঠনিক দক্ষতা। আজি চৰকাৰেও 'বেটী বাচাওঁ বেটী পঢ়াওঁ'ৰ দৰে আঁচনি গ্ৰহণ কৰিছে। উপলব্ধি কৰিব পাৰিছে যে নাৰীৰ শক্তি অন্যান্য।

প্ৰতি বছৰে আঠ মাৰ্চত পালন কৰি অহা আন্তৰ্জাতিক নাৰী দিৱসেও শতাধিক বৰ্ষ পাৰ কৰিলে। প্ৰতি বছৰে বিভিন্ন আঁচনি, বিভিন্ন শ্ল'গানেৰে এই দিৱস পালন কৰি অহা হৈছে। নাৰীৰ প্ৰগতিয়েহে দেশ তথা বিশ্বৰ প্ৰগতি আনিব। এই দিৱসত আমি অকল সভা-সমিতি পাতি অতীত নাৰী নিৰ্যাতনৰ ইতিহাস পুনৰ দোহাৰি থকাতকৈ সাহসী, প্ৰতিভাসম্পন্ন, প্ৰতিষ্ঠিত নাৰীসকলক বাচি উলিয়াই সন্মান জনোৱাৰ বাবে গঠনমূলক চিন্তা কৰা উচিত। আমাৰ ওচৰে-পাঁজৰে থকা এনে বিদূষী বিভিন্ন দিশৰ পাৰদৰ্শী মহিলাক সন্মানেৰে স্বীকৃতি জনাই সংগঠিত ভাৱেৰে প্ৰগতিৰ চিন্তা কৰা উচিত। তেতিয়াই নাৰী দিৱসৰ সাৰ্থকতা থাকিব।

কেইবছৰমানৰ পৰা অসম লেখিকা সংস্থাই এই দিৱসৰ লগত সংগতি ৰাখি প্ৰৱৰ্তন কৰা 'আই পদ্মাপ্ৰিয়া বঁটা'ৰে প্ৰতিবছৰে এনে এগৰাকী উপযুক্ত মহিলাক এই দিনটোক সন্মান জনোৱা সিদ্ধান্তই নিশ্চয় নাৰী সমাজক উপকৃত কৰিব পৰা এক আদৰ্শনীয় আঁচনি। তাৰ উপৰি আগৰ বছৰবোৰত এই দিৱসত প্ৰকাশিতব্য আলোচনী বা পত্ৰিকাত বিভিন্ন দিশত বিশেষ পাৰদৰ্শিতা দেখুওৱা মহিলাসকলৰ জীৱনী প্ৰকাশ কৰিলেও পাছৰ প্ৰজন্মৰ বাবে এক আদৰ্শ হৈ ৰ'ব।

পাতনিতে উল্লেখ কৰা প্ৰবাদ মতে আজিকালিৰ বহু 'কৃষ্ণ'ও বহু 'ঘুনুচা' বাৰীলৈ হৈ বীৰদৰ্পে পত্নীৰ বাধা ভাঙি গৃহত প্ৰৱেশ কৰি বহু লক্ষ্মীক প্ৰৱঞ্চনা কৰি আছে। তথাপিও এটাই সমাধান, এষাৰেই চিৰন্তন সত্য।
'প্ৰকৃতি পুৰুষ দুয়ো নিয়ন্তা মাধৱ
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।

সেয়েহে পুৰুষৰ বিৰুদ্ধে ক্ষোভৰ প্ৰতিবাদ কাৰ্যসূচী নোলোৱাকৈ যুক্তি, ধৈৰ্য আৰু সাহসেৰে ঈশ্বৰৰ প্ৰতি অগাধ বিশ্বাসেৰে সমূহীয়া প্ৰগতিৰ বাবে আন্তৰিকতা আৰু বিশ্বাসেৰে আগবাঢ়িৰেহে আমি সাৰ্থক হ'ম।

ভগৱান কৃষ্ণৰ ওচৰত প্ৰণিপাত জনাই বিশ্বৰ সমগ্ৰ নাৰী সমাজলৈ 'আন্তৰ্জাতিক নাৰী দিৱস'ৰ শুভ কামনা যাচিলো।

*ফোন ঃ ৯৪৩৫৪৮০২১৮*



আঠ মাৰ্চ, আন্তৰ্জাতিক নাৰী দিৱস। প্ৰতিবছৰে আঠ মাৰ্চৰ দিনটো বিশ্বাৰ চুকে-কোণে আন্তৰ্জাতিক নাৰী দিৱস হিচাপে উদ্‌যাপন কৰা হয়। এই সময়ত মহিলা মহাকাশলৈ গৈছে, মহিলা ৰাষ্ট্ৰপতি হৈছে, মহিলা বিশ্বখ্যাত সংগীতজ্ঞ হৈছে, বোলছবি পৰিচালক হৈছে। এনেদৰে চালে সকলো ফালে মহিলাৰ উন্নতি হোৱা যেনেই লাগে দেখোন।

# ধৰ্ষিতাৰ উচুপনি বন্ধ হ'বনে?



**আলোকপাত**
**মানসী মিশ্ৰ**

**আজিৰ** একবিংশ শতিকাত বিশ্বায়নৰ দিনতো মহিলাৰ বাবে সুকীয়া দিন। আঠ মাৰ্চ, আন্তৰ্জাতিক নাৰী দিৱস। প্ৰতিবছৰে আঠ মাৰ্চৰ দিনটো বিশ্বাৰ চুকে-কোণে আন্তৰ্জাতিক নাৰী দিৱস হিচাপে উদ্‌যাপন কৰা হয়। এই সময়ত মহিলা মহাকাশলৈ গৈছে, মহিলা ৰাষ্ট্ৰপতি হৈছে, মহিলা বিশ্বখ্যাত সংগীতজ্ঞ হৈছে, বোলছবি পৰিচালক হৈছে। এনেদৰে চালে দেখোন সকলো ফালে মহিলাৰ উন্নতি হোৱা যেনেই লাগে দেখোন। যদি এইদৰেই মহিলাৰ সামগ্ৰিক ছবিখনৰ এনেদৰেই উন্নতি হৈছে তেন্তে আজিৰ একবিংশ শতিকাৰ দিনতো মহিলাৰ বাবে আছুতীয়াকৈ কিয় দিন এটা সংৰক্ষিত কৰি ৰখাৰ প্ৰয়োজন হৈছে? যদি আমি ইতিবাচক দৃষ্টিভংগীৰে কথাটো ভাবি চাওঁ, বিচাৰ বিবেচনা কৰি চাওঁ তেন্তে ভাবিম যে মহিলাসকলক আমি সন্মান, মৰ্যাদা দিবলৈ, তেওঁলোকৰ কল্যাণৰ হকে বিশেষভাৱে চিন্তা কৰিবলৈ এই আঠ মাৰ্চৰ দিনটো সংৰক্ষণ কৰি ৰখা হৈছে। কিন্তু আমি প্ৰতিবছৰে নাৰী দিৱসৰ দিনটোতে বা তাৰ ঠিক দুই এদিন পাছতেই সংবাদ মাধ্যমযোগে মহিলা উৎপীড়নৰ ঘটনাসমূহ যদি পঢ়িবলৈ পাওঁ তেন্তে এই সত্য কথাটোৱে বাৰে বাৰে মনলৈ আহে আজিৰ দিনত দেখোন নিজৰ ঘৰৰ পদূলিতেই মহিলাৰ সুৰক্ষাৰ অভাৱ হৈছে। বহু সময়ত নিজৰ ঘৰখন, নিজে কাম কৰা কাৰ্যালয়টো, সদায় নিজে অহা-যোৱা কৰা আলিবাটটোৱে মহিলা যুৱতীসকলৰ বাবে নিৰাপদ নহয় এই কথাটো সত্য বুলি প্ৰমাণিত হয়। সেই মুহূৰ্তত নিজৰ মনতে বিভিন্ন প্ৰশ্নৰ উদয় হয় আমি এইদৰে কেন্দ্ৰীয়ভাৱে, ৰাজ্যিকভাৱে অথবা প্ৰান্তে প্ৰান্তে প্ৰতি বছৰে আঠ মাৰ্চৰ দিনটো নাৰী দিৱস উদ্‌যাপন কৰি আমাৰ দেশৰ, আমাৰ ৰাজ্যৰ কিশোৰী, যুৱতী, মহিলাসকলক প্ৰকৃতপক্ষে সুৰক্ষা দিব পাৰিছোনে? তথাপিও হয়তো সময়ৰ স'তে খোজ মিলাই আমি প্ৰতিবছৰে ডাঙৰ ডাঙৰ তোড়ন সাজি, মঞ্চ সাজি বিভিন্ন বক্তাসকলক আমন্ত্ৰণ, নিমন্ত্ৰণ কৰি আমি নাৰী দিৱসৰ আয়োজন কৰিয়েই থাকিম, সেই দিনটোত মহিলাৰ সুৰক্ষাৰ, অধিকাৰ আদিৰ বিষয়ে বিভিন্ন কথাও আলোচনা কৰা হ'ব, সমাজত মহিলাক যথোচিত মৰ্যাদা দিয়াৰ কথা আলোচনা কৰা হ'ব। কিন্তু দুখ লগা কথাটোৱে যে সেই দিনটোতেই যেন মহিলা, যুৱতীৰ সুৰক্ষা অধিকাৰৰ নিমিত্তে ৰাজহুৱাভাৱে, সমজুৱাভাৱে কৰা চিন্তাখিনিৰ অন্ত পৰিব। প্ৰতিবছৰে এই দিৱসটোৰ নামত ডাঙৰ ডাঙৰ ডাঙৰ তোড়ন, মঞ্চ সাজি লাখ লাখ চৰকাৰী টকা খৰচ কৰা হয়। কিন্তু তাৰ দুই তিনিদিন পাছতে যেতিয়া নিউজ চেনেল, বাতৰি কাকতৰ জৰিয়তে বাতৰি প্ৰকাশ পায় যে কৰবাত ১০ বছৰীয়া কন্যা শিশু বিদ্যালয়ৰ পৰা নিজ গৃহলৈ ওভতাৰ পথত দলবদ্ধভাৱে ধৰ্ষিতা হ'ল, অসমৰে ই এখন গাঁৱত এগৰাকী মাতৃৰ বয়সৰ মহিলাক পুত্ৰৰ বয়সৰ ল'ৰাই ধৰ্ষণ কৰি মুখত সোপা দি হত্যা কৰিলে অথবা মহানগৰীৰ ৰাজপথত কোনো কলেজীয়া যুৱতী চিটিবাছত কাৰোবাৰ দ্বাৰা অপদস্থ হ'ল, এই ঘটনাসমূহ শুনাৰ পাছত নাৰী দিৱসৰ নামত ঢাক- ঢোল বজাই পালন কৰা সকলো কাৰ্যসূচী অসাৰ যেন লাগে। আন্তৰ্জাতিক নাৰী দিৱসে সেইদিনাহে সাৰ্থকতা লাভ কৰিব যিদিনা গাঁৱে-ভূঞে, নগৰে-চহৰে থকা প্ৰতিগৰাকী যুৱতী-মহিলাই সুৰক্ষিত অনুভৱ কৰে, প্ৰতিগৰাকী মহিলাই নিজৰ পৰিয়ালটোৰ পৰা নিজৰ কৰ্মক্ষেত্ৰখনৰ পৰা, নিজে বাস কৰা সমাজখনৰ পৰা উপযুক্ত সন্মান আৰু মৰ্যাদা লাভ কৰে। আমি যদি বৰ্তমানৰ সময় আৰু পৰিস্থিতিত আমাৰ বৰ্তমানৰ সমাজখনলৈ লক্ষ্য কৰো তেন্তে আমাৰ চৌপাশে এগৰাকী শিশুকন্যাৰ পৰা বৃদ্ধ মহিলালৈকে নিৰাপত্তাৰ যথেষ্ট অভাৱ পৰিলক্ষিত হয়। আজিৰ একবিংশ শতিকাৰ দিনতো জন্মতেই কন্যা সন্তান অৱহেলিত হয়। কন্যা সন্তান জন্ম দিয়া বাবেই মাতৃগৰাকীক অৱহেলাৰ দৃষ্টিৰে চোৱা হয়। তিনি-চাৰিমহীয়া কন্যা শিশুও কামাতুৰ মানুহৰ হাতত ধৰ্ষিতা হয়। ৬০ বছৰৰ উৰ্দ্ধৰ মহিলাও ২৫ বছৰীয়া কামাতুৰ যুৱকৰ হাতত ধৰ্ষিতা হোৱাৰ জঘন্য কাহিনী আমাৰ এইখন সমাজতে আছে। একেদৰে ৮০ বছৰীয়া বৃদ্ধা শীতৰ দুপৰ নিশা নিজৰ পুত্ৰই অথবা পোনাতিয়ে ৰাজপথত পেলাই থৈ অহাৰ দৰে কৰুণ ঘটনা এইখন সমাজতেই আছে দেখোন। মাতৃয়ে বৃদ্ধাশ্ৰমতেই জীৱনৰ শেষচোৱা পাৰ কৰা সময়ত মৃত্যুৰ আগে আগে নিজৰ পুত্ৰৰ মুখখন চাব বিচৰাৰ পাছতো পুত্ৰ-মাতৃৰ কাষলৈ নহাৰ দৰে নিষ্ঠুৰ ঘটনা এইখন সমাজতে আছে। একক মহিলা অৰ্থাৎ অবিবাহিত, স্বামীৰ মৃত্যু ঘটা মহিলা অথবা স্বামীৰ দ্বাৰা পৰিত্যক্ত মহিলাসকলৰো এইখন সমাজত নিৰাপত্তাৰ যথেষ্ট অভাৱ পৰিলক্ষিত হয়। অলপতে মহানগৰীৰ মাজমজিয়া য'ত নিৰাপত্তাৰক্ষীয়ে গিজগিজাই থাকে তাতেই কালাপাহাৰ অঞ্চলত এগৰাকী উচ্চ শিক্ষিতা মহিলাক নিজৰ ঘৰৰ কোঠাৰ ভিতৰতে কোনো অচিন ঘাতকে হত্যা কৰি পেলাই থৈ গ'ল। বেলতলা ছাৰ্ভে অঞ্চলতো কেইমাহমানৰ আগতে এগৰাকী বৃদ্ধা মহিলাক হত্যা কৰা হৈছে। যোৱাটো বৰ্ষত এগৰাকী অৱসৰপ্ৰাপ্ত চৰকাৰী মহিলা বিষয়াক হত্যা কৰা ঘটনা সংঘটিত হৈছে। গুৱাহাটী গড়চুক অঞ্চলত কেইমাহমানৰ আগতে মহিলাক হত্যা কৰা ঘটনা সংঘটিত হৈছে। যোৱাটো বৰ্ষৰ ছেপ্টেম্বৰত ধেমাজিত নন্দিতা শইকীয়া নামৰ এগৰাকী অতি প্ৰতিভাবান ছাত্ৰীয়ে প্ৰাণ দিবলগীয়া হ'ল নিষ্ঠুৰ ঘাতকৰ হাতত। এবছৰ আগতে মাঘৰ বিহুৰ উৰুকাৰ দিনাই মাতৃ আৰু কন্যাক বলাৎকাৰ কৰি হত্যা কৰি মৃতদেহ পথাৰত পেলাই থৈ যোৱাৰ ঘটনা সংঘটিত হৈছিল। ইয়াৰ উপৰি মহিলাৰ ওপৰত শাৰীৰিক, মানসিক যৌন উৎপীড়ন, এছিড আক্ৰমণৰ দৰে দুখজনক ঘটনা সংঘটিত হৈ থাকে। তিনি-চাৰিটা বছৰৰ ভিতৰতে কে'বাগৰাকীও কন্যাশিশু ধৰ্ষিতা হ'ল। এই ঘটনাসমূহ এটা মুহূৰ্তৰ ভিতৰতে ঘটি যায়। ঘটনাটো ঘটাৰ এসপ্তাহ ১০ দিনলৈ ঠায়ে ঠায়ে প্ৰতিবাদ সাব্যস্ত কৰা হয়। কিছুদিন পাছতে সকলো ফালে নিতাল নিস্তব্ধ হয়। গুৱাহাটীৰ নেটৱৰ্ক ট্ৰেভেলছত বৰ্ণালী দেৱৰ দৰে প্ৰতিভাৱান আঠ বছৰীয়া কন্যা শিশুগৰাকী দলৱদ্ধভাৱে ধৰ্ষণ কৰি হত্যা কৰা সেই বৰ্বৰ ঘটনাৰ প্ৰায় দুটা দশক পাৰ হ'বৰে সময় হ'ল; কিন্তু এই সুদীৰ্ঘ বছৰ পাৰ হৈ যোৱাৰ পাছতো এই দুৰ্ভগীয়া কন্যা সন্তানটিৰ পৰিয়ালে বিচাৰ লাভ কৰিব পাৰিলে জানো? ২০১৩ত ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজৰ প্ৰসূতি চিকিৎসা বিভাগত এগৰাকী উদীয়মান মহিলা চিকিৎসকক একে বিভাগৰে চতুৰ্থ বৰ্গৰ কৰ্মচাৰী এজনে বলাৎকাৰ কৰি হত্যা কৰিছিল। ঘটনাৰ ন বছৰ উকলি যোৱাৰ পাছতো ভুক্তভোগীৰ পৰিয়ালৰ লোকে কিবা বিচাৰ লাভ কৰিলে জানো? এয়াই হৈছে আমাৰ ৰাজ্যখনত কন্যা শিশু, মহিলা-যুৱতীৰ সামগ্ৰিক স্থিতি। চৌপাশৰ সমাজখনতে অসুৰক্ষিত অৱস্থা দিৱসৰ দিনটো আহিলেই আমি মহিলাৰ সুৰক্ষাৰ কথা ক'বলৈ, অধিকাৰ ৰক্ষা কৰিবলৈ সচেতন আৰু সক্ৰিয় হৈ উঠো। মহিলাৰ প্ৰতি সন্মান প্ৰতিগৰাকী ব্যক্তিৰ অন্তৰৰ পৰা যেতিয়ালৈকে উদয় নহ'ব, মহিলাক মৰ্যাদা দিয়াৰ কথা যেতিয়ালৈকে প্ৰতিগৰাকী ব্যক্তিয়ে চিন্তা নকৰিব তেতিয়ালৈকে মহিলাৰ দুৰ্বল স্থিতিৰ পৰিৱৰ্তন নহ'ব। মহিলাসকল সমাজত অসুৰক্ষিত হৈয়ে থাকিব লাগিব। মহিলাসকলৰ বাবে যিটো দিন সংৰক্ষিত কৰি থোৱা আছে অৰ্থাৎ আঠ মাৰ্চ আন্তৰ্জাতিক নাৰী দিৱসৰ দিনটো সেই দিনটো পালনৰ উদ্দেশ্যই হৈছে মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত থকা সকলো বৈষম্য পৰিহাৰ কৰি সমউন্নয়ন আৰু সমবিকাশৰ সুযোগ দিয়া। মহিলাসকলক এটা দুৰ্বল শ্ৰেণী বুলি ভাবি নাথাকি সমাজ উন্নয়নৰ সকলো কামতে অংশীদাৰিত্ব দিয়াৰ লগতে কেৱল মহিলা বুলি ভাবি নাথাকি সমাজত একোগৰাকী ব্যক্তি হিচাপে সুৰক্ষিতভাৱে জীয়াই থকাৰ অধিকাৰ সুনিশ্চিত কৰা। প্ৰতিবছৰে পালন কৰি অহা আন্তৰ্জাতিক নাৰী দিৱস তেতিয়াহে সফল আৰু সাৰ্থক হ'ব যেতিয়া গাঁৱে-ভূঞে, নগৰে-চহৰে প্ৰতিটো প্ৰান্তৰ মহিলাই সমাজত মৰ্যাদা সহকাৰে সুৰক্ষিতভাৱে জীয়াই থাকিব পাৰিব। সমাজৰ সকলোৰে প্ৰচেষ্টাত মহিলা সমাজৰ বাবে তেনে এক সুন্দৰ, সুৰক্ষিত সময় আহিব লাগে। তেতিয়াহে আমাৰ উদ্দেশ্য সাৰ্থক হ'ব।

*ফোন ঃ ৮৬৩৮০৬০৫৭৩*

# কৰ্মস্থানত নাৰী নিৰ্যাতন



**ভাৰত চৰকাৰে ২০১৩ত প্ৰণয়ন কৰে এখন নতুন আইন কৰ্মস্থানত যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষিদ্ধকৰণ প্ৰতিকাৰ) আইন-২০১৩। এই আইনৰ অধীনত যৌন নিৰ্যাতনৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হয়। শাৰীৰিক সংস্পৰ্শ, যৌন সম্পৰ্কৰ বাবে অনুৰোধ বা ভাবুকি, যৌনগন্ধী মন্তব্য, অশ্লীল ছবি প্ৰদৰ্শন, মহিলাই নিবিচৰা দৈহিক, মৌখিক ইংগিতেৰে দেখুওৱা যৌন আবেদন এইবোৰকে যৌন নিৰ্যাতন হিচাপে বিবেচনা কৰা হয়।**

**চিত্তৰঞ্জন ওজা**

**আন্তৰ্জাতিক** নাৰী দিৱসৰ এই বছৰৰ থিম হ'ল ভৱিষ্যতৰ বহন ক্ষমতাৰ স্বাৰ্থত বৰ্তমানৰ লিংগ সমতা।স্বাধীনোত্তৰ ভাৰতবৰ্ষত লিংগ সমতাৰ বাবে নাৰীৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দি আহিছে। ইয়াৰ সুফল আমি আজি দেখিবলৈ পাইছো, শিক্ষিত নাৰীৰ সংখ্যা দিনক দিনে বাঢ়িছে। চৰকাৰী চাকৰিৰ ৩০ শতাংশ পদ মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগে লগে চৰকাৰী প্ৰতিষ্ঠানত কাম কৰা নাৰীৰ সংখ্যা বৃদ্ধি পাইছে। কিন্তু দুখৰ কথা যে চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠানত কৰ্তব্যৰত নাৰী প্ৰতি দিনে যৌন নিৰ্যাতন,যৌন উৎপীড়নৰ সন্মুখীন হৈ আহিছে। এই খিনিতে উল্লেখ কৰিব পাৰি মি টু আন্দোলনৰ কথা। ২০০৭ত আমেৰিকাৰ তাৰানা বাৰ্কে 'মি টু' (Me Too) শব্দ ব্যৱহাৰ কৰিছিল কৰ্মস্থানত যৌন নিৰ্যাতনৰ বিপৰীতে মাত মাতিবলৈ সকলো মহিলাক আগবাঢ়ি আহিবলৈ। এক দশকৰ ভিতৰতে Me Too আন্দোলন গোটেই বিশ্বত বিয়পি পৰে। ভাৰতবৰ্ষ এই ক্ষেত্ৰত পিছ পৰি নাথাকিল। ২০১৮ত বহুগৰাকী প্ৰতিষ্ঠিত নাৰী তেওঁলোকৰ ওপৰত চলা নিৰ্যাতনৰ বিষয়ে খোলোচা কৰে অৰু ঘৃণনীয় কামত জড়িত দেশৰ নামী-দামী অভিনেতা, চিনেমা পৰিচালক, শিল্পী ৰাজনীতিবিদসকল ভৰ্ৎসনাৰ সন্মুখীন হয়।

কৰ্মস্থানত নাৰী নিৰ্যাতনৰ এক ঘৃণনীয় ঘটনা ঘটিছিল ৰাজস্থানৰ ভাটেৰী গাঁৱত ১৯৯২ত। এই অখ্যাত গাঁৱত ভাৱৰী দেৱী নামে এগৰাকী মহিলা এটা সামাজিক প্ৰতিষ্ঠানত চাকৰি কৰিছিল। তেওঁৰ মূল কাম আছিল গাঁৱত বাল্য বিবাহ বন্ধ কৰা। সেই গাঁৱৰ ৰামকৰণ গুজ্জাৰৰ এটা কন্যা শিশুৰ বিবাহত বাধা দিয়া বাবে গাঁৱৰ উচ্চ বৰ্ণৰ লোকসকল নিম্ন বৰ্ণৰ ভাৱৰী দেৱীৰ ওপৰত খৰ্গহস্ত হৈ পৰে। ১৯৯২ৰ ২২ ছেপ্টেম্বৰত ভাৱৰীয়ে পতি মোহনলালৰ লগত পথাৰত কাম কৰি থকা অৱস্থাত পাঁচজন লোকে মোহনলালক মাৰপিট কৰি অচেতন কৰে আৰু ভাৱৰীক দলবদ্ধভাৱে ধৰ্ষণ কৰে। ইয়াৰ পাছত ভাৱৰী পৰিয়ালক সামাজিকভাৱে বহিষ্কাৰ কৰে। ভাৱৰীয়ে ঘটনাৰ দিনা থানালৈ যায় যদিও আৰক্ষীয়ে ধৰ্ষণৰ অভিযোগ ল'বলৈ অস্বীকাৰ কৰে। স্বাস্থ্য পৰীক্ষাৰ বাবে ভাৱৰী উপস্থিত হোৱা জয়পুৰৰ চিকিৎসা কৰ্মীসকলে মেজিষ্ট্ৰেটৰ নিৰ্দেশ নোপোৱালৈকে পৰীক্ষা নকৰাৰ সিদ্ধান্ত লয়। ফলস্বৰূপে ৪৮ ঘণ্টাৰ পাছত স্বাস্থ্য পৰীক্ষা লোৱা হয় যদিও আইনৰ নিয়মত ধৰ্ষণৰ ঘটনা থানাত জনোৱাৰ ২৪ ঘণ্টাৰ পাছত স্বাস্থ্য পৰীক্ষা লোৱা হয়, যদিও আইনৰ নিয়মত ধৰ্ষণৰ ঘটনা থানাত জনোৱাৰ ২৪ঘণ্টাৰ ভিতৰত স্বাস্থ্য পৰীক্ষা কৰা বাধ্যতামূলক। ঘটনাৰ দুবছৰ পাছত অভিযুক্তসকলক ন্যায়ালয়ে নিৰ্দোষী ঘোষণা কৰে এই যুক্তিত যে ভাৱৰী দেৱীৰ স্বাস্থ্য পৰীক্ষা ৪৮ ঘণ্টাৰ পাছত কৰা হৈছিল আৰু ধৰ্ষণ সংঘটিত হোৱাৰ সময়ত ভাৱৰীৰ পতি অচেতন অৱস্থাত আছিল। এই ৰায়দানৰ পাছতে বিশাখা নামৰ নাৰী কল্যাণৰ হকে কাম কৰা বেচৰকাৰী সংগঠন এটাই ভাৱৰী দেৱীৰ ন্যায়ৰ বাবে উচ্চতম ন্যায়ালয়ত দ্বাৰস্থ হয়। সংগঠনটোৱে গোটেই দেশত ভাৱৰী দেৱীৰ ন্যায়ৰ বাবে আন্দোলন গঢ়ি তোলে। বিশাখাৰ এই পদক্ষেপৰ বাবেই ১৯৯৭ত উচ্চতম ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰে। প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত কৰ্মস্থানত নাৰী যৌন উৎপীড়নৰ প্ৰাথমিক সংজ্ঞা নিৰ্ধাৰণ কৰা হয় আৰু বিশাখা গাইড লাইন গঠন কৰা হয়। কৰ্মস্থানত যৌন নিৰ্যাতনৰ পৰা নাৰীক সুৰক্ষা দিবলৈ এখন শক্তিশালী আইন প্ৰণয়ন হ'বলৈ ভাৰতৰ জনসাধাৰণে বিশাখা গাইড লাইনৰ পাছত ১৬ বছৰ অপেক্ষা কৰিবলগীয়া হয়।



ভাৰত চৰকাৰে ২০১৩ত প্ৰণয়ন কৰে এখন নতুন আইন কৰ্মস্থানত যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষিদ্ধকৰণ প্ৰতিকাৰ) আইন-২০১৩। এই আইনৰ অধীনত যৌন নিৰ্যাতনৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হয়। শাৰীৰিক সংস্পৰ্শ, যৌন সম্পৰ্কৰ বাবে অনুৰোধ বা ভাবুকি, যৌনগন্ধী মন্তব্য, অশ্লীল ছবি প্ৰদৰ্শন, মহিলাই নিবিচৰা দৈহিক, মৌখিক ইংগিতেৰে দেখুওৱা যৌন আবেদন এইবোৰকে যৌন নিৰ্যাতন হিচাপে বিবেচনা কৰা হয়। নতুন আইনে সাঙুৰি লৈছে প্ৰায় সকলো কৰ্মস্থান যেনে চৰকাৰী, বেচৰকাৰী বা মালিকানাধীন,সমবায় সমিতিৰ অধীনৰ সকলোধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান, অফিচ বা অফিচৰ শাখা, সংস্থা লগতে সকলো ধৰণৰ ব্যৱসায় প্ৰতিষ্ঠান, হাস্পতাল, শিক্ষানুষ্ঠান, ক্ৰীড়া প্ৰতিষ্ঠান ইত্যাদি। কৰ্তব্যত থাকোতে মহিলাই পৰিদৰ্শন কৰা সকলো ঠাইৰ লগতে পৰিবহণ ব্যৱস্থালৈ কৰ্মস্থানৰ পৰিভাষা সম্প্ৰসাৰিত কৰা হৈছে। এই আইন অনুসৰি প্ৰতিজন নিয়োগকৰ্তাই নিজৰ কৰ্মস্থানত যদি ১০ বা ততোধিক মহিলা কৰ্মচাৰীক কামত নিয়োগ কৰিছে তেনেহ'লে একোখন আভ্যন্তৰীণ অভিযোগ কমিটী গঠন কৰাতো নিতান্তই বাধ্যতামূলক। এই কমিটীৰ সভানেত্ৰীগৰাকী সেই কৰ্মস্থানৰ এগৰাকী জ্যেষ্ঠা মহিলা কৰ্মচাৰী হ'ব লাগিব, এগৰাকী সদস্যা এটা বেচৰকাৰী প্ৰতিষ্ঠানৰ হ'ব লাগিব লগতে কমিটীৰ আধাতকৈ বেছি সদস্যই মহিলা হোৱাটো বাধ্যতামূলক। যিগৰাকী নিয়োগকৰ্তাই আভ্যন্তৰীণ অভিযোগ কমিটী গঠন কৰাত ব্যৰ্থ হয়, তেওঁ ৫০ হেজাৰ টকালৈকে জৰিমনা ভৰিব লগা হ'ব। লগতে অনুষ্ঠান চলাই যোৱাৰ অনুজ্ঞাপত্ৰও হেৰুৱাব লগা হ'ব পাৰে। কৰ্মস্থানত ১০ জনতকৈ কম সংখ্যক মহিলা কৰ্মচাৰী থাকিলে স্থানীয় অভিযোগ কমিটীত অভিযোগ দাখিল কৰিব পাৰিব।

ভুক্তভোগী মহিলাই ঘটনাৰ তিনি মাহৰ ভিতৰত আভ্যন্তৰীণ অভিযোগ কমিটীৰ আগত প্ৰতিবেদন দাখিল কৰিব পাৰে। তদন্তত যদি ভুক্তভোগী মহিলাৰ অভিযোগ সঁচা বুলি প্ৰমাণিত হয়, অভিযুক্তক ক্ষতিপূৰণ দিবলৈ বাধ্য কৰাব পাৰে আৰু অভিযুক্তক সেই অফিচৰ সেৱা-নিয়মৰ অধীনত উচিত দণ্ড দিয়াব পাৰে।

এই আইনৰ এটা মন কৰিবলগীয়া কথা হ'ল যদি কোনো মহিলাই কু-অভিপ্ৰায়েৰে মিছা অভিযোগ উত্থাপন কৰিব বিচাৰে বা কোনো অভিযোগকাৰীয়ে দাখিল কৰা প্ৰমাণবোৰ মিছা প্ৰমাণিত হয়, তেন্তে তেনে অভিযোগকাৰীৰ বিৰুদ্ধে কমিটীয়ে কাৰ্যপন্থা ল'ব পাৰে। কৰ্মস্থানত অকল মহিলাই নহয়, কিছু সংখ্যক পুৰুষো মহিলাৰ দ্বাৰা নিৰ্যাতিত হৈ আহিছে। তদুপৰি দুই এক মহিলাই নিজৰ স্বাৰ্থৰ বাবে এই আইনখন অপপ্ৰয়োগ কৰাও দেখা গৈছে।

এই আইনৰ কিছু সীমাবদ্ধতা আছে। কৃষিখণ্ড, পথ নিৰ্মাণত কাম কৰা মহিলাসকল আৰু সামৰিক বাহিনীৰ মহিলাসকল এই আইনৰ পৰিধিত নপৰে। আভ্যন্তৰীণ অভিযোগ কমিটীৰ ওচৰত অভিযোগ দাখিল কৰিও ভুক্তভোগীয়ে অন্য ধৰণৰ অত্যাচাৰ সহ্য কৰিবলগীয়া হৈছে। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি দিল্লী উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা এটা মোকৰ্দমা ৰুচিকা সিং চাব্ৰা বনাম এয়াৰ ফ্ৰান্স। ৰুচিকা সিং চাব্ৰা ভাৰতত থকা এয়াৰ ফ্ৰান্স কোম্পানীত ২০০১ত চাকৰিত নিয়োজিত হৈছিল। ২০১৩ত ব্ৰান উপাধিৰ এজন নতুন পৰিচালন সঞ্চালক ভাৰতলৈ আহে আৰু ৰুচিকাৰ ওপৰত কে'বাদিনো যৌন নিৰ্যাতন চলায়। ৰুচিকাই কোম্পানীৰ আভ্যন্তৰীণ অভিযোগ কমিটীৰ আগত অভিযোগ দাখিল কৰে। কিন্তু ইয়াৰ পাছত কোম্পানীৰ ওপৰৱালাৰ হেঁচাত এনে এটা অৱস্থাৰ মুখামুখি হয় যে ভুক্তভোগী ৰুচিকা ২০১৭ত স্বেচ্ছামূলক অৱসৰ ল'বলৈ বাধ্য হয়। পাছত অৱশ্যে দিল্লী উচ্চ ন্যায়ালয় ৰুচিকাৰ হকে ৰায়দান দিয়ে।

আমাৰ সমাজৰ বহুতো শিক্ষিত মহিলাই উপৰোক্ত আইনৰ বিষয়ে বিশেষ অৱগত নহয়। সেয়ে কৰ্মক্ষেত্ৰত শাৰীৰিক, মানসিকভাৱে যৌন নিৰ্যাতনৰ সন্মুখীন হ'লেও ইয়াৰ প্ৰতিবাদ কৰিবলৈ আৰু ন্যায় বিচাৰ পাবলৈ বহুতো আগবাঢ়ি নাযায়। দেখা গৈছে যে বেছিভাগ চৰকাৰী বা বেচৰকাৰী অফিচত আভ্যন্তৰীণ অভিযোগ কমিটী গঠন কৰা হোৱাই নাই, যিটো আইনৰ ফালৰ পৰা দণ্ডনীয়। সকলো শ্ৰেণীৰ জনসাধাৰণে লিংগ সমতাৰ প্ৰতি সজাগ হৈ আগবাঢ়ি আহিলে আমি এনে এখন সুস্থ সমাজ দেখিবলৈ পাম যি সমাজৰ সকলো নাৰীয়ে হ'ব সবল যাৰ শক্তি কোনো পৰিমাপকেৰে জুখিব নোৱাৰিব, যাৰ সৌন্দৰ্য কোনো ভাষাৰে বান্ধি ৰাখিব নোৱাৰিব।

*ফোন ঃ ৯৮৬৪০৩৬১৪৩*

## দেশত দৈনিক ক'ভিড আক্ৰান্ত-মৃতকৰ সংখ্যা পুনৰ হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ মাৰ্চ ঃ** ক্ৰমে কৰ'না মুক্তিৰ পথত অগ্ৰসৰ হৈছে ভাৰত। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ক'ভিডত আক্ৰান্ত আৰু মৃতকৰ সংখ্যা নিম্নমুখী হ'ল। বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ৪,৩৬২ জন লোক ক'ভিডত নতুনকৈ সংক্ৰমিত হ'ল। আনহাতে, যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ প্ৰাণ কাঢ়িলে ৬৬ জন লোকৰ। বৰ্তমানলৈকে ভাৰতত মুঠ পাঁচ লাখ ১৫ হেজাৰ ১০২ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। সম্প্ৰতি দেশত ৫৪,১৮৮ জন সক্ৰিয় কৰ'না ৰোগী আছে।

## অভিলেখ ভংগৰে যুদ্ধৰ পৰিস্থিতিত প্ৰত্যাহ্বানৰ মুখত দেশৰ অৰ্থনীতি



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ মাৰ্চ ঃ** অপৰিশোধিত তেলৰ মূল্যৰ উৰ্ধ্বমুখী গতিৰ মাজতে সৰ্বকালৰ অভিলেখ বন্ধ কৰি ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাস পালে। আজি প্ৰতি ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাস পাই ৭৬.৯৬ টকা হ'ল। যোৱা শুকুৰবাৰে প্ৰতি ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ বিনিময় মূল্য আছিল ৭৬.১৬ টকা। দেশৰ ইতিহাসত ভাৰতীয় মুদ্ৰাৰ এনে অৱমূল্যায়ন ইয়াৰ পূৰ্বে হোৱা নাছিল। উল্লেখ্য ভাৰত হ'ল বিশ্বৰ তৃতীয় বৃহত্তম খাৰুৱা তেলৰ আমদানিকাৰক দেশ। ইন্ধনৰ ক্ৰমবৰ্ধমান মূল্যই ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাস কৰিছে।

## দক্ষিণ চীন সাগৰত সামৰিক অনুশীলন চীনৰ সেনাৰ

**নিউজ ব্যুৰ', বেইজিং, ৭ মাৰ্চ ঃ** ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ মাজতে বিতৰ্কিত দক্ষিণ চীন সাগৰত সামৰিক অনুশীলন আৰম্ভ কৰিলে চীনৰ নৌসেনা বাহিনীয়ে। সামৰিক অনুশীলন অব্যাহত থকাৰ সময়ত বিতৰ্কিত জলৰাশিৰ পৰা বাণিজ্যিক জাহাজসমূহক আঁতৰি থাকিবলৈকো নিৰ্দেশনা জাৰি কৰিলে চীনৰ নৌবাহিনীয়ে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ যোৱা ২৭ ফেব্ৰুৱাৰীৰ পৰা দক্ষিণ-চীন সাগৰত সামৰিক অনুশীলন আৰম্ভ কৰিলে চীনৰ নৌসেনা বাহিনীয়ে। যুদ্ধকৌশল প্ৰদৰ্শনৰে হাইনান প্ৰদেশ আৰু ভিয়েটনামৰ মাজৰ জলৰাশিত সম্প্ৰতি চীনা নৌসেনা বাহিনীৰ যুঁজাৰু জাহাজে অনুশীলন অব্যাহত ৰাখিছে। এসপ্তাহ পূৰ্বে হাইনান প্ৰদেশৰ প্ৰশাসনে এক বিবৃতিত উল্লেখ কৰিছিল যে অহা ১৫ মাৰ্চলৈকে দক্ষিণ চীন সাগৰত চীনৰ সেনা বাহিনীয়ে সামৰিক অনুশীলন চলাব। এই সময়ছোৱাত বাণিজ্যিক জাহাজসমূহক আন সমুদ্ৰপথৰে যাত্ৰা কৰিবলৈকো চীনে আহ্বান জনাইছে। উল্লেখ্য যে চীনে সমগ্ৰ দক্ষিণ চীন সাগৰক নিজৰ বুলি দাবী কৰি আহিছে।



## নিষিদ্ধ মাদক সৰবৰাহকাৰী পাকিস্তানী ড্ৰ'ন্‌ক গুলীয়াই ভূপতিত কৰিলে পঞ্জাৱত



**নিউজ ব্যুৰ', ফিৰোজপুৰ, ৭ মাৰ্চ ঃ** আজি পঞ্জাৱৰ ফিৰোজপুৰৰ আন্তৰ্জাতিক সীমান্তত বি এছ এফৰ জোৱানে মাদক দ্ৰব্য সৰবৰাহকাৰী এখন পাকিস্তানী ড্ৰ'ন্‌ক গুলীয়াই ভূপতিত কৰিলে। সীমান্তত নিয়োজিত বি এছ এফৰ জোৱানে যোৱা নিশা তিনি বজাত কোৱাডকপ্টাৰ ড্ৰ'ন্ এখনক সীমান্তৰ আকাশত বিচৰণ কৰা প্ৰত্যক্ষ কৰি লগে লগে গুলিবৰ্ষণ কৰি ড্ৰ'ন্‌খন ভূপতিত কৰিছিল। বি এছ এফৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি উক্ত ড্ৰ'ন্‌ত সেউজীয়া ৰঙৰ এটা বেগ সংলগ্ন আছিল আৰু উক্ত বেগৰ ভিতৰত ৪.১৭ কিলোগ্ৰাম নিষিদ্ধ মাদকদ্ৰব্য আছিল। পাকিস্তানৰ পৰা মাদকদ্ৰব্য সৰবৰাহকাৰীয়ে নিশা অন্ধকাৰৰ সুযোগ লৈ পঞ্জাৱলৈ এইদৰে গোপনে নিষিদ্ধ মাদক দ্ৰব্য ড্ৰ'ন্‌ৰ জৰিয়তে সৰবৰাহ কৰা বুলি বি এছ এফে সন্দেহ কৰিছে।

### ১৩৯ ডলাৰলৈ বৃদ্ধি প্ৰতি বেৰল খাৰুৱা তেলৰ মূল্য ঃ ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ বিশ্ব অৰ্থনীতিত প্ৰভাৱ

# ২০০৮ বৰ্ষৰ পাছত সৰ্বাধিক হ'ল খাৰুৱা তেলৰ মূল্য

**নিউজ ব্যুৰ' নতুন দিল্লী, ৭ মাৰ্চ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ বিশ্ব অৰ্থনীতিত নেতিবাচক প্ৰভাৱ স্পষ্ট হ'ল। ৰুছ-ইউক্ৰেইনৰ এই সংঘাতৰ মাজতে খাৰুৱা তেলৰ মূল্য পুনৰ আকাশলংঘী হ'ল। ২০০৮ বৰ্ষৰ পাছত আজি আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্যই পুনৰ নতুন অভিলেখ ৰচনা কৰিলে। সোমবাৰে আন্তৰ্জাতিক বজাৰত প্ৰতি বেৰল খাৰুৱা তেলৰ মূল্য ১৩৯ ডলাৰলৈ বৃদ্ধি পালে। ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰাৰ পাছৰে পৰা পশ্চিম বিশ্বৰ দেশসমূহে ৰাছিয়াৰ বিৰুদ্ধে অৰ্থনৈতিক নিষেধাজ্ঞা আৰোপ কৰিছিল। আমেৰিকাৰ লগতে ইউৰোপৰ সহযোগী দেশেও ৰুছ তেলৰ আমদানিত নিষেধাজ্ঞা আৰোপৰ কথা বিবেচনা কৰিছে। ইয়াৰ মাজতে আজি খাৰুৱা তেলৰ প্ৰতি বেৰলৰ মূল্য ১৩৯.১৩ ডলাৰলৈ বৃদ্ধি পালে। সোমবাৰে এদিনতে খাৰুৱা তেলৰ প্ৰতি বেৰলৰ মূল্য ১০ ডলাৰ বৃদ্ধি পোৱাৰ ফলত আন্তৰ্জাতিক বজাৰত সুদীৰ্ঘ ১৪ বছৰৰ পাছত প্ৰতি বেৰল খাৰুৱা তেলৰ মূল্য সৰ্বাধিক হ'ল। উল্লেখ্য যে ২০০৮ বৰ্ষত আন্তৰ্জাতিক বজাৰত প্ৰতি বেৰলত খাৰুৱা তেলৰ মূল্য ১৪৭ ডলাৰলৈ বৃদ্ধি পাইছিল।



আমেৰিকাৰ বৈদেশিক মন্ত্ৰী এণ্টনী ব্লিংকনে কালি কৈছিল যে আমেৰিকা আৰু ইয়াৰ সহযোগী দেশে ৰাছিয়াৰ পৰা তেল আৰু প্ৰাকৃতিক গেছ আমদানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপৰ কথা বিবেচনা কৰিছে। ব্লিংকনে প্ৰকাশ কৰা মতে, আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে এদিন পূৰ্বে এই বিষয়ত অনুষ্ঠিত মাৰ্কিন ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ বৈঠকত ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ প্ৰসংগ আলোচনা কৰিছিল। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ ব্যাপক হোৱাৰ পৰিপ্ৰেক্ষিতত আমেৰিকা, ইউৰোপ আৰু সহযোগী দেশে ৰাছিয়াৰ পৰা তেল আৰু প্ৰাকৃতিক গেছ ক্ৰয় কৰিবলৈ বিচৰা নাই। ইয়াৰ ফলত আন্তৰ্জাতিক বজাৰত চাহিদাৰ বিপৰীতে খাৰুৱা তেলৰ যোগান হ্ৰাস পাইছে আৰু খাৰুৱা তেলৰ মূল্য ২০০৮ বৰ্ষৰ পাছত উৰ্ধ্বগামী হ'বলৈ ধৰিছে। উল্লেখ্য যে ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰাৰ লগে লগে ধাৰণা কৰা হৈছিল যে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য বৃদ্ধি পাব। আজি এই শংকা বাস্তৱত সত্য প্ৰমাণ কৰি প্ৰতি লিটাৰ খাৰুৱা তেলৰ মূল্য ১৩৯ ডলাৰলৈ বৃদ্ধি পালে। স্মৰ্তব্য যে ৰাছিয়া হৈছে বিশ্বৰ দ্বিতীয়খন সৰ্ববৃহৎ তৈল উৎপাদনকাৰী দেশ আৰু ইউৰোপৰ বিভিন্ন তেল শোধনাগাৰক ৰাছিয়াই খাৰুৱা তেলৰ যোগান ধৰি আহিছে। ইউৰোপৰ দেশসমূহে ২০ শতাংশৰো অধিক খাৰুৱা তেল ৰাছিয়াৰ পৰা ক্ৰয় কৰি আহিছে। তদুপৰি ৰাছিয়াই বিশ্বৰ ১০ শতাংশ কপাৰ আৰু ১০ শতাংশ এলুমিনিয়ামো উৎপাদন কৰি আহিছে। বিশেষজ্ঞসকলৰ মতে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ অধিক দিনলৈ অব্যাহত থাকিলে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰলত ১৮৫ ডলাৰলৈকে বৃদ্ধি পাব। আন্তঃৰাষ্ট্ৰীয় বজাৰত এইদৰে খাৰুৱা তেলৰ মূল্য বৃদ্ধি অব্যাহত থাকিলে ভাৰততো পেট্ৰ'ল-ডিজেলৰ মূল্য অত্যধিক বৃদ্ধিৰ সম্ভাৱনা আছে। সাধাৰণতে ভাৰতত আন্তৰ্জাতিক বজাৰত প্ৰতি বেৰলত এক ডলাৰ মূল্য বৃদ্ধি হ'লে পেট্ৰ'ল-ডিজেলৰ মূল্য লিটাৰত ৫০ৰ পৰা ৬০ পইচালৈকে বৃদ্ধি কৰা হয়। যদি খাৰুৱা তেলৰ প্ৰতি বেৰলৰ মূল্য ১৫০ ডলাৰলৈ বৃদ্ধি পালে ভাৰতৰ বজাৰত পেট্ৰ'ল-ডিজেলৰ মূল্য লিটাৰত ১৫-২২ টকালৈকে বৃদ্ধিৰ সম্ভাৱনা আছে।



## শ্ৰীনগৰত গ্ৰেণেড আক্ৰমণত দুই নাগৰিকৰ মৃত্যু, ২৩ আহত

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৭ মাৰ্চ ঃ** জম্মু-কাশ্মীৰৰ শ্ৰীনগৰ চহৰৰ আমিৰাকডলৰ দেওবৰীয়া বজাৰত কালি সন্ধিয়া সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা গ্ৰেণেড আক্ৰমণৰ ঘটনাত দুজন নাগৰিকৰ মৃত্যু হ'ল। গ্ৰেণেড বিস্ফোৰণত আন ২৩ জন লোক গুৰুতৰভাৱে আহত হৈছে। আহতৰ মাজত এজন আৰক্ষী আৰু ১৭ গৰাকী মহিলা আছে। আৰক্ষীৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি দেওবাৰে সন্ধিয়া সন্ত্ৰাসবাদীয়ে আমিৰাকডল অঞ্চলত নিয়োজিত নিৰাপত্তা বাহিনীক লক্ষ্য হিচাপে লৈ উক্ত গ্ৰেণেড আক্ৰমণ সংঘটিত কৰিছিল। নিক্ষেপ কৰা গ্ৰেণেডটো পথত পৰি বিস্ফোৰিত হয়।

## পেলেষ্টাইনৰ দূতাবাসত ভাৰতীয় কূটনীতিবিদৰ ৰহস্যজনক মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ মাৰ্চ ঃ** পেলেষ্টাইনৰ ৰামাল্লা চহৰৰ ভাৰতৰ দূতাবাসত কৰ্মৰত কূটনীতিবিদ মুকুল আৰ্যৰ মৃতদেহ দূতাবাসৰ চৌহদত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱাক লৈ চাঞ্চল্য অব্যাহত আছে। উল্লেখ্য যে কালি ৰামাল্লা চহৰত থকা ভাৰতীয় দূতাবাসৰ চৌহদত কূটনীতিবিদজনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। অৱশ্যে এতিয়াও আৰ্যৰ মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। ঘটনাৰ সন্দৰ্ভত পেলেষ্টাইন চৰকাৰে তদন্তৰ নিৰ্দেশ দিছে। আৰ্যই মৃত্যুৰ বাতৰি টুইটাৰত সদৰী কৰি ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে এইদৰে কয়, 'ৰামাল্লাত ভাৰতীয় প্ৰতিনিধি মুকুল আৰ্যৰ মৃত্যুৰ খবৰত শোকাহত। তেওঁ এজন অতি উজ্জ্বল আৰু মেধাৱী বিষয়া আছিল। তেওঁৰ পৰিয়ালৰ প্ৰতি আমাৰ সমবেদনা ব্যক্ত কৰিলো।'

## নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ জি এছ টিৰ ন্যূনতম নিৰিখ বৃদ্ধিৰ সম্ভাৱনা ঃ বাঢ়িব পাৰিবাৰিক ব্যয়

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ মাৰ্চ ঃ** সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) পৰিষদৰ পৰৱৰ্তী বৈঠকত সলনি কৰা হ'ব পাৰে জি এছ টিৰ বৰ্তমানৰ নিৰিখ। প্ৰকাশিত বাতৰি অনুসৰি জি এছ টি পৰিষদৰ পৰৱৰ্তী বৈঠকত বৰ্তমানৰ জি এছ টিৰ সৰ্বনিম্ন নিৰিখ পাঁচ শতাংশৰ পৰিৱৰ্তে আঠ শতাংশলৈ বৃদ্ধি কৰা হ'ব পাৰে। দেশত জি এছ টিৰ ন্যূনতম নিৰিখ আঠ শতাংশলৈ বৃদ্ধি পালে সাধাৰণ নাগৰিকৰ পৰিয়াল পৰিচালনাৰ ব্যয় বৃদ্ধি পাব। জি এছ টিৰ নিৰিখ পৰিৱৰ্তিত হ'লে নিত্য ব্যৱহাৰ্য পণ্য আৰু সামগ্ৰীৰ মূল্যও যথেষ্ট বৃদ্ধিৰ শংকা আছে। ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰীয় নিৰ্ভৰতা হ্ৰাস কৰাৰ বাবেও জি এছ টি পৰিষদে আন কিছুমান নীতি সলনি কৰাৰ সম্ভাৱনা আছে। তদুপৰি জি এছ টিৰ বৰ্তমানৰ 'শ্লেব' সলনি কৰাৰো সম্ভাৱনা আছে। বৰ্তমানে দেশত ৫, ১২, ১৮ আৰু ২৮ শতাংশ নিৰিখত জি এছ টি সংগ্ৰহ কৰা হয়।



## পুনৰ টুইটাৰত অনুগামী বৃদ্ধি ৰাহুলৰ, দিল্লী ধৰ্ষণকাণ্ডৰ মন্তব্যৰ পাছত হৈছিল হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ মাৰ্চ ঃ** দিল্লী ধৰ্ষণকাণ্ডৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰাৰ ফলত টুইটাৰত কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ অনুগামীৰ সংখ্যা যোৱা বছৰত যথেষ্ট হ্ৰাস পাইছিল। কংগ্ৰেছ সাংসদজনে ২০২১ৰ আগষ্টত দিল্লীত সংঘটিত হোৱা ধৰ্ষণৰ এক ঘটনাৰ সন্দৰ্ভত টুইট কৰোতে ধৰ্ষণ পীড়িতাৰ পৰিয়ালৰ স'তে নিজৰ ফটো আপলোড কৰিছিল। এই ঘটনাৰ পাছতে টুইটাৰে ৰাহুলৰ একাউণ্ট আঠ দিনলৈ বন্ধ কৰি ৰাখিছিল। ইয়াৰ পাছৰে পৰা টুইটাৰত ৰাহুলৰ ফলোৱাৰৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছিল। কিন্তু বিগত এদিনত ৰাহুলৰ টুইটাৰত ফলোৱাৰৰ সংখ্যা ৮০,০০০ বৃদ্ধি পালে। এসপ্তাহ পূৰ্বে মাইক্ৰ' ব্লগিং ছাইটটোত ৰাহুলৰ ফলোৱাৰ সংখ্যা ১৯.৫ নিযুত আছিল আৰু সম্প্ৰতি কংগ্ৰেছ সাংসদজনৰ ফলোৱাৰৰ সংখ্যা ২০ নিযুতলৈ বৃদ্ধি পালে।

## মোদীৰ ঘোষণা ঃ দেশৰ ব্যক্তিগত মেডিকেল কলেজৰ অৰ্ধেক আসনৰ মাচুল চৰকাৰী নিৰিখত

**নিউজ ব্যুৰ' নতুন দিল্লী, ৭ মাৰ্চ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জন ঔষধি কাৰ্যসূচীত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে অংশ লৈ দেশৰ ব্যক্তিগত মেডিকেল কলেজৰ পাঠ্যক্ৰমত নামভৰ্তিৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা ঘোষণা কৰিলে। মোদীয়ে কয় যে এতিয়াৰে পৰা দেশৰ ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়সমূহৰ অৰ্ধেকাংশ আসনত ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী মেডিকেল কলেজৰ নিৰিখত মাচুল আদায় দিয়াৰ সুবিধা লাভ কৰিব। মোদীয়ে প্ৰকাশ কৰা অনুসৰি বৰ্তমানলৈকে দেশত চাৰে আঠ হেজাৰৰো অধিক জন ঔষধি কেন্দ্ৰ মুকলি কৰা হৈছে আৰু সেই সমূহ ঔষধি কেন্দ্ৰই দেশবাসীক বিশেষ সেৱা আগবঢ়োৱা বুলি সক্ষম হৈছে। চৰকাৰে দেশত কৰ্কট, যক্ষ্মা, মধুমেহ, হৃদৰোগ প্ৰভৃতি ৰোগৰ




চিকিৎসাৰ বাবে ৮০০ৰো অধিক দৰবৰ মূল্য নিয়ন্ত্ৰণৰ পদক্ষেপ লোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে দাবী কৰে। মোদীয়ে কয় যে দেশৰ ব্যক্তিগত খণ্ডত থকা মেডিকেল কলেজসমূহত অৰ্ধেকাংশ আসনৰ মাচুল চৰকাৰৰ নিৰিখত নিৰ্ধাৰণ কৰাৰ ফলত সাধাৰণ পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত মেডিকেল শিক্ষানুষ্ঠানত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তি কৰাৰ সুবিধা লাভ কৰিব।

## মহাৰাষ্ট্ৰৰ মন্ত্ৰী নবাব মলিকক ২১ মাৰ্চলৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ


**নিউজ ব্যুৰ', মুম্বাই, ৭ মাৰ্চ ঃ** মহাৰাষ্ট্ৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকক আজি আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে। উল্লেখ্য যে যোৱা ২৩ ফেব্ৰুৱাৰীত অবৈধ বিত্তীয় লেনদেনৰ এক গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ মলিকক গ্ৰেপ্তাৰ কৰিছিল। মলিকৰ বিৰুদ্ধে 'হাছিনা পাৰ্কাৰ' নামৰ এখন ছবি ৫৫ লাখ টকা অবৈধভাৱে বিনিয়োগ কৰাৰ অভিযোগো উত্থাপিত হৈছিল। এই ছবিখন ডাউদ ইব্ৰাহিমৰ ভগ্নীক লৈ তৈয়াৰ কৰা হৈছিল। এই গোচৰত পি এম এল এ আদালতে পূৰ্বে মলিকক সাত মাৰ্চলৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল আৰু আজি আদালতে ন্যায়িক জিম্মাৰ ম্যাদ ২১ মাৰ্চলৈকে বৃদ্ধি কৰিলে।



## অমৃতসৰৰ পাছত মুৰ্ছিদাবাদত পৰস্পৰৰ গুলিত নিহত দুই জোৱান



**নিউজ ব্যুৰ', মুৰ্ছিদাবাদ, ৭ মাৰ্চ ঃ** পঞ্জাৱৰ অমৃতসৰৰ পাছত এইবাৰ গুলীয়াগুলিৰ ঘটনা সংঘটিত হ'ল মুৰ্ছিদাবাদৰ জলংগিৰ কাকমাৰিৰ বি এছ এফৰ শিবিৰত। এই ঘটনাত বি এছ এফৰ দুজন জোৱান নিহত হ'ল। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি বি এছ এফৰ দুজন জোৱান পৰস্পৰৰ স'তে কাজিয়াত লিপ্ত হৈছিল আৰু পৰিণতিত পৰস্পৰে গুলিবৰ্ষণ কৰাত দুয়োৰে মৃত্যু হয়। নিহত দুয়োজন জোৱান বি এছ এফৰ ১১৭ জন বেটেলিয়নৰ সদস্য আছিল। এই পৰ্যন্ত দুই জোৱানৰ পৰিচয় উদ্ধাৰ হোৱা নাই। উল্লেখ্য যে এদিন পূৰ্বে অমৃতসৰত বি এছ এফৰ জোৱানে চাৰিজন সতীৰ্থক গুলীয়াই হত্যা কৰাৰ লগতে নিজেও নিহত হৈছিল।



## যোগী-অখিলেশ উভয়ৰে দাবী ঃ ৩০০ আসন জয়ৰে গঠন কৰিম চৰকাৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৭ মাৰ্চ ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ আজি সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হয়। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হোৱাৰ পূৰ্বে সংবাদ মাধ্যমৰ আগত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে দাবী কৰি কয় যে তেওঁৰ নেতৃত্বত বিজেপিয়ে ৰাজ্যত কমেও ৩০০ আসন জয়ৰে পৰৱৰ্তী চৰকাৰ গঠন কৰিব। এইবাৰৰ উত্তৰ প্ৰদেশৰ নিৰ্বাচন প্ৰকৃততে ৮০ বনাম ২০ৰ বুলিও যোগীয়ে দাবী কৰে। নিৰ্বাচনৰ ফলাফলত বিজেপিয়ে ৮০ শতাংশ আৰু বিৰোধীয়ে ২০ শতাংশ সমৰ্থন লাভ কৰিব বুলি যোগীয়ে কয়। ইফালে, সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱেও আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত দাবী কৰি কয় যে উত্তৰ প্ৰদেশত এইবাৰ সমাজবাদী মৰ্চাই চৰকাৰ গঠন কৰিব। সমাজবাদী পাৰ্টিৰ মৰ্চাই নিৰ্বাচনত কমেও ৩০০ সমষ্টিত জয়লাভ কৰিব বুলিও অখিলেশে দাবী কৰে। উত্তৰ প্ৰদেশত সমাজবাদী পাৰ্টিৰ চৰকাৰ গঠন হ'লে পূৰ্বাঞ্চলৰ অভূতপূৰ্ব বিকাশৰ কাম কৰিব বুলিও অখিলেশে প্ৰতিশ্ৰুতি দিয়ে।

## বিৰল ৰোগত আক্ৰান্ত বৰ্ষীয়ান অভিনেতা নাছিৰুদ্দিন শ্বাহ, নিজে কৰিলে সদৰী



**নিউজ ব্যুৰ', মুম্বাই, ৭ মাৰ্চ ঃ** বলিউডৰ বৰ্ষীয়ান অভিনেতা নাছিৰুদ্দিন শ্বাহ এক বিৰল ৰোগত আক্ৰান্ত হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে অভিনেতাগৰাকীয়ে নিজে তেওঁৰ স্বাস্থ্যৰ সন্দৰ্ভত এই কথা সদৰী কৰিলে। নাছিৰুদ্দিনে ইউ টিউব চেনেলৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি তেওঁ অন'মেট'মেনিয়া নামৰ এক বিৰল ৰোগত আক্ৰান্ত হৈছিল। ইউ টিউব ভিডিঅ'ত এই কথা প্ৰকাশ কৰি অভিনেতাজনে কয়, 'মই এক বিশেষ সমস্যাত ভুগিছো। ইয়াৰ নাম অন'মেট'মেনিয়া। চিকিৎসাশাস্ত্ৰত ইয়াৰ নাম আছে। আপোনালোকে অভিধান চাব পাৰিব।' নিজৰ স্বাস্থ্যৰ সন্দৰ্ভত নাছিৰুদ্দিনে এই তথ্য প্ৰকাশ কৰিলেও ৰোগৰ সন্দৰ্ভত তেওঁ অধিক তথ্য প্ৰকাশৰ পৰা বিৰত আছে।

## উত্তৰাখণ্ড বিধানসভালৈ এইবাৰ নিৰ্বাচিত হ'ব সৰ্বনিম্ন সংখ্যক অপৰাধী বিধায়ক

**নিউজ ব্যুৰ' ডেৰাডুন, ৭ মাৰ্চ ঃ** পাঁচ ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত এইবাৰ সৰ্বনিম্ন সংখ্যক অপৰাধী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিলে উত্তৰাখণ্ডত। এছ'চিয়েচন ফ'ৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত এইবাৰ উত্তৰ প্ৰদেশত সৰ্বাধিক সংখ্যক অপৰাধী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিলে। উত্তৰ প্ৰদেশত প্ৰাৰ্থী হিচাপে থিয় দিয়া ২৬ শতাংশ প্ৰাৰ্থীৰ বিৰুদ্ধে অপৰাধৰ অভিযোগ আছে। এইসকল প্ৰাৰ্থীৰ ২০ শতাংশৰ বিৰুদ্ধে হত্যা আৰু অন্যান্য গুৰুতৰ অভিযোগৰ গোচৰ আছে। একেদৰে গোৱা বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ২৬ শতাংশৰ বিৰুদ্ধে অপৰাধৰ বিভিন্ন গোচৰ আছে। এইসকল অপৰাধী প্ৰাৰ্থীৰ ১৮ শতাংশৰ বিৰুদ্ধে হত্যাসহ অন্যান্য গুৰুতৰ অপৰাধৰ অভিযোগ আছে। একেদৰে পঞ্জাৱৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ২৫ শতাংশ প্ৰাৰ্থীৰ বিৰুদ্ধে অপৰাধৰ নানা গোচৰ আছে। এইসকল প্ৰাৰ্থীৰ ১৭ শতাংশই শপতনামাত স্বীকাৰ কৰা অনুসৰি তেওঁলোকৰ বিৰুদ্ধে হত্যা আৰু হত্যাৰ অপচেষ্টাৰ গুৰুতৰ অভিযোগ আছে। মণিপুৰৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ২০ শতাংশ প্ৰাৰ্থীয়ে শপতনামাত তেওঁলোকৰ বিৰুদ্ধে অপৰাধৰ গোচৰ থকা বুলি স্বীকাৰ কৰিছে। মণিপুৰৰ এইসকল অপৰাধী প্ৰাৰ্থীৰ ১৫ শতাংশই উল্লেখ কৰা অনুসৰি তেওঁলোকৰ বিৰুদ্ধে গুৰুতৰ অপৰাধৰ অভিযোগ আছে।



আনহাতে, দেশৰ এই পাঁচ ৰাজ্যৰ ভিতৰত সৰ্বনিম্ন সংখ্যক অপৰাধী প্ৰাৰ্থী আছে উত্তৰাখণ্ডত। এ ডি আৰৰ তথ্য অনুসৰি উত্তৰাখণ্ডৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ১৭ শতাংশই শপতনামাত উল্লেখ কৰা অনুসৰি তেওঁলোকৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। এইসকল অপৰাধী প্ৰাৰ্থীৰ ১০ শতাংশই উল্লেখ কৰা মতে, তেওঁলোকৰ বিৰুদ্ধে হত্যাসহ অন্যান্য গুৰুতৰ অপৰাধৰ অভিযোগ আছে। এ ডি আৰৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, উত্তৰাখণ্ড বিধানসভালৈ এইবাৰ সৰ্বনিম্ন সংখ্যক অপৰাধী প্ৰাৰ্থী নিৰ্বাচিত হ'ব।

## শিঙৰী চাহ বাগিচাত বাঘৰ সন্ত্ৰাস গৰু-ছাগলী ভক্ষণ

অগ্ৰদূত বাৰ্তা
**শিঙৰী, ৭ মাৰ্চ ঃ** শিঙৰী চাহ বাগিচাত ঢেঁকীয়াপতীয়া বাঘ এটাই সন্ত্ৰাস সৃষ্টি কৰাত স্থানীয় ৰাইজ আতংকিত হৈ পৰিছে। যোৱা ডেৰমাহ ধৰি বাঘটোৱে গৰু-ছাগলী ভক্ষণ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। যোৱা ছয় মাৰ্চত আবেলি বাঘটোৱে ধীৰাই ঘাটৰ সমীপত এৰাল দিয়া গৰু এটাক আক্ৰমণ কৰে। শিঙৰী পাহাৰত আশ্ৰয় লৈ থকা বাঘটোৱে প্ৰত্যেক দিনাই গৰু-ছাগলী ভক্ষণ কৰি আতংকময় পৰিবেশৰ সৃষ্টি কৰিছে। শিঙৰী চাহ বাগিচাত কাম কৰা শ্ৰমিকসকল বাৰুকৈ আতংকিত হৈ পৰিছে। দিনকদিনে বাঘটোৰ উপদ্ৰৱ বৃদ্ধি পোৱাত ধীৰাই লাইন, বেলশিৰি লাইন, ধীৰাই মাজুলী, ধীৰাইমুখ আদি গাঁৱৰ ৰাইজ অধিক শংকিত হৈ পৰিছে। বাঘটোৰ উপদ্ৰৱৰ ফলত শিঙৰী কালিস্থান-ধীৰাই মাজুলী সংযোগী পথত অহা-যোৱা কৰা বিপজ্জনক হৈ পৰিছে। বাঘটোক পিঞ্জৰাবদ্ধ কৰি অভয়াৰণ্যত এৰি দিয়াৰ ব্যৱস্থা কৰিবলৈ স্থানীয় ৰাইজে বন বিভাগক দাবী জনাইছে।

## মৈৰাম-ৰাণী গুডাম-আজাৰা পথৰ জৰাজীৰ্ণ অৱস্থাই জীয়াতু ভোগাইছে ৰাইজক

অগ্ৰদূত বাৰ্তা
**আজাৰা, ৭ মাৰ্চ ঃ** পশ্চিম গুৱাহাটী বিধান সভা সমষ্টিৰ আজাৰাৰ ৰাণী গেটৰ পৰা ৰাণী-শুকুৰবেৰীয়া হৈ জিৰাঙলৈ যোৱা পথচোৰাৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। উত্তৰ পূৰ্ব পৰিষদৰ অধীনৰ 'মৈৰাম-ৰাণী গুডাম-আজাৰা' পথচোৰাৰ মাজে মাজে হোৱা বৃহৎ বৃহৎ দ' গাঁতৰ বাবে যানবাহন চলাচল কৰাত গুৰুতৰ সমস্যাই দেখা দিছে । আজাৰাৰ ৰাণী গেটৰ পৰা ৰাণীলৈ প্ৰায় সাত কিলোমিটাৰ দূৰত্বৰ পথচোৰাৰ ঠায়ে ঠায়ে প্ৰায় পাঁচ-ছয় ফুট বহল আৰু প্ৰায় দুই ফূট দ' গাঁতৰ সৃষ্টি হৈছে। আকৌ কোনো কোনো অংশত প্ৰায় সম্পূৰ্ণ পথচোৰাত থকা ওপৰৰ কাৰ্পেটিং এৰাই গৈ শিলবোৰহে আছে। এনে অৱস্থাত



যান-বাহন চলাচল কৰাত সমস্যাৰ সৃষ্টি হৈছে। নিশা এই পথচোৰাত চলাচল কৰাৰ সময়ত সততে যান বাহনৰ চালকসকলে নিজৰ জীৱটো টোপোলা বান্ধি অহাযোৱা কৰিব লাগে। বিশেষকৈ কেতিয়াবা সাধাৰণ বৰষুণ এজাক আহিলেই গাঁতবোৰত বৰষুণৰ পানী জমা হৈ পুখুৰী সদৃশ হৈ উঠে। এনে অৱস্থাত যানবাহনৰ চালকসকলে পথেৰে অহাযোৱা কৰাত সমস্যাৰ সন্মুখীন হয়।

উল্লেখ্য যে উক্ত পথটোৰে নিতৌ সহস্ৰাধিক যানবাহন চলাচল কৰে। বিশেষকৈ পথটোৰ দাঁতিতে আছে ৰাণী উন্নয়ন খণ্ড কাৰ্যালয়, ৰাণী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়, ৰাণী ৰেঞ্জ অ'ফিচ, কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ ৭৫ নম্বৰ বেটেলিয়ানৰ কাৰ্যালয়, ৰাণী উদ্যোগিক ক্ষেত্ৰ, আজাৰা ৰেল ষ্টেচন, বি এছ এফৰ পাটগাঁৱৰ মুখ্য কাৰ্যালয়, ৰাণী ফাৰ্ম আদিকৰি বিভিন্ন চৰকাৰী বেচৰকাৰী কাৰ্যালয়। এনেবোৰ কাৰ্যালয়লৈ নিতৌ বিভিন্ন যানবাহন চলাচল কৰাই নহয় মেঘালয় ৰাজ্যৰ ৰিভয় জিলাৰ পৰাও নিতৌ যানবাহন চলাচল কৰে।

ইয়াৰ উপৰি উক্ত পথেৰে নিতৌ শ শ ট্ৰাক-ডাম্পাৰ চলাচল কৰাৰ ফলত পথটোৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। এনে অৱস্থাত বৃহত্তৰ এলেকাটোৰ ৰাইজে অতি শীঘ্ৰে পথটোৰ উন্নয়নৰ দাবী জনাইছে।

## শিৱসাগৰত 'মেৰা গাঁও মেৰা ধৰোহৰ' আঁচনিৰ উদ্বোধন

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ৭ মাৰ্চ ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাত জিলাখনৰ অন্তৰ্গত গাঁওসমূহত স্থিত ঐতিহ্য আৰু কীৰ্তি চিহ্নসমূহৰ লগতে পৰম্পৰাগত সাজপাৰ, খাদ্য, ধৰ্মীয় বিশ্বাস, গহনা, ভৌগোলিক অৱস্থান, শিল্পকলা, উৎসৱ-পাৰ্বণ, বিশিষ্ট শিল্পী, কলা-কুশলীকে আদি কৰি তথ্যসমূহ ৰাষ্ট্ৰীয় পৰ্যায়ত উপলব্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ে 'মেৰা গাঁও মেৰা ধৰোহৰ' শীৰ্ষক শ্ল'গানেৰে কমন ছাৰ্ভিচ চেণ্টাৰৰ যোগেদি এক সাংস্কৃতিক জৰীপ কাৰ্যসূচীৰ আঁচনি হাতত লৈছে। যোৱা পাঁচ মাৰ্চত শিৱসাগৰ জিলাৰ চিএছচি কাৰ্যালয়ত উক্ত আঁচনিখনৰ শুভ উদ্বোধন কৰে জিলা সহকাৰী আয়ুক্ত সঞ্চয়িতা ভট্টাচাৰ্যই। অনুষ্ঠানত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প সঞ্চালক সুৰজজ্যোতি গগৈ, চিএছচি জিলা প্ৰৱন্ধক শিৱপ্ৰসাদ হাজৰিকা আৰু ৰাজতিলক বুঢ়াগোহাঁই, আপকুৰ জিলা সমিতিৰ সভাপতি পদুম কুমাৰ শইকীয়াকে ধৰি কে'বাজনো ব্যক্তি উপস্থিত থাকে। আনহাতে, জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় অৰ্ধশতাধিক ভিএলই সভাত উপস্থিত থাকে।

## বিদ্যালয় পৰিচালনা সমিতিৰ নৱনিৰ্বাচিত সদস্যক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ৭ মাৰ্চ ঃ** তিতাগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত জয়পুৰ প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বাবুৰাম মুৰ্মুৰ সভাপতিত্বত কালি এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সভাত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে যুৱ সমাজকৰ্মী ভীষ্ম সৰকাৰ, লক্ষীৰাম হাছদা, কৃতী শিক্ষক কৃষ্ণকান্ত দাস আৰু শিক্ষক তথা সমাজকৰ্মী ছফিকুল ইছলাম। সভাত যুৱ সমাজকৰ্মী লক্ষীৰাম হাছদায়ে কয় যে সমাজৰ সামগ্ৰিক মংগলৰ বাবে বিদ্যালয়সমূহ স্থাপন কৰা হয়। গতিকে ৰাইজে বিদ্যালয় কৰ্তৃপক্ষক সকলো ক্ষেত্ৰত সহায়-সহযোগ কৰিলে বিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত বিকাশ হ'ব। সমাজকৰ্মী ছফিকুল ইছলামে জয়পুৰ আৰ চি নিম্ন প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিয়ে ৰাইজৰ লগত মিলি বাল্যবিবাহ বন্ধ কৰা আৰু বিদ্যালয়ৰ বিভিন্ন কামত পৰিচালনা সমিতিৰ সদস্য-সদস্যাসকলে সহায়-সহযোগিতা কৰা বিষয়টো ভূয়সী প্ৰশংসা কৰে। সভাৰ আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ প্ৰধান শিক্ষক বাবুৰাম মুৰ্মুই।

## পশ্চিম শেনচোৱা বৰনামঘৰত মহিলা সমাজৰ উদ্যোগত বিশ্ব শান্তিৰ অৰ্থে ভাগৱত পাঠ



বিশেষ সংবাদদাতা
**নগাঁও, ৭ মাৰ্চ ঃ** নগাঁও জিলাৰ পশ্চিম শেনচোৱা বৰনামঘৰত মহিলা সমাজৰ উদ্যোগত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠিত হৈছে। পশ্চিম শেনচোৱা বৰনামঘৰত অনুষ্ঠিত অনুষ্ঠানত সমগ্ৰ অঞ্চলটোত হৰি নামেৰে মুখৰিত হৈ পৰে। উল্লেখ্য যে শেহতীয়াভাৱে সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তত হৈ থকা অসূয়া-অপ্ৰীতিকৰ পৰিস্থিতিৰ অৱসান ঘটাই বিশ্ব শান্তি স্থাপনৰ বাবে মহিলা সমাজে ভাগৱত পাঠ অনুষ্ঠিত কৰে। কে'বাশতাধিক পুৰুষ-মহিলাই অনুষ্ঠানত অংশ গ্ৰহণ কৰে। ভাগৱত পাঠৰ মুখ্য পাঠক মনমোহন দেৱনাথৰ লগতে পাঠক অনিল নাথ, নৰেন নাথ, দেৱজ্যোতি নাথ, বুদ্ধেশ্বৰ নাথ, পূৰ্ণ কান্ত নাথ, দ্বীপজ্যোতি নাথ, বিষ্ণু দাস, বিজয় বৰদলৈ আদিয়ে ভাৰত পাঠ কৰাৰ লগতে ভাগৱতৰ বিভিন্ন দিশ ব্যাখ্যা কৰে। আজি নামঘৰ প্ৰাংগণ ভক্তপ্ৰাণ ৰাইজেৰে লোকাৰণ্য হৈ পৰে।

## পদ্মনাথ কাকতিৰ নামত নিৰ্মীয়মাণ শুৱালকুছি ক্ৰীড়াৰ নামকৰণৰ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৭ মাৰ্চ ঃ** বস্ত্ৰনগৰী শুৱালকুছিত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া অনুষ্ঠিত কৰাৰ উদ্দেশ্যে নিৰ্মীয়মাণ শুৱালকুছি বহুমুখী ক্ৰীড়া প্ৰকল্পৰ নাম বগা পালোৱান খ্যাত পদ্মৰাম কাকতিৰ নামেৰে নামকৰণৰ বাবে কালি ৰাজহুৱাভাৱে সিদ্ধান্ত গ্ৰহণ কৰে। অসম চৰকাৰৰ অৰ্থ সাহায্যত নিৰ্মীয়মাণ ক্ৰীড়া প্ৰকল্পৰ ইতিমধ্যে ৯০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। যি নে কি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ষ্টেডিয়ামখন পৰ্যবেক্ষণৰ কালত চলিত বৰ্ষৰ অক্টোবৰত উদ্বোধন কৰাৰ কথা সাংবাদিকৰ আগত প্ৰকাশ কৰিছিল। সেয়ে ২৭ কোটিৰে নিৰ্মাণৰ প্ৰায় সমাপ্তিৰ পথত শুৱালকুছি ক্ৰীড়া প্ৰকল্পৰ নাম সন্দৰ্ভত ক্ৰীড়া সন্থাৰ উদ্যোগত ৰাজহুৱা সভা অনুষ্ঠিত হয়। ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ কাৰ্তিক চন্দ্ৰ মেধিৰ পৌৰোহিত্যত শ্ৰী শংকৰদেৱ ধামত অনুষ্ঠিত সভাত বৃহত্তৰ শুৱালকুছি সামাজিক সাংস্কৃতিক আৰু ক্ৰীড়ানুষ্ঠানে উক্ত সিদ্ধান্তক পূৰ্ণ সমৰ্থন জনায়। শীঘ্ৰেই এখন স্মাৰকপত্ৰ যুগুত কৰি অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতৃত্বৰ স্বাক্ষৰে অসমৰ মুখ্যমন্ত্ৰীক প্ৰদান কৰিব। তদুপৰি ক্ৰীড়া প্ৰকল্পৰ অন্যান্য ঠাইত বৃহত্তৰ শুৱালকুছিৰ ক্ৰীড়াবিদসকলৰ নাম সন্নিবিষ্ট কৰাৰো সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। মন কৰিব লগা যে ৰাজ্যৰ ভিতৰতে গ্ৰামাঞ্চলৰ প্ৰথমখন চাৰিশ মিটাৰ ট্ৰেকৰ উক্ত ষ্টেডিয়ামখন সম্পূৰ্ণ হৈ উঠিলে খেলুৱৈসকলৰ বাবে বৃহৎ সকাহ হ'ব।

## ভৃংগেশ্বৰ উচ্চ মাধ্যমিকৰ ৰূপালী জয়ন্তী বৰ্ষ আৰম্ভ

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৭ মাৰ্চ ঃ** 'ৰাজ্যত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি সমাগত। এই শিক্ষানীতিৰ প্ৰয়োজনীয় দিশবোৰ শিক্ষকসকলে প্ৰত্যাহ্বান হিচাপে অনুধাৱন কৰি শৈক্ষিক উত্তৰণ কৰিব লাগিব।'—এই ভাষ্য কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ। কালি কৃষি প্ৰধান বংশৰৰ ভৃংগেশ্বৰ হাইস্কুলৰ ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠানৰ পতাকা উত্তোলন কৰি শিক্ষা বিষয়াজনে পুনৰ কয় যে সমাজত শিক্ষকসকলৰ অৱদান অতুলনীয়। তাৰ লগত যোগ দিব লাগিব বিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ উন্নতিৰ হকে মনোনিৱেশ কৰাৰ আহ্বান জনায়। লগতে ৰূপালী জয়ন্তীৰ কাৰ্যসূচীত স্থানীয় ৰাইজ, শিক্ষক সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে আগন্তুক ৰূপালী জয়ন্তী বৰ্ষ সফল হ'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ লগত ৰজিতা খুৰাই বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিসকলৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰে। তদুপৰি ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ উপদেষ্টা নাৰায়ণ চন্দ্ৰ বৈশ্যই বৃক্ষৰোপণ কৰাৰ পাছতে উদ্‌যাপন সমিতিৰ শোভাযাত্ৰা শাখাৰ সভাপতি দেৱেন্দ্ৰনাথ কাকতিয়ে ৰূপালী জয়ন্তীৰ জাগৰণ শোভাযাত্ৰা উদ্বোধন কৰি দিয়া ভাষণত কয় যে ১৯৮৯ত স্থাপিত ভৃংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ে সুদীৰ্ঘ বছৰত বহু প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী উলিয়ালে। সেইসকলে নিজৰ জীৱনৰ লগতে সমাজৰ উন্নতিৰ হকে কাম কৰাৰ পৰামৰ্শ দি শোভাযাত্ৰা উদ্বোধন কৰে। তাৰপাছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি, অভিভাৱক আৰু শিক্ষানুৰাগী লোকে বৃহত্তৰ বংশৰ অঞ্চলত শোভাযাত্ৰা কৰি ৰূপালী জয়ন্তীৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰে। সমগ্ৰ অনুষ্ঠান পৰিচালনা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা উদ্‌যাপন সমিতিৰ সভাপতি ভগৱান বৈশ্যই।

## জামুগুৰিহাটত প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৭ মাৰ্চ ঃ** গ্ৰাম্যাঞ্চলৰ পুৰুষ-মহিলা, যুৱক-যুৱতীসকলক স্বনিয়োজনৰ জৰিয়তে কৰ্ম সংস্থাপনৰ বাট মোকলাবলৈ কন্যকাৰ উদ্যোগত এক প্ৰশিক্ষণ কাৰ্যসূচী প্ৰদান কৰা হয়। বিজ্ঞানসন্মতভাৱে গাহৰি, মাছ, কুকুৰা, হাঁহ, ছাগলী আদি পালন কৰি কিদৰে লাভান্বিত হ'ব পাৰি তাৰ ওপৰত এই প্ৰশিক্ষণ কাৰ্যসূচী প্ৰদান কৰা হয়। এমাহ জোৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত জামুগুৰিহাটৰ প্ৰায় দুই শতাধিক পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে প্ৰশিক্ষণ লয়। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষণ প্ৰাপ্ত কে'বাগৰাকীও পুৰুষ-মহিলাই এই প্ৰশিক্ষণৰ দ্বাৰা তেওঁলোক আত্মনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত সাহস আৰু প্ৰেৰণা পোৱা বুলি মন্তব্য কৰে।

## ধুবুৰীত কল্পজ্যোতি ফাউণ্ডেছনৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**দোতমা, ৭ মাৰ্চ ঃ** ধুবুৰীত কল্পজ্যোতি ফাউণ্ডেচনৰ কালি এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সভাত সংগঠনটোৰ ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে সংগঠনটোৰ সদস্যসকলৰ স'তে আলোচনা কৰা হয়। সভাত কল্পজ্যোতি ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক সভাপতি সায়ন সাহা, কল্পজ্যোতি ফাউণ্ডেচনৰ উপ-সভাপতি সুৰদীপ শৌ, কল্পজ্যোতি ফাউণ্ডেচনৰ যুটীয়া সম্পাদক দিবাকাৰ ৰয়, কল্পজ্যোতিৰ কাৰ্যবাহী সদস্য তপতি সাহা আৰু আন বহুতো বিশিষ্ট ব্যক্তিৰ লগতে ধুবুৰী জিলাৰ সদস্যসকল উপস্থিত থাকে। সভাত কল্পজ্যোতি ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক সভাপতি সায়ন সাহাই কয় যে কল্পজ্যোতি ফাউণ্ডেচনে বৰ্তমান চাৰিখন দেশত আৰু সমগ্ৰ ভাৰতত কাম কৰি আছে। সাহাই লগতে আৰু কয় যে কল্পজ্যোতি ফাউণ্ডেচন হৈছে ধুবুৰীত স্থাপিত প্ৰথম আন্তঃৰাষ্ট্ৰীয় সংগঠন।



*শংকৰদেৱ নগৰৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী-হোজাই জিলা সমিতিৰ ধৰ্মঘট, সোমবাৰে।*

## দতৰাত 'নেত্ৰ সাৰথি' বিনামূলীয়া চছমা বিতৰণ অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ৭ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দতৰাত আজি বেচৰকাৰী অনুষ্ঠান বিবেকানন্দ আৰ্থ-সামাজিক বিকাশ মঞ্চৰ উদ্যোগত নেচনেল মেডিক'জ অৰ্গেনাইজেছন, অসম সেৱা ভাৰতী, পূৰ্বাঞ্চল, সক্ষম, প্ৰয়াত ৰাজেন্দ্ৰ নাথ বজুৰবৰুৱা স্মৃতি ন্যাসৰ সহযোগত দতৰা গাঁও পঞ্চায়তৰ সভাগৃহত এটা 'নেত্ৰ সাৰথি' বিনামূলীয়া চছমা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰয়াত ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসৰ সভাপতি প্ৰশান্ত বুজৰবৰুৱাই সঞ্চালন কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে বিবেকানন্দ আৰ্থ-সামাজিক মঞ্চৰ অন্যতম সদস্য কল্পজ্যোতি কলিতাই। অনুষ্ঠানত অঞ্চলটোৰ ২৭০ গৰাকী ব্যক্তিৰ মাজত চছমা বিতৰণ কৰে। অনুষ্ঠানত সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সভাপতি ৰমেন শৰ্মা, ডাঃ মৃণাল হালৈ, এন এম অ'ৰ ডাঃ ধীৰেন দাস পানিকৰ, ডাঃ মমতা দেৱী, ডাঃ মুকুল ভাটিয়া আদিয়ে তেওঁলোকৰ লক্ষ্য-উদ্দেশ্য আদিৰ ওপৰত বক্তব্য আগবঢ়ায়। ডাঃ মৃণাল হালৈয়ে চকুৰ ৰোগীসকলে কিদৰে চছমা ব্যৱহাৰ কৰিব তাৰ ওপৰত বিশ্লেষণ কৰে। ইফালে অঞ্চলটোৰ প্ৰায় ২৫০ গৰাকী চকুৰ ৰোগীক প্ৰয়াত ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা স্মৃতি ন্যাসে আগন্তুক দিনত বিনামূলীয়াকৈ চছমা দিয়াৰ ব্যৱস্থা কৰাৰ লগতে এনেকুৱা চকুৰ চিকিৎসা শিবিৰ গুৱাকুছি আৰু কুন্দৰগাঁৱত অনুষ্ঠিত কৰিব বুলি আৰ্থ-সামাজিক বিকাশ মঞ্চৰ সভাপতি ভদ্ৰৰাম ডেকা আৰু সাধাৰণ সম্পাদক পংকজ বুজৰবৰুৱাই জানিব দিয়ে।

### ■ ২৭০ গৰাকী বৃদ্ধ-বৃদ্ধাৰ মাজত চছমা বিতৰণ

## টিংৰাই চাৰিআলিত গোৰ্খা সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ অধিবেশনৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**টেঙাখাত, ৭ মাৰ্চ ঃ** অসম গোৰ্খা সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ ২২ সংখ্যক ত্ৰি-বাৰ্ষিক অধিবেশন অহা ১২ আৰু ১৩ মাৰ্চত টিংৰাই চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। প্ৰথম দিনা পুৱাৰ ভাগত সমূহীয়া চাফাই কাৰ্যসূচীৰ পাছতে সন্মিলনৰ সভাপতি মোহন উপাধ্যায়ে সন্মিলনৰ পতাকা আৰু উদ্‌যাপন সমিতিৰ পতাকা উদ্‌যাপন সমিতিৰ সভাপতি হোমনাথ উপাধ্যায়ে উত্তোলন কৰি অধিবেশনৰ কাৰ্যসূচী আৰম্ভ কৰিব। ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰিব সন্মিলনৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক লাল কুমাৰ তামাং আৰু উদ্‌যাপন সমিতিৰ সম্পাদক দিবাকৰ শৰ্মাই। বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰিব ব্যৱসায়ী বিনয় ভূষণ ভদ্ৰই। প্ৰতিনিধি শিবিৰৰ দ্বাৰ উন্মোচন কৰিব টিংৰাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্যামল সেনাপতিয়ে। পাছত প্ৰতিনিধি সভা আৰম্ভ কৰা হ'ব। সমূহীয়া চাফাই কাৰ্যসূচীৰে দ্বিতীয় দিনা কাৰ্যসূচী আৰম্ভ কৰা হ'ব। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব সমাজকৰ্মী জাপান থাপাই। গোৰ্খালী আৰু অসমীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। আবেলি মুকলি সভা অনুষ্ঠিত হ'ব। স্থানীয় শিল্পীৰ দ্বাৰা অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠানেৰে অধিবেশন কাৰ্যসূচী সামৰণি মৰা হ'ব। অধিবেশনৰ প্ৰতিটো কাৰ্যসূচীতে অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰি তুলিবলৈ ৰাইজক আহ্বান জনাইছে উদ্‌যাপন সমিতিৰ লগতে সন্মিলনৰ জিলা সমিতিৰ সভাপতি আৰু সম্পাদকে।

## জাতি একগোট হ'বলৈ জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতিক জীয়াই ৰাখিব লাগিব

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ৭ মাৰ্চ ঃ** 'গ্ৰন্থই হৈছে মানুহৰ পৰম বন্ধু, গ্ৰন্থই মানৱ জীৱনক সঠিক তথ্যৰ সন্ধান দিয়ে। গ্ৰন্থই মানুহক মৃত্যুৰ আগমুহূৰ্তলৈ বটবৃক্ষৰ দৰে ছাঁ দিয়ে। ধৈৰ্য, আদৰ্শ, জ্ঞান আৰু প্ৰেৰণা পাবলৈ গ্ৰন্থৰ লগত বন্ধুত্বৰ সম্পৰ্ক থাকিব লাগিব।' কালি মৰিগাঁৱত এইদৰে মন্তব্য আগবঢ়ায় অসম সাহিত্য সভাৰ উপ-সভাপতি তথা বিশিষ্ট কবি, সাহিত্যিক মৃনালিনী দেৱীয়ে। মৰিগাঁও জিলা সাহিত্য সভাৰ অন্তৰ্গত ভূৰবন্ধা শাখা সাহিত্য সভাৰ উদ্যোগত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত সোণালী জয়ন্তী উৎসৱ আৰু গ্ৰন্থ মেলাৰ মুকলি সভাত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি তেওঁ পুণৰ কয় যে, জীৱনটো সাৰ্থক কৰি তুলিবলৈ গ্ৰন্থই পৰম বন্ধু হৈ পৰে আৰু জ্ঞানৰ প্ৰসাৰণেই সমাজ জীৱনত মানুহৰ এটা সুস্থিৰ পথৰ বাটকটীয়া হয়। গ্ৰন্থৰ দ্বাৰাই বিশ্ব পৰিচালিত হয় আৰু গ্ৰন্থৰ বিকল্পই সুগম পথৰ সন্ধান দিব নোৱাৰে। সোণালী জয়ন্তী উৎসৱ আজি শেষৰ দিনা মুকলি সভাত বিশিষ্ট অতিথিৰূপে অংশ গ্ৰহণ কৰি মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে ভাষণ প্ৰসংগত চিৰ চেনেহী মোৰ ভাষা জননী গাই থাকিলেই নহ'ব, অসমীয়া জাতিৰ ভাষা সংস্কৃতিৰ অস্তিত্ব ৰখা কৰিব লাগিব।কিছুলোকে অসমীয়া জাতিটোক বিকৃত কৰিছে বুলি বিধায়ক দেউৰীয়ে কয়। পশ্চিমীয়া সংস্কৃতিয়ে অসমীয়া জাতিক গ্ৰাস কৰাত উঠি পৰি লাগিছে বুলি উল্লেখ কৰি অসম সাহিত্য সভাৰ ভুলৰ বাবে অসমীয়া জাতি জনগোষ্ঠীৰ সাহিত্য সৃষ্টি হৈছে বুলিও বিধায়কজনে মন্তব্য কৰে। তেওঁ পুনৰ কয়, সময় থাকোঁতেই সকলো জাতি জনগোষ্ঠীৰ ভাষা সাহিত্যক জীয়াই ৰাখিব লাগিব অসম সাহিত্য সভাই। অসমীয়া জাতি একগোট হৈ থাকিবলৈ হ'লে সকলো জাতি- জনগোষ্ঠীৰ ভাষা সংস্কৃতিক জীয়াই ৰাখিব লাগিব। বহু ভাগত বিভক্ত হোৱা অসমীয়া জাতিক ভাষা সংস্কৃতিৰ মাজেৰে এক লগ কৰি বৰ অসম গঢ়িব লাগিব বুলি বিধায়ক দেউৰীয়ে মন্তব্য আগবঢ়ায়। ভূৰবন্ধা শাখা সাহিত্য সভাৰ সভাপতি মঙলু বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সোণালী জয়ন্তীৰ শেষৰ দিনা মুকলি সভা উদ্বোধন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই। ইফালে, ভূৰবন্ধা শাখা সাহিত্য সভাৰ সম্পাদক ৰবীন মেধিয়ে আঁত ধৰা গ্ৰাম্ভীৰ্যপূৰ্ণ মুকলি সভাত সন্মানীয় অতিথি হিচাপে অংশ গ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰীয়ে অসমীয়া ভাষা সাহিত্যৰ বৰ্ণিল ইতিহাস দাঙি ধৰাৰ লগতে সাম্প্ৰতিক সময়চোৱাত অসমীয়া ভাষা সাহিত্যলৈ দুৰ্যোগ নামি অহা বুলি মন্তব্য কৰে। মুকলি সভাত তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ,অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই অংশ গ্ৰহণ কৰে। মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অজিত শৰ্মা আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্তই অংশ গ্ৰহণ কৰি বিস্তৃত ভাৱে ভাষণ আগবঢ়াই।

### ■ মৰিগাঁৱৰ ভূৰবন্ধা সাহিত্য সভাৰ সোণালী জয়ন্তী উৎসৱ-গ্ৰন্থ মেলাৰ সামৰণি



## চেলেংহাটত শিৰোমণি সাংস্কৃতিক গোষ্ঠীৰ প্ৰথম প্ৰতিষ্ঠা দিৱস পালন

**চেলেংহাট, ৭ মাৰ্চ ঃ** জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি ভাওনাৰ প্ৰচাৰ-প্ৰসাৰ আৰু শুদ্ধ ৰূপত পৰিবেশনৰ বাবে যোৰহাট জিলাৰ চেলেংহাটৰ পৰা ২০১৯তে আত্মপ্ৰকাশ কৰা 'শিৰোমণি সাংস্কৃতিক গোষ্ঠীৰ' প্ৰথম দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কালি মাজুনগঞা গাঁওৰ নামঘৰত উদ্‌যাপন কৰে। পুৱাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানত ঊষা কীৰ্তনত আঁত ধৰে নামঘৰীয়া দ্বীপ গগৈয়ে। তাৰ পাছতে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে সমাজকৰ্মী প্ৰিয় গগৈ আৰু অৱনী কান্ত গগৈয়ে। অঞ্চলটোৰ ২০ জন জ্যেষ্ঠ ব্যক্তিৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰে য'ত এজনকৈ স্বেচ্ছাসেৱক, প্ৰতিপালক উদ্‌যাপন সমিতিয়ে নিযুক্তি দিয়ে। তাৰ পাছতে মাংগলিক নাম প্ৰসংগ হয়। দুপৰীয়া সমাজকৰ্মী কুশল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিধায়ক ৰূপজ্যোতি কুৰ্মী, হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাধৱ গগৈ, বহুকেইখন ভাওনা প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত থকা শিল্পী দিগন্ত শইকীয়া, দিহানাম ভাস্কৰ মুনিন বৰা, দিব্যধৰ ফুকন, ৰাতুল কুমাৰ গগৈ, পৰাগ গগৈ, ললিত গগৈ, অচ্যুত প্ৰসাদ গগৈ, তুষাৰ পাল, চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধা, সুনীল দত্তকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। নিশালৈ শিৰোমণি সাংস্কৃতিক গোষ্ঠীৰ সদস্যসকলৰ দ্বাৰা 'দানবীৰ ৰজা হৰিশ্চন্দ্ৰ' নাট প্ৰদৰ্শন কৰে।

## সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলন উদ্‌যাপন সমিতি গঠন

বিশেষ সংবাদদাতা
**ওদালগুৰি, ৭ মাৰ্চ ঃ** সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনে আগন্তুক ৬৫ সংখ্যক ৰঙালী বিহু উদ্‌যাপনৰ বাবে এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। সেই উপলক্ষে যোৱা পাঁচ মাৰ্চত ওদালগুৰি অনুৰাগ গোষ্ঠী ভৱনত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সাধাৰণ সভাত বিগত বৰ্ষত অনুষ্ঠিত ৬৪ সংখ্যক ৰঙালী বিহুৰ হিচাপ দাখিল কৰে তদানীন্তন যুটীয়া সাধাৰণ সম্পাদক অখিল কলিতাই। ইয়াৰ পাছতে আগন্তুক ৬৫ সংখ্যক ৰঙালী বিহু উদ্‌যাপনৰ বাবে এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। খগেন চৌধুৰীক সভাপতি আৰু অখিল কলিতাক কাৰ্যকৰী সভাপতি হিচাপে লৈ গঠন কৰা সমিতিখনত শশীমোহন দাস, নৰেন দাস, প্ৰমোদ বৈশ্য, তৰুণ চৌধুৰী, যতীন্দ্ৰ নাথ কৃষ্ণ দাস, গৌতমজ্যোতি তালুকদাৰ, সুচেন ওজা আৰু ফণী ওজাক উপদেষ্টা, ৰুবুল ওজা, নৱ ঠাকুৰীয়া, গগন লহকৰক উপ-সভাপতি, ধ্ৰুৱজ্যোতি শৰ্মা আৰু অজয় কলিতাক যুটীয়া সাধাৰণ সম্পাদক, দীপক ৰাজবংশী, পৰাগজ্যোতি বৈশ্য আৰু ৰাতুল দাসক সহকাৰী সাধাৰণ সম্পাদক, বিতোপন দাসক সাংস্কৃতিক সম্পাদক, কৃষ্ণ কলিতা, বিপুল লহকৰ আৰু নয়ন দাসক সহকাৰী সাংস্কৃতিক সম্পাদক, প্ৰচাৰ সম্পাদক অঞ্জনজ্যোতি শৰ্মা, ৰিপুঞ্জয় সূত্ৰধৰ আৰু কামনজ্যোতি তালুকদাৰ, কাৰ্যালয় সম্পাদক মঞ্জু তালুকদাৰ, তপন ৰাজবংশী, স্মৃতিগ্ৰন্থ সম্পাদক গৌতমজ্যোতি তালুকদাৰক লৈ বিহু উদ্‌যাপন সমিতিখন গঠন কৰা হয়। সমিতিখনে আগন্তুক ৰঙালী বিহু সুকলমে উদ্‌যাপনৰ বাবে সকলোৰে দিহা-পৰামৰ্শ কামনা কৰে।

## আমগুৰি কলেজত আজি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ গীতে-মাতে এদিন

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ৭ মাৰ্চ ঃ** বৃহত্তৰ আমগুৰি একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আমগুৰি মহাবিদ্যালয়ৰ বাকৰিত কাইলৈ দিনৰ ১০ বজাৰ পৰা দিনজোৰা কাৰ্যসূচীৰে 'গীতে-মাতে-নাচে এদিন' শীৰ্ষক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। ১৯৬৭ৰ ১৭ জুলাইত আমগুৰিৰ মহান তথা শিক্ষানুৰাগী ব্যক্তিসকলৰ অক্লান্ত শ্ৰম তথা ত্যাগৰ বিনিময়ত প্ৰতিষ্ঠা লাভ কৰি পৰৱৰ্তী সময়ত জীপাল হৈ উঠা এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰি সোণসেৰীয়া স্মৃতি সজীৱ কৰি ভৱিষ্যতৰ দিশে বাট বুলিছে। মহাবিদ্যালয়খনৰ এই গৌৰৱোজ্জ্বল যাত্ৰাৰ অংশীদাৰ হৈ পৰিছে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল। সেয়েহে উক্ত দিনটোত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আপোন মহাবিদ্যালয়খনলৈ আহি গীতে-মাতে-নাচে এটা দিন উপভোগ কৰি মহাবিদ্যালয়ৰ বাকৰি মুখৰিত কৰিবলৈ মহাবিদ্যালয় পৰিয়ালে আহ্বান জনাইছে। ইয়াৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যবান তথ্যৰাজি সংগ্ৰহ তথা সংৰক্ষিত কৰাৰো ব্যৱস্থা কৰা হৈছে।

# নগৰবেৰাত ছয় লক্ষাধিক ব্যয় কৰি ৰাইজে নিৰ্মাণ কৰিলে পথ



**আলোপতি, ৭ মাৰ্চ ঃ** চৰকাৰ কিম্বা জনপ্ৰতিনিধিৰ মুখলৈ বাট নাচাই নগৰবেৰাত ছয় লক্ষাধিক টকা ব্যয় কৰি ৰাইজে নিৰ্মাণ কৰিলে পথ। কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰাৰ মিলনপুৰ গাঁৱৰ একমাত্ৰ পথছোৱা বছৰ বছৰ ধৰি যাতায়াতৰ অনুপযোগী হৈ থকাত যাতায়াতৰ নামত যমৰ যাতনা ভুগি আহিছে অঞ্চলবাসীয়ে। প্ৰতিটো নিৰ্বাচনৰ সময়ত ভোট ভিক্ষা কৰিবলৈ গৈ পথছোৱা নিৰ্মাণৰ আশ্বাস দিলেও নিৰ্বাচন পাৰ হোৱাৰ পাছত এদিনো খবৰ নল'লে গাঁওবাসীৰ। জনপ্ৰতিনিধিয়ে এই ক্ষেত্ৰত ন্যূনতম গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে গাঁৱৰ ৰাইজে। উপায়ান্তৰ হৈ আজি গাঁৱৰ ৰাইজে হাতে হাতে কোৰ পাচি লৈ নিজেই নিৰ্মাণ কৰিলে পথ। গাঁওখনৰ প্ৰতিটো পৰিয়ালৰ পৰা ধন সংগ্ৰহ কৰি নিৰ্মাণ কৰিলে পথছোৱা। ছয় লক্ষাধিক টকা ব্যয় কৰি নিৰ্মাণ কৰিলে উক্ত পথ। যি সময়ত ৰাজ্যৰ উন্নয়ন হোৱা বুলি চৰকাৰী পক্ষই ঢাক-ঢোল বজাইছে সেই সময়তে মিলনপুৰ গাঁওবাসীয়ে লক্ষাধিক টকা ব্যয় কৰি নিজেই পথ নিৰ্মাণ কৰাটো চৰ্চা লাভ কৰিছে। এয়াই চৰকাৰী উন্নয়নৰ নমুনা নেকি বুলি ক্ষোভ ব্যক্ত কৰিছে মিলনপুৰ গাঁওবাসীয়ে। উল্লেখ্য যে সামান্য বৰষুণ দিলে জোতা, ছেণ্ডেল হাতত লৈ যাতায়াত কৰিবলগীয়া হয় ৰাইজে। গাঁওখনত থকা স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকল অতি কষ্টৰে অহা-যোৱা কৰিবলগীয়া হয়। স্থানীয় ৰাইজে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# আজাৰা ৰঙালী বিহুৰ কাৰ্যালয় উদ্বোধন



অগ্ৰদূত বাৰ্তা

**আজাৰা, ৭ মাৰ্চ ঃ** ৰাজ্যৰ অতি পুৰণি বিহু সন্মিলনী আজাৰা ৰঙালী বিহু সন্মিলনীৰ কাৰ্যালয় কালি সন্ধিয়া উদ্বোধন কৰা হয়। আজাৰা ৰাজহুৱা সভাঘৰ প্ৰাংগণত কাৰ্যালয়টো উদ্বোধন কৰে ৬৪ সংখ্যক আজাৰা ৰঙালী বিহু সন্মিলনীৰ সভাপতি বিনয় কুমাৰ বৰুৱাই। ইয়াৰ পূৰ্বে মুখ্য উপদেষ্টা অমিয় কুমাৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰে। এই উপলক্ষে ৬৪ সংখ্যক আজাৰা ৰঙালী বিহু সন্মিলনীৰ অন্যতম সম্পাদক ভৰেশ দাসে আঁতধৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি সভাপতি বিনয় কুমাৰ বৰুৱাই আজাৰা ৰঙালী বিহুৰ পূৰ্বৰ খ্যাতি অক্ষুণ্ণ ৰখাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। উল্লেখ্য যে এই বেলি আজাৰা ৰঙালী বিহু অহা ১৪ এপ্ৰিলৰ পৰা পাঁচদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

# ৰূপালীম একাংকিকা নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট্যদল 'বনচাই'

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৭ মাৰ্চ ঃ** লংকেশ্বৰ দাস স্মৃতি ন্যাসৰ উদ্যোগত আৰু হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সহযোগত যোৱা পাঁচ আৰু ছয় মাৰ্চত অনুষ্ঠিত সদৌ অসম ভিত্তিত তৃতীয় বাৰ্ষিক শশাংক দাস কলিতা সোঁৱৰণী ৰূপালীম একাংকিকা নাট প্ৰতিযোগিতাত বোকাখাতৰ নব্য নাট্যকৰ্মীৰ 'বনচাইক' শ্ৰেষ্ঠ নাট্যদলৰ সন্মানৰে বিভূষিত কৰে। দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল 'জ্যোতি শিল্প' নগাঁৱৰ 'ত্ৰাহি দেৱ দামোদৰ' আৰু তৃতীয় শ্ৰেষ্ঠ নাট্যদল অসম নাট্য সন্মিলন কলিয়াবৰৰ 'সংলাপ'ক সন্মানিত কৰে। আনহাতে, মঙলদৈৰ 'জেংৰাইৰ ডিগনিটি অৱ লেবাৰ'ক শ্ৰেষ্ঠ পাণ্ডুলিপি, বোকাখাতৰ ৰাতুল ফুকনক শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠা অভিনেত্ৰী নীমামণি কলিতা (দৈৱকী, জেংৰাই) শ্ৰেষ্ঠ সহকাৰী অভিনেত্ৰী শিল্পীকা গোস্বামী (জোনাকী, জ্যোতি শিল্প নগাঁও) শ্ৰেষ্ঠ অভিনেতা কিশোৰ পাঠক (চলিহা, ১৩ পৃষ্ঠাত চাওক

# কানৈ বাণিজ্য মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিশু নাট্য কৰ্মশালাৰ আৰম্ভণি

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৭ মাৰ্চ ঃ** আজিৰে পৰা ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ছয় ৰ পৰা ১৫বছৰ বয়সৰ মুঠ ৩০ গৰাকী শিশুৰ অংশগ্ৰহণেৰে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰৰ সভাকক্ষত সপ্তাহজোৰা ৰাষ্ট্ৰীয় শিশু থিয়েটাৰ কৰ্মশালা আৰম্ভ হৈছে। মহাবিদ্যালয়খনৰ 'আভ্যন্তৰীণ গুণগত মানদণ্ড নিশ্চয়তা কোষ'ৰ সহযোগিতাত আয়োজিত কৰ্মশালাখন উদ্বোধন কৰে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ ২০১৯-২০ বৰ্ষৰ চিনিয়ৰ ফেল'শ্বিপপ্ৰাপক নাট্যকৰ্মী ডজ্ঞ নীলিম চেতিয়াই। উক্ত কৰ্মশালাখন উদ্বোধন কৰি তেওঁ কয়, 'অভিনয় এটা ভাষা। আমি যিকোনো ভাষা শিকিবলৈ কষ্ট কৰিব লাগে। অভিনয়ৰ ভাষা শিকিবলৈও তৃষ্ণাৰ লগতে একাগ্ৰতাৰ প্ৰয়োজন।' তেওঁ লগতে কয়, সপ্তাহজোৰা কৰ্মশালাৰ জৰিয়তে শিশুসকলে থিয়েটাৰ কলাৰ কেইটামান মৌলিক বিষয়ৰ সামান্যহে শিকিব বুলি আশা কৰিব পাৰি। কিন্তু ইয়াক এক অনুৰাগ তথা কেৰিয়াৰ হিচাপে গ্ৰহণ কৰিবলৈ তেওঁলোকে ১৩ পৃষ্ঠাত চাওক

# ১২ মাৰ্চৰ পৰা অসম কৃষি বিশ্ববিদ্যালয়ত আঞ্চলিক কৃষি মেলা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৭ মাৰ্চ ঃ** উত্তৰ-পূৰ্বাঞ্চল ভিত্তিক আঞ্চলিক কৃষি মেলা ২০২২ তিনিদিনীয়া কাৰ্যসূচীৰে অহা ১২ৰ পৰা ১৪ মাৰ্চলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদত অনুষ্ঠিত হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ লগতে ছিকিমৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া মেলাত কৃষক, কৃষি আনুষংগিক ক্ষেত্ৰৰ লগত জড়িত উদ্যোগীয়ে অংশগ্ৰহণ কৰিব। ১২ মাৰ্চৰ দিনৰ ১১ বজাত মেলা মুকলি কৰিব কৃষিমন্ত্ৰী অতুল বৰাই। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, লোকসভাৰ সাংসদ তপন কুমাৰ গগৈ, নাবাৰ্ডৰ চেয়াৰমেন ড° জি আৰ চিণ্টালা আৰু ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ অতিৰিক্ত আয়ুক্ত ড° ৰাই আৰ মিনাই অংশগ্ৰহণ কৰিব। মেলা আয়োজক সমিতিৰ সচিব তথা বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকে কয় যে মেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া প্ৰদৰ্শনীত অসম কৃষি বিশ্ববিদ্যালয়ৰ লগতে কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয় ইম্ফল, বৰাপানী ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ উত্তৰ-পূব পাৰ্বত্য কেন্দ্ৰ, আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠান, ৰাজ্যিক কৃষি বিভাগ, ৰাজ্যিক উদ্যান শস্য বিভাগ, কেন্দ্ৰীয় এৰী মুগা গৱেষণা প্ৰতিষ্ঠান, টোকোলাই চাহ গৱেষণা কেন্দ্ৰ, বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান আৰু উত্তৰ-পূব ১৩ পৃষ্ঠাত চাওক

# সোৱণশিৰি সেৱাশ্ৰমৰ সোণালী জয়ন্তী বৰ্ষ অনুষ্ঠানৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৭ মাৰ্চ ঃ** সোৱণশিৰি সেৱাশ্ৰমৰ সোণালী জয়ন্তী বৰ্ষ পূৰ্তি উপলক্ষে অহা ১১ মাৰ্চত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি আৰু প্ৰাক্তন মুক্তিযোদ্ধা প্ৰয়াত মহানন্দ বৰাৰ স্মৃতি তোৰণ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তদুপৰি মহানন্দ বৰা মেম'ৰিয়েল সোৱণশিৰি সেৱাশ্ৰম পিজিটি ইনষ্টিটিউটৰ আধাৰশিলা স্থাপন কৰা হ'ব। উক্ত দিনা দুপৰীয়া ১১ বজাত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ সকলোৰে উপস্থিতি সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তা মণ্ডলীয়ে।

# দেওমৰনৈ বি এড মহাবিদ্যালয়ৰ ন-পুৰণি সতীৰ্থ সন্মিলন

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ৭ মাৰ্চ ঃ** দৰং জিলাৰ দেওমৰনৈ বি এড মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী সমাজৰ উদ্যোগত ২০২১-২২ শিক্ষাবৰ্ষৰ ন-পুৰণি সতীৰ্থ সন্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা আঠ বজাত মহাবিদ্যালয়খনৰ অধ্যক্ষা চাৰুস্মিতা মহন্তই মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠানত স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে দেওমৰনৈ বি এড মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ভৰকান্ত কলিতাই, ছহিদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়াই, প্ৰাচীৰ পত্ৰিকা নীহাৰিকা উন্মোচন কৰে দেওমৰনৈ স্নাতক মহাবিদ্যলয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা অনিতা দেৱীয়ে। ইয়াৰ পাছত নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ আদৰণি অনুষ্ঠান আৰু বি এড মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ লগতে ন-পুৰণি সতীৰ্থ সন্মিলনৰ বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰে। কাৰ্যসূচীৰ আঁতধৰা মহাবিদ্যালয়ৰ তত্ত্বাৱধায়ক তথা অধ্যাপক ভাস্কৰ চহৰীয়াই। দেওমৰনৈ বি এড মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী তথা শ্ৰেণী অধিনায়ক ক্ৰমে জ্ঞানদ্বীপ বৰুৱা, বিপুল ছেত্ৰী, চুমী হাজৰিকা, জিলি ডেকা আদিয়ে ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায়।

# চেঙামাৰীত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন বিধায়কৰ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ/চতিয়া, ৭ মাৰ্চ ঃ** চতিয়া সমষ্টিৰ অন্তৰ্গত চেঙামাৰীত সোমবাৰে এটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। বালিজুৰি আৰু চেঙামাৰী অঞ্চলৰ দীৰ্ঘদিনীয়া ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনায় অসমৰ মুখ্যমন্ত্ৰীয়ে চেঙামাৰীত এখন চিকিৎসালয় নিৰ্মাণৰ কথা ঘোষণা কৰিছিল আৰু সেই ঘোষণা অনুসৰিয়েই আজি চতিয়াৰ বিধায়ক হাজৰিকাই এই আধাৰশিলা অনুষ্ঠিত কৰে। আধাৰশিলা স্থাপন কৰি বিধায়ক হাজৰিকাই কয়, 'এতিয়াৰে পৰা এই অঞ্চলৰ ৰাইজৰ সমস্যা দূৰ হ'ব। এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সকলোশ্ৰেণী ৰাইজে জৰুৰী সেৱা লাভ কৰিব পাৰিব। আধাৰশিলা অনুষ্ঠানত অংশগ্ৰহণ কৰে চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰাৰ লগতে পঞ্চায়তৰ কৰ্মকৰ্তাসকল।

# জয়া গগৈ কলেজত নাকৰ সংশোধিত মূল্যায়ন পদ্ধতিৰ সন্দৰ্ভত কৰ্মশালা



**খুমটাই, ৭ মাৰ্চ ঃ** গোলাঘাট জিলাৰ খুমটাইৰ একমাত্ৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান খুমটাইৰ জয়া গগৈ মহাবিদ্যালয়ৰ উদ্যোগত আৰু মেলামৰা কলেজৰ সহযোগত খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'নাকৰ সংশোধিত মূল্যায়ন আৰু প্ৰত্যায়ন পদ্ধতি' শীৰ্ষক বিষয়ৰ ওপৰত এখন মনোজ্ঞ কৰ্মশালা অনুষ্ঠিত হয়। পুৱা বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমিয় কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়োৱা কৰ্মশালা সঞ্চালনা কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ সহযোগী অধ্যাপক ড° চন্দন শৰ্মাই। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চয়তা কোষৰ সমন্বয়ক ড° অনন্ত গগৈয়ে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা আৰু বোকাখাত জেডিএছজি কলেজৰ অধ্যক্ষ ড° জয়ন্ত গগৈয়ে উদ্বোধন কৰা কৰ্মশালাত সমল ব্যক্তিৰূপে সাৰগৰ্ভ বক্তব্য আগবঢ়ায় দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে একক কলেজ হিচাপে ইয়াৰ ১৩ পৃষ্ঠাত চাওক

# মেৰাপানীত চিআৰপিএফৰ সজাগতা সমদল

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৭ মাৰ্চ ঃ** মেৰাপানীৰ অসম-নগালেণ্ড সীমান্তত নিয়োজিত নিৰপেক্ষ বাহিনী চিআৰপিএফৰ ১৪২ নম্বৰ বেটেলিয়নৰ উদ্যোগত আজি এক সজাগতা সমদল উলিওৱা হয়। বিশেষকৈ ড্ৰাগছ নিৰ্মূল, প্লাষ্টিকৰ অপকাৰিতা, স্ত্ৰী শিক্ষাৰ প্ৰসাৰ আদি বিষয়ত ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে চিআৰপিএফে গ্ৰহণ কৰে এই বিশেষ উদ্যোগ। মেৰাপানীস্থিত চিআৰপিএফ ছাউনীৰ পৰা মেৰাপানী টাউনৰ মাজেৰে উলিওৱা সমদলটোত প্ৰায় শতাধিক চিআৰপিএফৰ জোৱানে হাতে হাতে সজাগতামূলক প্লেকাৰ্ড লৈ ৰাইজৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা চলায়। উল্লেখ্য যে অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলটোত ড্ৰাগছৰ অবাধ প্ৰচলন ৰোধৰ বাবে চিআৰপিএফে কঠোৰ অভিযান অব্যাহত ৰখাৰ লগতে সজাগতামূলক কাৰ্যসূচীও গ্ৰহণ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে।

# ছয়গাঁৱত বৰটোকোলা সংৰক্ষণ কৰিবলৈ ওলাই আহিল প্ৰকৃতিপ্ৰেমী

## ■ পাঁচগৰাকী বৰটোকোলা মিত্ৰক সম্বৰ্ধনা



**ছয়গাঁও, ৭ ফেব্ৰুৱাৰী ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত ছয়গাঁৱৰ সমীপৰ ঠাকুৰপাৰা গাঁৱত আজি হৰিধ্বনি আৰু ঈশ্বৰৰ নামত বন্তি প্ৰজ্বলন কৰি দুষ্প্ৰাপ্য বৰটোকোলা সংৰক্ষণ কৰাৰ বাবে এজাক প্ৰকৃতিপ্ৰেমী লোক উপস্থিত হয়। বৰটোকোলা চৰাইৰ বাহ থকা ঠাকুৰপাৰা অঞ্চলত উপস্থিত হয় গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মন আৰু পশ্চিম কামৰূপ বন সংমণ্ডলৰ ডিএফঅ' ডিম্পী বৰাসহ কে'বাটাও প্ৰকৃতিপ্ৰেমী সংগঠন। বৰটোকোলা চৰাইক কেনেকৈ সুৰক্ষিত কৰি ৰাখিব পাৰি তাৰ ওপৰত আয়োজন কৰা সভা পৰিচালনা কৰে ধোদাঙৰ সদস্য কমল শৰ্মাই। গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মন আৰু পশ্চিম কামৰূপ বন সংমণ্ডলৰ ডিএফঅ' ডিম্পী বৰাই বৰটোকোলা চৰাই সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। ছয়গাঁৱৰ সমাজকৰ্মী দেৱজিৎ কলিতা, গাঁওবুঢ়া কৃষ্ণ কলিতা, বন বিষয়া ধৰ্মেন্দ্ৰ বৰুৱা, ধোদাঙৰ সদস্য বনজ্যোতি নাথ, ঋতু কলিতা, হীৰকজ্যোতি দাস, সাংবাদিক গিৰিন্দ্ৰ কলিতা, ভগৱান দাস, প্ৰশিক্ষাৰ্থী বৰষা ৰাণী দাস, কৰিশ্মা দাসে উপস্থিত থাকি ভাষণ প্ৰদানৰ পাছতে ৰাইজে বৰটোকোলা সংৰক্ষণৰ বাবে ১৩ পৃষ্ঠাত চাওক

# 'অসম লেখিকা সমাজ'ৰ আত্মপ্ৰকাশ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৭ মাৰ্চ ঃ** 'শিৱসাগৰ লেখিকা সমাজ' অনুষ্ঠানতো উত্তৰণ ঘটাই 'অসম লেখিকা সমাজ' নামেৰে আত্মপ্ৰকাশ কৰিছে। শিৱসাগৰ লেখিকা সমাজৰ সভানেত্ৰী দীপ্তিময়ী বুঢ়াগোহাঁই গগৈৰ সভাপতিত্বত অলপতে ফুলপানীছিগা মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত সাধাৰণ সভাত গ্ৰন্থ প্ৰকাশন সমিতিৰ সম্পাদিকা যোগমায়া সন্দিকৈ শইকীয়াই কৰা প্ৰস্তাৱ সৰ্বসন্মতি প্ৰদান কৰি সভাই এই সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাত বিজু বৰঠাকুৰৰ সম্পাদনাত সংস্কৃতি সম্পাদিকা ৰূপালী বৰকটকী, প্ৰচাৰ বিভাগৰ ৰাজশ্ৰী দুৱৰা আৰু বন্যাশ্ৰী নেওগৰ সহযোগত 'সৃষ্টিকা' নামেৰে এখন তিনিমহীয়া আলোচনী প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি অহা ২২ মে'ত 'শিৱসাগৰ লেখিকা সমাজ'ৰ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰাৰ এক সিদ্ধান্ত লয়। উক্ত অধিবেশনত সদৌ অসম ভিত্তিত স্বৰচিত কবিতা আবৃত্তি আৰু বিয়ানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব বুলি সদৰী কৰিছে লেখিকা সমাজৰ সচিব প্ৰধান জুনুমণি গগৈয়ে।

# ৰঙিয়া জিলা শিক্ষক সংস্থাৰ সাধাৰণ সভা



অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ৭ মাৰ্চ ঃ** হাইস্কুল শিক্ষক সংস্থাৰ অন্তৰ্গত ৰঙিয়া জিলা হাইস্কুল শিক্ষক সংস্থাৰ এখন সাধাৰণ সভা আজি জৱাহৰলাল নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুস্থিত হয়। কামৰূপ জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক জল্টিৰাম হাইস্কুলৰ প্ৰধান শিক্ষক ৰফিকুদ্দিন আহমেদৰ সভাপতিত্বত অনুস্থিত সভাত ৰাজ্যিক সমিতিৰ সম্পাদক আনোৱাৰ হুছেইনে বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰি সাম্প্ৰতিক সময়ত শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে ব্যাখ্যা কৰে। ভেঞ্চাৰ বিদ্যালয় প্ৰাদেশিকীকৰণ, এনপিএছ, ৰিমছ সম্পৰ্কে বিশিষ্ট অতিথিয়ে সবিস্তাৰে আগবঢ়ায়। সভাত ৰাজ্যিক উপ-সভাপতি সুনন্দ কলিতা, ৰাজ্যিক শিক্ষা সম্পাদক ফজল আলি খান, প্ৰাক্তন সভাপতি প্ৰবীন কুমাৰ বড়ো, হংসধৰ শৰ্মা, প্ৰাক্তন ৰাজ্যিক সদস্য চক্ৰধৰ নাথ, শিক্ষা সম্পাদক দীগেন কলিতাই বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে। সভাত বিদায়ী সভাপতি প্ৰবীন কুমাৰ বড়ো আৰু জিলা শিক্ষক বঁটা প্ৰাপ্ত কনককৃষ্ণ ভট্টক সম্বৰ্ধনা জনোৱা হয়। সভাত কে'বাটাও প্ৰস্তাৱ লোৱাৰ লগতে জৱাহৰলাল নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গোলোক মহন্তক সভাপতি আৰু মোহন মাধৱ বৰ্মনক সম্পাদক আৰু প্ৰদীপ দাস, কনককৃষ্ণ ভট্ট, ভবেশ নাথক সদস্য হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।

# বৰছলাৰ শিঙৰী বনাঞ্চলৰ সমীপত ঢেঁকীয়াপতীয়া বাঘৰ মুক্ত বিচৰণ

## ■ কে'বাটাও পশুধন নিধন ঃ নিৰ্লিপ্ত বন বিভাগ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৭ মাৰ্চ ঃ** শোণিতপুৰৰ শিঙৰী সংৰক্ষিত বনাঞ্চলৰ দাঁতিকাষৰীয়া ধিৰাইমাজুলীৰ ধিৰাইলাইন, ধিৰাইমুখ আৰু শিঙৰী চাহ বাগিচা অঞ্চলত বিগত এমাহ ধৰি এটা ঢেঁকীয়াপতীয়া বাঘৰ সন্ত্ৰাস অব্যাহত আছে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা ঢেকীয়াপতীয়া বাঘে ত্ৰাসৰ সৃষ্টি কৰিছে অঞ্চলটোত। ইতিমধ্যে বাঘটোৱে অঞ্চলটোত ৩০ টাৰো অধিক পশুধন নিধন কৰিছে। বাঘৰ মুক্ত বিচৰণে অঞ্চলটোত ৰাইজৰ মাজত আতংক সৃষ্টি কৰাৰ লগতে, মানুহৰ জীৱন আৰু ঘৰচীয়া গৰু-ছাগলীৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই বিষয়ত স্থানীয় ৰাইজে বন বিভাগক বাৰম্বাৰ অৱগত কৰাৰ পাছতো বন বিভাগে আজিলৈকে বাঘটো পিঞ্জৰাবদ্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহন কৰা নাই। নীৰৱ হৈ আছে বন বিভাগ। শিঙৰী বনাঞ্চলত বাঘে বিচৰণ কৰা সন্দৰ্ভত বনবিভাগ যদিও কেবল ৰাইজক সতৰ্কতা জাৰি কৰিয়েই দায়িত্ব সামৰিছে বিভাগে। ঠায়ে ঠায়ে বেনাৰ প'ষ্টাৰ আৰিয়েই দায়িত্ব সামৰিছে। বাঘটোক পিঞ্জৰাবদ্ধ কৰিবলৈ বাৰম্বাৰ দাবী জনোৱাৰ পাছতো বন বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ নকৰাত ক্ষোভিত হৈ পৰিছে স্থানীয় লোকসকল। শীঘ্ৰে বাঘৰ সন্ত্ৰাসৰ পৰা মুক্ত কৰিবলৈ বন বিভাগক দাবী জনাইছে ৰাইজে।

# ডুমডুমাত যান-জঁটৰ সমস্যাই অতিষ্ঠ কৰিছে ৰাইজক

**ডুমডুমা, ৭ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাত পদপথ বেদখল কৰি ব্যৱসায় কৰাৰ ফলত যান-জঁটৰ সৃষ্টি হৈছে। ইয়াৰ পাছতো ডুমডুমা আৰক্ষী প্ৰশাসন বা যানবাহন আৰক্ষীয়ে আজিকোপতি গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। নগৰখনত পদপথ বেদখলৰ ক্ষেত্ৰত সকলো পক্ষৰ নিৰ্লিপ্ততাৰ বাবে ব্যৱসায়িক মহলে ৰাষ্ট্ৰীয় ঘাইপথলৈকে ব্যৱসায় সম্প্ৰসাৰণ কৰাত ৰাইজ সমস্যাৰ সন্মুখীন হৈছে। ডুমডুমা নগৰত পথলৈকে গেৰেজ স্থাপন কৰি বাহনৰ মেৰামতি কৰি আহিছে। নগৰখনৰ ঊষা মাটিৰ সমীপৰ পৰা মটৰ চাইকেলৰ মেৰামতি কৰাৰ ফলত যান-জঁটৰ সৃষ্টি হৈছে। আনহাতে, য'তে-ত'তে যানবাহন ৰখোৱাৰ ফলতো নগৰখনত সমস্যাৰ সৃষ্টি কৰিছে। বিষয়টোৰ ক্ষেত্ৰত ডুমডুমা আৰক্ষীৰ নিষ্ক্ৰিয় ভূমিকাও ৰহস্যজনক বুলি ৰাইজে অভিযোগ কৰিছে। ৰাইজে ডুমডুমা আৰক্ষীৰ ভূমিকাক সমালোচনা কৰিছে। এই ক্ষেত্ৰত শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# নলবাৰীত ১২ মাৰ্চত ৰাষ্ট্ৰীয় লোক আদালত

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৭ মাৰ্চ ঃ** দেশৰ সকলো ঠাইৰ লগতে নলবাৰী জিলাতো অহা ১২ মাৰ্চত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰা হ'ব। নলবাৰী জিলাৰ বিভিন্ন আদালতত বিচাৰাধীন আপোচযোগ্য ফৌজদাৰী গোচৰ, অৰ্থকে ধৰি অন্যান্য দেৱানী গোচৰ, পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনা সম্বন্ধীয় গোচৰ, লোন সম্বন্ধীয় গোচৰ, এন আই আইনৰ অধীনত গোচৰ, ৰাজহুৱা উপযোগিতা সেৱা বিষয়ক গোচৰ ইত্যাদি গোচৰ এই লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। ৰাইজৰ সুবিধাৰ্থে আগতীয়াকৈ শুনানিৰো ব্যৱস্থা কৰা হৈছে বুলি আইন সেৱা প্ৰাধিকৰণ, নলবাৰীয়ে সদৰী কৰিছে। কম খৰচী এই লোক আদালতত অংশগ্ৰহণ কৰি খৰতকীয়াকৈ গোচৰ নিষ্পত্তিৰ সুযোগ লাভ কৰিবলৈ আইন সেৱা প্ৰাধিকৰণ, নলবাৰীয়ে লোক আদালতৰ জাননী পোৱা সকলো লোকক আহ্বান জনাইছে।

# ৰংদৈত অসম শিশু ভাওনা সমাৰোহৰ সামৰণি

## ■ শ্ৰেষ্ঠ ভাওনা দল টীয়কৰ 'ৰাম পৰাজয় সীতা পাতাল গমন'

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৭ মাৰ্চ ঃ** যোৰহাট জিলাৰ ৰংদৈ দ'গাওবাসীৰ সহযোগত অনুষ্ঠিত সদৌ অসম শিশু ভাওনা সমাৰোহৰ কালি সামৰণি পৰে। সাতদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শিশু ভাওনা প্ৰতিযোগিতাত অসমৰ বিভান্ন প্ৰান্তৰ শিশু ভাওনা দলসমূহে যোগদান কৰে। শিশুসকলে প্ৰদৰ্শন কৰা ভাওনাসমূহৰ ভিতৰত অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত ভাওনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি খিতাপ অৰ্জন কৰা টীয়ক মৰিজাঁজীৰ মনিকূট নাট্যগোষ্ঠী 'ৰাম পৰাজয় সীতা পাতাল গমন' ভাওনাই প্ৰথমস্থান লাভ কৰি নগদ ধনসহ মানপত্ৰ, শ্ৰেষ্ঠ ৰূপসজা, শ্ৰেষ্ঠ পৰিচালকৰ লগতে বহু কেইটা বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। দ্বিতীয় শ্ৰেষ্ঠ দলৰূপে বিবেচিত হয়। বালিচাপৰি সম্পিতী নাট্যগোষ্ঠীয়ে প্ৰদৰ্শন কৰা নাটক 'দানবীৰ ৰজা হৰিচন্দ্ৰ'। তৃতীয় শ্ৰেষ্ঠ দল যুগ্মভাৱে দুলীয়াজান আলোক সমন্বয় নাট্যগোষ্ঠী 'বিপ্ৰদামোদৰ আখ্যান' আৰু ডুমডুমা প্ৰয়াস নাট্যগোষ্ঠীৰ 'দক্ষ যজ্ঞ'ই লাভ কৰে। তদুপৰি প্ৰথম শ্ৰেষ্ঠ সূত্ৰ 'সাবিত্ৰী সত্যবান' ভাওনাৰ নৈবদ্য নাথ, দ্বিতীয় সূত্ৰ কুম্ম অৱতাৰৰ গৌৰৱ প্ৰতীম বৰা, তৃতীয় স্থান দান বিৰ ৰাজা হৰিচন্দ্ৰ ভাওনাৰ সূত্ৰ আয়ুস্মান শইকীয়াই লাভ কৰে। শ্ৰেষ্ঠ ভগৱানৰ চৰিত্ৰত টীয়ক মৰিজাঁজীৰ মনিকূট নাট্যগোষ্ঠী 'ৰাম পৰাজয়', 'সীতা পাতাল গমন' নাটকত ৰামৰ ভাওত দুদান্ত অভিনয়েৰে দৰ্শকৰ মন জয় কৰা অংশুমান বৰাই প্ৰথম স্থান লাভ কৰে। একেদৰে প্ৰথম শ্ৰেষ্ঠ অভিনেতা (দশৰথ) ৰংগ কিশোৰ মহন্ত, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা (হৰিচন্দ্ৰ) প্ৰীতম বৰা, তৃতীয় শ্ৰেষ্ঠ অভিনেতা (দক্ষ) ঋতুস্নান শইকীয়াই লাভ কৰে। প্ৰথম শ্ৰেষ্ঠ স্ত্ৰী চৰিত্ৰত সীতা অভিনয়ত প্ৰাণ স্পৃহা শইকীয়া, দ্বিতীয় সাবিত্ৰী চৰিত্ৰত অৰ্চিতা কৌশিক, প্ৰথম পাৰ্শ্ব পুৰুষ চৰিত্ৰ (শালৰ্ব) ত্ৰিৰ্নাভ শইকীয়া, দ্বিতীয় পাৰ্শ্ব পুৰুষ চৰিত্ৰত (লক্ষণ) অভিলাষ অনুভৱ নাথ, তৃতীয় স্ত্ৰী চৰিত্ৰত (অন্ধা) গুনগুন ১৩ পৃষ্ঠাত চাওক



# দুনী-দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুনী, ৭ মাৰ্চ ঃ** দুনী-দিপীলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এখন সাধাৰণ সভা কালি দুনী নিবাসী ইন্দ্ৰ কান্ত শৰ্মাৰ বাসগৃহত অনুষ্ঠিত হয়। সন্মিলনৰ জ্যেষ্ঠ সদস্য সুৰেন্দ্ৰ দেৱশৰ্মাই মংগলাচৰণৰে আৰম্ভ কৰা সভাখন সঞ্চালনা কৰে সন্মিলনৰ সভাপতি দেৱীৰাম নাথে। সন্মিলনৰ সম্পাদক গোপাল কৃষ্ণ চমুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত প্ৰাক্তন সভাপতি ৰবীন কুমাৰ ডেকা, উপ-সভাপতি মাণিক ডেকা, দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰধান সম্পাদক হৰি চন্দ্ৰ শৰ্মা প্ৰমুখ্যে কে'বাজনো জ্যেষ্ঠ নাগৰিক উপস্থিত থাকি সন্মিলনৰ সাংগঠনিক দিশৰ লগতে আগন্তুক দ্বিবাৰ্ষিক অধিবেশনখন অহা ১০ এপ্ৰিলৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গভৰা দলংঘাটত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাত আহ্বায়ক পৰিয়ালৰ তৰফৰ পৰা কে'বাজনো বিষয়ববীয়াক ফুলাম গামোচাৰে আদৰণি জনায়। শতাধিক জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিত অনুষ্ঠিত সভাত কে'বাজনো সদস্য-সদস্যাই স্বৰচিত কবিতা, ৰস ৰচনা আদি পাঠ কৰি সভাৰ সৌষ্ঠৱ বৰ্ধন কৰে।


**আহোম জাতীয় গণ মঞ্চৰ সভা সম্পন্ন**

## জনজাতিকৰণৰ দাবীত আন্দোলনৰ সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**

**মাহমৰা, ৭ মাৰ্চ ঃ** আহোম জাতীয় গণ মঞ্চৰ এখন গুৰুত্বপূৰ্ণ সভা যোৱা ছয় মাৰ্চত মাহমৰাৰ কাকতিবাৰী জয়াপাৰা বালিকা মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক থুলেন্দ্ৰ নাথ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আহোম জাতীয় গণ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মহেন্দ্ৰ দিহিঙীয়া, উপদেষ্টা পুণেশ্বৰ দিহিঙীয়া, মণিদীপ মহন, শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি তপন চেতিয়া, সাংগঠনিক সম্পাদক দীপু দিহিঙীয়া আদিয়ে অংশ লয়। সভাই শীঘ্ৰে জনজাতিকৰণৰ লগতে অসমক জনজাতীয় ৰাজ্যৰ মৰ্যাদা প্ৰদানৰ দাবীত তীব্ৰ গণ আন্দোলনৰ কাৰ্যসূচী ল'বলৈও সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, উক্ত সভাতে প্ৰশান্ত ভদ্ৰ বৰাক সভাপতি, গিৰিন ফুকনক উপ-সভাপতি, কৃষ্ণ দুৱৰীক সম্পাদক, ৰূপজ্যোতি গগৈক সহকাৰী সম্পাদক, উমেশ বুঢ়াগোহাঁই আৰু বিকাশ চাংমাইক সাংগঠনিক সম্পাদকৰূপে লৈ এখন ৩১ জনীয়া আহোম জাতীয় গণ মঞ্চৰ চৰাইদেউ জিলা সমিতিখন গঠন কৰা হয়।

## বৰপলহা শিৱ মন্দিৰৰ মূল তোৰণ মুকলি



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৭ মাৰ্চ ঃ** কামৰূপ জিলাৰ বৰপলহাত আজি ৰাজহুৱা শিৱ মন্দিৰৰ মূল তোৰণ উন্মোচন কৰা হয়। তোৰণ উন্মোচন কৰে সমাজকৰ্মী বলোৰাম বৰুৱাই। কামৰূপ জিলাৰ বেজেৰা গাঁৱৰ সমাজকৰ্মী বলোৰাম বৰুৱাই এই তোৰণখন নিৰ্মাণ কৰি তেওঁৰ মাতৃ কাঞ্চন বৰুৱাৰ স্মৃতিত আজি বৰপলহাবাসী ৰাইজক উছৰ্গা কৰে। তোৰণ উন্মোচনৰ পাছতে বৰপলহা শিৱ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত এখন সভাত বৰপলহাবাসী ৰাইজৰ তৰফৰ পৰা কৃতজ্ঞতা প্ৰকাশ কৰি তোৰণ দাতা বলোৰাম বৰুৱা আৰু তেওঁৰ সহধৰ্মিণীক গামোচা-জাপি আৰু শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শিক্ষাবিদ ৰজনীকান্ত তালুকদাৰ, বেজেৰা আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি ৰজনী নাথ, স্থানীয় সাংবাদিক পুলক চমুৱা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা উন্মোচনী সভাৰ আঁত ধৰে চন্দন চৌধুৰীয়ে।

**স্বচ্ছ ভাৰতৰ বিপৰীত ছবি**

## মৰিয়নিত উপচি পৰিল প'ষ্টাৰ-বেনাৰবে

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৭ মাৰ্চ ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে মৰিয়নিতো পৌৰসভাৰ নিৰ্বাচন সমাপ্ত হ'ল । ১০ টা ৱাৰ্ডৰ বাবে এইবাৰ অভিলেখসংখ্যক ৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। প্ৰচাৰৰ নামত অলিয়ে গলিয়ে দেখা গ'ল ব্যাপক প'ষ্টাৰিং কৰা, বেনাৰ আদি । ফলত সমগ্ৰ পৰিবেশ লেতেৰা হৈ পৰা পৰিলক্ষিত হৈছে । নিৰ্বাচনোত্তৰ সময়ত দেখা গ'ল মৰিয়নি নগৰৰ কদৰ্য। পষ্টাৰ, বেনাৰ আদি



লগোৱাৰ ফলত স্বাভাৱিক সৌন্দৰ্য ম্লান হৈ পৰাৰ লগতে হৈ পৰিছে দৃষ্টিকটু । প'ষ্টাৰিং, বেনাৰ লগাই নিজৰ অস্তিত্ব জাহিৰ কৰি নিৰ্বাচনৰ পাছত নগৰখন লেতেৰা কৰিছে এইসকল প্ৰাৰ্থীৰ হৈ একাংশ সমৰ্থকে । আনকি বাদ পৰি নগ'ল ধৰ্মীয় অনুষ্ঠান, শিক্ষানুষ্ঠান আদিও । ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী আৰু সমৰ্থকসকলেও অনুৰূপ অৱস্থা কৰিলে মৰিয়নি নগৰৰ । বাদ পৰি নপৰিল কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীৰ লগতে তেওঁলোকৰৰ সমৰ্থক সকলো।

**মৰ্মবেদনা শুনিবলৈ সময় নাই জনপ্ৰতিনিধিৰ**

## ঘৰে ঘৰে গীতা-ভাগৱত পাঠ কৰি চলিছে শিল্পী মদন মজুমদাৰে

**বিশেষ সংবাদদাতা**

**নলবাৰী, ৭ মাৰ্চ ঃ** জীৱনৰ ৪৫ বছৰ বিভিন্ন পেচাদাৰী নাট্যদলত নাট্যাভিনয়েৰে ৰাইজক আমোদ দিয়া এজন প্ৰবীণ অভিনেতা হ'ল মদন মজুমদাৰ। মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ গৃহ সমষ্টি ধৰ্মপুৰৰ নদলা গাঁৱৰ বাসিন্দা মজুমদাৰ। শিল্পীজনে কটাবলগা হৈছে দুৰ্বিষহ জীৱন। কিছুবছৰ আগলৈ দৰ্শকৰ প্ৰিয়ভাজন হৈ থকা শিল্পীজনে এতিয়া মানুহৰ ঘৰে ঘৰে গৈ গীতা-ভাগৱত পাঠ কৰি তাৰে পোৱা সামান্য মাননিৰে পৰিয়াল চলাবলগীয়া হৈছে। উল্লেখ্য যে ১৯৪৪ত পশ্চিম নলবাৰীৰ নদলা গাঁৱৰ বৰবৰা চুবুৰিত জন্মগ্ৰহণ কৰা আজন্ম শিল্পী মজুমদাৰে স্থানীয় ১৫৬ নম্বৰ নদলা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰিছিল । ইয়াৰ পাছতে তেওঁ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু আই এ পাছ কৰে। স্কুলীয়া দিনৰেপৰা বিভিন্ন নাটকত অভিনয় কৰি অহা মজুমদাৰে কোনো চৰকাৰী চাকৰি নকৰি অভিনয়কে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি ১৯৬৭-৬৮ত অধুনালুপ্ত 'মহাভৈৰৱ থিয়েটাৰ'ৰ জৰিয়তে পেছাদাৰী অভিনয় জীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত



অভিনেতাজনে সুৰদেৱী থিয়েটাৰ, হাজো নাট্য কলা কেন্দ্ৰ, মকুন্দ থিয়েটাৰ, ৰাজলক্ষ্মী থিয়েটাৰ, চন্দ্ৰভানু থিয়েটাৰ, জয় জোৱান জয় কিষাণ যাত্ৰাদল, ৰূপজ্যোতি নাট্য সমাজ, ভাস্কৰজ্যোতি নাট্য সমাজ, নটসূৰ্য নাট্য সমাজ আদিত অভিনয় কৰি দুশৰো অধিক নাটকত অভিনয় কৰিছিল। কিন্তু এসময়ৰ সেইজন জনপ্ৰিয় অভিনেতাই আজি কটাই আছে দুৰ্দশাগ্ৰস্ত জীৱন। ইপিনে, পৰিয়াল চলোৱাৰ সমস্যা, আনফালে, খবৰ লওঁতা কোনো নাই। আনকি স্থানীয় জনপ্ৰতিনিধি তথা মন্ত্ৰী পাটোৱাৰীৰো দুৰ্দশাগ্ৰস্ত শিল্পীজনৰ খবৰ এটা লোৱাৰ আহৰি নাই। শিল্পীজনে ক্ষোভ প্ৰকাশ কৰি কয় 'আমাৰ বিধায়ক তথা মন্ত্ৰী চন্দ্ৰ পাটোৱাৰী ছাৰক মোৰ আৰ্থিক দুৰৱস্থাটোৰ কথা বহুবাৰ ক'লো। বিগত ১০ বছৰে শিল্প পেঞ্চন বিচাৰিও তেওঁৰ ওচৰলৈ অহা-যোৱা কৰিলো। কিন্তু একো কামত অহা নাই। পেঞ্চন নহ'ল, সুবিধা নাপালোঁ, আনকি মন্ত্ৰীজনক ভালকৈ কথা কোৱাৰো সুযোগ নাপালো। কেৱল কিছু সংখ্যক নেতা-পালিনেতাৰ লগতে তেওঁ ব্যস্ত থাকে। মই নিজেও পাটোৱাৰী ছাৰৰ এজন অনুগামী হোৱা সত্ত্বেও ছাৰৰ সহায় নোপোৱাত হতাশ হৈ পৰিছো।' লক্ষ্যণীয় যে কেৱল মজুমদাৰেই নহয়, ধৰ্মপুৰত এতিয়া এনে দুৰ্দশাগ্ৰস্ত শিল্পী, সাহিত্যিক বা সৰ্বসাধাৰণ ৰাইজ পৰ্যন্তৰ জীৱন দুৰ্বিষহ হৈ পৰিছে।

## বৰভাগ মহাবিদ্যালয়ৰ কৰ্মচাৰী নিৰোদ কলিতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ৭ মাৰ্চ ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত কালাগ গাঁও নিবাসী, স্থানীয় বৰভাগ মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক নিৰোদ কলিতা (৫২)ৰ আজি পুৱা মৃত্যু হয়। উল্লেখ্য যে শনিবাৰে নিশা হঠাৎ প্ৰস্ৰাৱজনিত জটিল সমস্যাত ভোগা কলিতাক পৰিয়ালৰ লোকে নলবাৰীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও স্বাস্থ্যৰ অৱস্থা অধিক সংকটজনক হোৱাত চিকিৎসকে গুৱাহাটীলৈ প্ৰেৰণ কৰে। ইয়াৰ পাছতে পৰিয়ালৰ লোকে কলিতাক গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰাই যদিও আজি পুৱা ১০-২০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ নশ্বৰদেহ বৰভাগ মহাবিদ্যালয় আৰু বৰভাগ যুৱ সমাজৰ কাৰ্যালয়লৈ আনি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। সৰবৰহী কলিতাৰ মৃত্যুত আছু, যুৱ-ছাত্ৰ পৰিষদ, বিজেপি, কংগ্ৰেছকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। ইহসংসাৰত তেওঁ পত্নীসহ এজন পুত্ৰ, এগৰাকী কন্যাক এৰি যায়।

## টিহুৰ দীঘেলীত বাঁওপন্থী নেতা হাৰুণ আলীৰ মৃত্যু দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৭ মাৰ্চ ঃ** টিহু অঞ্চলৰ পূব দীঘেলী নিবাসী বিশিষ্ট বাঁওপন্থী নেতা, জমিদাৰী উচ্ছেদ আন্দোলনৰ সক্ৰিয় কৰ্মী, আধিয়াৰ আন্দোলনৰ গুৰি ধৰোতা হাৰুণ আলীৰ ২৮ সংখ্যক মৃত্যু দিৱস যোৱা ছয় মাৰ্চৰ সন্ধিয়া পূব দীঘেলী ৰতনপুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত চিপিআইএমৰ টিহু আঞ্চলিক সমিতিৰ উদ্যোগত পালন কৰা হয়। এই উপলক্ষে দীঘেলী এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেৱাজুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত আৰু মণি ভট্টই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট বাঁওপন্থী নেতা কৰুণা কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক পুৰুষোত্তম শৰ্মা, নলবাৰী জিলা সমিতিৰ সদস্য বিজয় কলিতা আদিয়ে প্ৰয়াত হাৰুণ আলীৰ আদৰ্শ আৰু কালোত্তীৰ্ণ কৰ্মৰাজিৰ বিষয়ে বক্তব্য ৰাখে। সভাৰ পূৰ্বে দলীয় পতাকা উত্তোলন কৰে জ্যেষ্ঠ বাঁওপন্থী কৰ্মী থিব ৰামচিয়াৰীয়ে, স্মৃতিবেদীত মাল্যাৰ্পণ কৰে প্ৰয়াত হাৰুণ আলীৰ পুত্ৰ-কন্যা ক্ৰমে নাচিৰ আলী আৰু চিৰিমা বেগমে।

## নগাঁৱত শিৱ মন্দিৰৰ পুখুৰীৰ পৰা মুমূৰ্ষু মহিলাক উদ্ধাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও,৭ মাৰ্চ ঃ** আজি পুৱা নগাঁৱৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত খুটিকটীয়াৰ শিৱ মন্দিৰৰ সমীপৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ কাষৰ পুখুৰীত পৰি থকা অৱস্থাত এগৰাকী প্ৰায় ৫৫ বছৰীয়া মহিলা উদ্ধাৰ হয়। স্থানীয় লোকৰ খবৰৰ ভিত্তিত হয়বৰগাঁও আৰক্ষী চকীৰ উপ পৰিদৰ্শক বিচিত্ৰ বড়োৰ নেতৃত্বত আৰক্ষীৰ এটা দলে মহিলাগৰাকীক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰে। উল্লেখযোগ্য যে, আৰক্ষীয়ে উদ্ধাৰ কৰা মহিলাগৰাকীৰ গাত আঘাতৰ চিন স্পষ্ট হৈ আছে। ইপিনে, পুখুৰীটোৰ ওচৰতে থকা জিৰণি ঘৰৰ পৰা মহিলাগৰাকীৰ কিছুমান নথি পত্ৰৰ লগতে কাপোৰ কানিও আৰক্ষীয়ে উদ্ধাৰ কৰে। পাছত মহিলাগৰাকীক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। সম্প্ৰতি মহিলাগৰাকী চিকিৎসাধীন হৈ আছে। মহিলাগৰাকীৰ ঘৰ বিশ্বনাথ চাৰিআলিত তেওঁৰ নাম জানাৰা খাতুন।

## নৰ্থ লখিমপুৰ কলেজত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৭ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ বিদ্যায়তনিক কেন্দ্ৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগৰ অসম তত্ত্ব গৱেষণা সংস্থান নৰ্থ লখিমপুৰ কলেজৰ (স্বায়ত্তশাসিত) অসমীয়া বিভাগ আৰু ছেইণ্ট পলাছ কেথেড্ৰেন মিছন কলেজৰ উদ্যোগত অহা ১১-১২ এপ্ৰিলত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাৰ বিষয় হ'ল পদ্মনাথ গোহাঞি বৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু পাণীন্দ্ৰ গগৈৰ জীৱন কৰ্ম, আলোচনাচক্ৰত অসমীয়া, বাংলা আৰু ইংৰাজী ভাষা লিখা গৱেষণাপত্ৰৰ সংক্ষিপ্ত সাৰ ২০ মাৰ্চৰ ভিতৰত আৰু সম্পূৰ্ণ গৱেষণাপত্ৰ দুই এপ্ৰিলৰ ভিতৰত asmnic2021@gmail.comলৈ প্ৰেৰণ কৰিব পাৰিব। উল্লেখ্য যে পৰৱৰ্তী সময়ত গৱেষণাপত্ৰসমূহ একত্ৰিত কৰি এখন গ্ৰন্থ প্ৰকাশ কৰা হ'ব বুলি উদ্যোক্তাসকলে সদৰী কৰিছে।



জনসংযোগ/ডি/১৬৭৯৯/২১

# শ্ৰীলংকাৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত ভাৰতীয় দলত সাল-সলনি

# কুলদ্বীপৰ স্থানত অক্ষৰক অন্তৰ্ভুক্ত

**বাংগালুৰু, ৭ মাৰ্চ ঃ** ভাৰতে প্ৰথমখন টেষ্টত এক ইনিংছ আৰু ২২২ ৰাণৰ বিশাল ব্যৱধানত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটোত ১-০ ৰ অগ্ৰগতি লৈছে। এতিয়া দলৰ লক্ষ্য শ্ৰীলংকাক হোৱাইটৱাশ্ব কৰা। উল্লেখ্য যে ভাৰত-শ্ৰীলংকাৰ দুখনীয়া টেষ্ট শৃংখলাটো আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ। প্ৰথম টেষ্ট জয়ৰে ভাৰতে লাভ কৰিছে ১২ পইণ্ট। দ্বিতীয় টেষ্টখন বাংগালুৰুত হ'ব অহা ১২-১৬ মাৰ্চত। দিবা-নৈশ হ'ব দ্বিতীয় টেষ্ট। উল্লেখ্য যে ৰোহিতৰ নেতৃত্বত প্ৰথম টেষ্টতে জয়ী হোৱা ভাৰতৰ লক্ষ্য হ'ব ২-০ ত শৃংখলা দখল কৰা। দ্বিতীয় টেষ্টৰ ভাৰতীয় দলত সাল-সলনি কৰা হৈছে। আঘাতৰ বাবে দলৰ বাহিৰত থকা অক্ষৰ পেটেল পুনৰ টীম ইণ্ডিয়াৰ টেষ্ট দলত স্থান লাভ কৰিছে। দ্বিতীয় টেষ্টৰ বাবে ঘোষিক ভাৰতীয় দলত কুলদ্বীপ যাদবৰ স্থানত অক্ষৰক লোৱা হৈছে। উল্লেখ্য যে মোহালি ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথম টেষ্টখন তিনিদিনতে সমাপ্ত হয়। ফল'অনৰ সন্মুখীন হৈ দ্বিতীয় ইনিংছ আৰম্ভ কৰা শ্ৰীলংকাই ১৭৮ ৰাণত অলআউট হয় আৰু লজ্জাজনক পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বে দলে ধাৰাবাহিকৰূপত উইকেট হেৰুৱাই আৰু ১৭৪ ৰাণত প্ৰথম ইনিংছ সামৰি ফল'অনৰ সন্মুখীন হয়। উল্লেখ্য যে টেষ্টখনত টছত জয় হৈ বেটিং কৰা ভাৰতে আঠ উইকেটত ৫৭৪ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। ভাৰতৰ টেষ্ট দল ঃ ৰোহিত শৰ্মা (অধিনায়ক), মায়ংক আগৰৱাল, প্ৰিয়াংক পাঞ্চল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, শুভমন গিল, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, জয়ন্ত ঠাকুৰ, অক্ষৰ পেটেল, যশপ্ৰীত বুমৰাহ, মহম্মদ ছামি, মহম্মদ ছিৰাজ, উমেশ যাদব আৰু সৌৰভ কুমাৰ।




ইংলণ্ড-ৱেষ্টইণ্ডিজ শৃংখলাৰ ট্ৰফী উন্মোচন ৰিচাৰ্ডছ-বথামৰ

## ৰাষ্ট্ৰীয় মহিলা কাবাদীলৈ অসম দল ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৭ মাৰ্চ ঃ** অহা ১০ ৰ পৰা ১৩ মাৰ্চলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে হাৰিয়ানাৰ চাৰখি দাদ্ৰীত অনুষ্ঠিত হ'ব ৬৮ সংখ্যক ৰাষ্ট্ৰীয় ছিনিয়ৰ মহিলা কাবাডী প্ৰতিযোগিতা। উল্লেখ্য যে উক্ত ৰাষ্ট্ৰীয় ছিনিয়ৰ মহিলা কাবাডী প্ৰতিযোগিতাত অসম দলেও অংশগ্ৰহণ কৰিব । ইতিমধ্যে অসম কাবাডী সন্থাই ৰাজ্যিক দলটো ঘোষণা কৰিছে। শীলা মুছাহাৰীৰ নেতৃত্বত অংশগ্ৰহণ কৰিবলগীয়া অসম দলৰ খেলুৱৈ সকল হ'ল ঃ পূৰ্ণিমা বসুমতাৰী,ভিতালী ৰাজকুমাৰী,ঝুমা দাস, সৰস্বতী বসুমতাৰী, দিয়া ৰানী বসুমতাৰী, প্ৰীতিকা বড়ো, আমিন বেগম , গীতাশ্ৰী বৰা, কাবেৰী বৰা জিডান হৰু আৰু চাধা লোহাৰ। দলৰ মেনেজাৰ আৰু প্ৰশিক্ষক হিচাপে মনোনীত হৈছে ক্ৰমে ৰমেশ কাকতি আৰু ৰাহিদুজ জামানক।

## ক্ৰিকেট প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৭ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ বলাইখামাৰ উচ্চ মাধ্যমিক বিদ্যালয় খেল পথাৰত আজিৰে পৰা বলাইখামাৰ চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে । বলাইখামাৰৰ জ্যোতিষ্কাৰ যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে লক্ষীপুৰ মহাবিদ্যালয়ৰ প্ৰবক্তা বিশ্বাস কাশ্যপে । উদ্বোধনী খেলত নলঙ্গাৰ পায়নিয়াৰ ক্লাৱে চুনাৰী ক্ৰিকেট ক্লাবক এক উইকেটত পৰাজিত কৰি দুই পইণ্ট অৰ্জন কৰে । প্ৰতিযোগিতাটোত মুঠ ১৩ টা দলে অংশগ্ৰহণ কৰিছে ।

## ৰক্তাভ দত্ত চৌধুৰী সোঁৱৰণী উত্তৰ-পূৰ্ব ভাৰত বিদ্যালয় দবা

**গুৱাহাটী, ৭ মাৰ্চ ঃ** নৰম ৰক্তাভ দত্ত চৌধুৰী সোঁৱৰণী উত্তৰ-পূৰ্ব ভাৰত বিদ্যালয় দবা প্ৰতিযোগিতা অহা ২৪-২৭ মাৰ্চলৈ অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীত অনুষ্ঠিত হ'ব। এই দবা প্ৰতিযোগিতা অসম জাতীয় বিদ্যালয় আৰু মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যনৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হ'ব। উত্তৰ-পূৰ্ব ভাৰতৰ সকলো বিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰীসকলে উক্ত দবা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ ২৩ মাৰ্চৰ ভিতৰত ৰেজিষ্ট্ৰেছন কৰিব পাৰিব। প্ৰতিযোগিতাখন তৃতীয় শ্ৰেণীলৈকে পন গ্ৰুপ আৰু চতুৰ্থ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে থকা তিনিটা গ্ৰুপক একেলগ কৰি মুকলি শাখা হিচাপে গণ্য কৰি এটা ভাগত খেলসমূহ অনুষ্ঠিত কৰা হ'ব। মুকলি শাখাত প্ৰথম স্থানৰ পৰা দশম স্থানপ্ৰাপ্তলৈ পুৰস্কাৰ হিচাপে স্থান অনুযায়ী নগদ ধন আৰু ট্ৰফী প্ৰদান কৰা হ'ব। লগতে ১১-২০ স্থানপ্ৰাপ্তসকলক ট্ৰফী প্ৰদান কৰা হ'ব। লগতে চাৰিটা গ্ৰুপৰ প্ৰতিটো গ্ৰুপৰ প্ৰথম পাঁচগৰাকী শ্ৰেষ্ঠ ছাত্ৰ আৰু তিনিগৰাকী শ্ৰেষ্ঠ ছাত্ৰীৰ বাবে আছুতীয়াকৈ ট্ৰফী প্ৰদান কৰা হ'ব। দুখন শ্ৰেষ্ঠ বিদ্যালয়লৈও বঁটা প্ৰদান কৰা হ'ব। সৰ্বমুঠ ৫৫ টা পুৰস্কাৰ সম্বলিত এই প্ৰতিযোগিতাখন উত্তৰ-পূৰ্ব ভাৰতৰ বিদ্যালসমূহৰ মাজত এখন আকৰ্ষণীয় প্ৰতিযোগিতা হিচাপে স্বীকৃত হৈ আহিছে। এই প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি ২৭ মাৰ্চৰ সামৰণী অনুষ্ঠানত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰাৰ লগতে বিগত বৰ্ষসমূহৰ দৰে এই বছৰো এগৰাকী জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যন আৰু অসম জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হ'ব। উল্লেখ্য যে এই দবা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈগৰাকীলৈ অসম জাতীয় বিদ্যালয়ৰ পৰা বিগত বৰ্ষবোৰৰ দৰে নগদ দহ হাজাৰ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক খেলুৱৈসকলে ৯৯৫৪৬৫৮৮৪৯৬ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যনৰ সম্পাদক নয়ন কুমাৰ দত্তই জনাইছে।

## গুৱাহাটী চিটী এফ চি ফুটবল স্কুলৰ নতুন কেন্দ্ৰ

**গুৱাহাটী, ৭ মাৰ্চ ঃ** গুৱাহাটী চিটি এফচিৰ গ্ৰাছৰুটছ প্ৰকল্প জিচিএফচি ফুটবল স্কুলৰ আন এটা কেন্দ্ৰ গুৱাহাটীৰ বেলতলাত থকা এৰেনা ২৮ টাৰ্ফত আৰম্ভ হ'ব । এই কেন্দ্ৰত সুৰক্ষিত আৰু আধুনিক আৰ্টিফিচিয়েল টাৰ্ফত তিনিৰ পৰা ১২ বছৰৰ শিশুসকলে এএফচি আৰু এআইএফএফৰ অনুজ্ঞাপ্ৰাপ্ত প্ৰশিক্ষকৰ অধীনত প্ৰশিক্ষণ লাভ কৰিব । উচ্চ মানৰ প্ৰশিক্ষণ আৰু প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰা এই প্ৰকল্পৰদ্বাৰা শিশুসকলে গুৱাহাটী ক্ৰীড়া সন্থা, অসম ফুটবল সন্থা আৰু সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ বিভিন্ন মঞ্চত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ পাব । এই প্ৰকল্পত আগ্ৰহীসকলৰ বাবে ফিটনেছ, পুষ্টি আৰু ৰিহেবিলিটেচনৰ সুবিধাও থাকিব । ল'ৰা আৰু ছোৱালীৰ বাবে মুকলি এই কেন্দ্ৰত নামভৰ্তি আৰম্ভ হৈছে । অধিক তথ্যৰ বাবে ৭০০২২৮২৭৪৫। ৭০০২৫৭০৮৭০ নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

## নিশ্চিত ড্ৰৰ দিশে অগ্ৰসৰ হৈছে পাকিস্তান-অষ্ট্ৰেলিয়াৰ প্ৰথম টেষ্ট



**ৰাৱালপিণ্ডি, ৭ মাৰ্চ ঃ** পাকিস্তান আৰু অষ্ট্ৰেলিয়াৰ মাজৰ প্ৰথমখন টেষ্ট ড্ৰৰ দিশে অগ্ৰসৰ হৈছে। উল্লেখ্য যে টেষ্টখনৰ চাৰি দিন সমাপ্ত হোৱাৰ পাছতো উভয়ৰ দলৰ প্ৰথম ইনিংছ সমাপ্ত হোৱা নাই। চলিত টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত পাকিস্তানৰ বৃহৎ ৰাণৰ পাছত যোগ্য প্ৰত্যুত্তৰ দিছে অষ্ট্ৰেলিয়াই। উল্লেখ্য যে ৰাৱালপিণ্ডিত হোৱা প্ৰথমখন টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত ৪৭৬ ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ আৰম্ভ কৰি দুই উইকেটত ২৭১ ৰাণ কৰাৰ পাছত আজি সাত উইকেটত ৪৪৯ ৰাণ কৰিছে আৰু মাত্ৰ ২৭ ৰাণত পিছ পৰি আছে কেংগাৰু বাহিনী। উল্লেখ্য যে দ্বিতীয় দিনাৰ খেলৰ অন্তত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ আৰম্ভ কৰি পাঁচ ৰাণ কৰিছিল। দলৰ হৈ খাৱাজাই ৯৭ আৰু ৱাৰ্ণাৰে ৬৮ ৰাণ কৰাৰ পাছত আজি লাবুচেঙে ৯০ আৰু স্মিথে ৭৮ ৰাণ কৰে। পাকিস্তানৰ নৌমান আলীয়ে চাৰিটা উইকেট পায়। উল্লেখ্য যে পাকিস্তানে প্ৰথম দিনা প্ৰথম ইনিংছত এক উইকেট হেৰুৱাই ২৪৫ ৰাণ কৰি সুন্দৰ আৰম্ভণি কৰাৰ পাছত দলে চাৰি উইকেটত ৪৭৬ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। দলৰ হৈ শতক অৰ্জন কৰে ইমামুল হক (১৫৭ৰ আৰু আজাহাৰ আলীয়ে (১৮৫ৰঙ্গ উল্লেখ্য যে ২৪ বছৰ পাছত পাকিস্তানলৈ আহিছে অষ্ট্ৰেলিয়া ক্ৰিকেট দল।

## এথলেটিকছলৈ গুৱাহাটীৰ দল

**গুৱাহাটী, ৭ মাৰ্চ ঃ** সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত কাইলৈৰ পৰা ১১ মাৰ্চলৈ অনুষ্ঠিত হ'ব লগা ৰাজ্যিক জুনিয়ৰ আৰু ছিনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপৰ বাবে গুৱাহাটী ক্ৰীড়া সন্থাই ৮২ জনীয়া দল ঘোষণা কৰিছে । নিপন দাস প্ৰশিক্ষক হিচাপে নিযুক্ত এই দলটোৰ মেনেজাৰ হৈছে দীপজ্যোতি হাজৰিকা আৰু ডেইজী ৰাণী আহমেদ । এথলেটিক সম্পাদক ৰাঘৱেন্দ্ৰ মজুমদাৰে এটা বিবৃতিত এই কথা জনাইছে । উল্লেখ্য যে অসম এথলেটিকচ সন্থাৰ উদ্যোগত আৰু ক্ৰীড়া প্ৰাধিকৰণ, অসমৰ সহযোগত আয়োজিত প্ৰতিযোগিতাৰ ইভেন্টসমূহত অংশগ্ৰহনৰ বাবে ইতিমধ্যে ৩৬ খন জিলাৰ ৯৬৪ গৰাকী এথলীট উপস্থিত হৈছে সৰুসজাই ষ্টেডিয়ামত। উল্লেখ্য যে ১৪,১৬,১৮,২০ বছৰ অনুৰ্ধ্ব আৰু পুৰুষ-মহিলা শাখাত পুৰুষৰ ৭৭ টা আৰু মহিলাৰ ৭৬ টা ইভেন্ট অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত বহু নৱাগত খেলুৱৈ অংশগ্ৰহন কৰিছে।



## টপচেম আন্তঃমিডিয়া ক্ৰিকেট আৰম্ভ

**গুৱাহাটী, ৭ মাৰ্চ ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই আয়োজন কৰা টপচেম আন্তঃমিডিয়া ক্ৰিকেট প্ৰতিযোগিতাত প্ৰত্যাশিতভাৱে আৰম্ভণি কৰিলে গুৱাহাটী প্ৰেছ ক্লাৱে। প্ৰতিযোগিতাৰ প্ৰথমখন খেলত যোৱা বৰ্ষৰ চেম্পিয়ন গুৱাহাটী প্ৰেছ ক্লাৱে ছয় উইকেটত পৰাস্ত কৰিলে মিডিয়া মেনেজমেণ্টক। টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰা সিদ্ধান্ত লৈ মিডিয়া মেনেজমেণ্টে ১৯.১ অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১১১ ৰান। প্ৰত্যুত্তৰত গুৱাহাটী প্ৰেছ ক্লাৱে ১৯.৩ অভাৰতে লক্ষ্য অতিক্ৰম কৰি সংগ্ৰহ কৰে চাৰি উইকেটৰ বিনিময়ত ১১৫ ৰান। মেচৰ শ্ৰেষ্ঠ হিচাপে বিবেচিত হয় গুৱাহাটী প্ৰেছ ক্লাৱৰ আবুদ্দিন খান। ইফালে, প্ৰতিযোগিতাৰ দ্বিতীয় মেচত প্ৰচাৰ ভাৰতীয়ে (১২২-১০ ৰান) চাৰি উইকেটত পৰাস্ত কৰে অসম ক্ৰীড়া সাংবাদিক সন্থাক (১২৪-৬ ৰান)। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে প্ৰাক্তন ৰঞ্জী খেলুৱৈ বিমল ভৰালী, পৰাগ দাস। উল্লেখ্য যে উত্তৰপূৰ্ব মিডিয়া ক্ৰীড়া সমাৰোহৰ অংশ হিচাপে আয়োজিত টপচেম এ এছ জে এ মিডিয়া ক্ৰিকেটত চাৰিটা দলে অংশ লৈছে। দলকেইটা হ'ল ঃ গুৱাহাটী প্ৰেছ ক্লাব, অসম ক্ৰীড়া সাংবাদিক একাদশ, মিডিয়া মেনেজমেণ্ট আৰু প্ৰসাৰ ভাৰতী। আনহাতে, ক্ৰীড়া সমাৰোহৰ অংশ হিচাপে ১০ আৰু ১১ মাৰ্চত হৰেন্দ্ৰনাথ বৰুৱা সংবাদ মাধ্যম ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব

## নিউষ্টাৰ ক্লাৱ বিজয়ী

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ৭ মাৰ্চ ঃ** বৰদৈচিলা ক্ৰিকেট ক্লাৱৰ উদ্যোগত পাচ আৰু ছয় মাৰ্চত দেহাৰকুছি মা দুৰ্গা ক্ষেত্ৰত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰাইজমাণি টেনিচ বল ক্ৰিকেট খেল প্ৰতিযোগিতাত নিউষ্টাৰ ক্ৰিকেট ক্লাৱে চুড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে। উল্লেখ্য যে পূৰ্নকামদেৱ গাৱঁৰ বিশিষ্ট শিক্ষাবিদ তথা পশ্চিম বঞ্জগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীন চন্দ্ৰ শইকীয়া আৰু তেওঁৰ সহধৰ্মিনী পুস্পলতা শইকীয়াৰ সোৱঁৰনত উক্ত খেলখন অনুষ্ঠিত কৰিছিল। ফাইনেল খেল উদ্বোধন কৰে দেহাৰকুছি গাওঁ পঞ্চায়তৰ আঞ্চলিক সদস্য ফনীনাথ লহকৰে। উল্লেখ্য যে চুড়ান্ত খেলখন অনুষ্ঠিত হৈছিল নিউষ্টাৰ ক্ৰিকেট ক্লাৱ আৰু ষ্টাৰ এভেনজাৰৰ মাজত। খেলৰ অন্তত খেল পৰিচালনা সমিতিৰ সভাপতি পৰাগ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত বটাবিতৰণী সভাত বটা সমূহ বিতৰণ কৰে।



## প্ৰাইজমানি দিবা-নৈশ ভলীবল সমাপ্ত

**অগ্ৰদূত বাৰ্তা,**
**বিশ্বনাথ চাৰিআলি , ৭ মাৰ্চ ঃ** বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয় চৌহদত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় এদিনীয়া প্ৰাইজমানি দিবা নৈশ ভলীবল প্ৰতিযোগিতাৰ। প্ৰতিযোগিতাখনি আনুষ্ঠানিক ভাবে শুভাৰম্ভ কৰে বিশ্বনাথৰ সুচিকিৎসক তথা সমাজসেৱক ড০ অমল শইকীয়াই। আনহাতে, প্ৰথমটো বল চাৰ্ভিচৰে খেল আৰম্ভ কৰে চিকিৎসক জোনালী গগৈয়ে। এই প্ৰাইজমানি প্ৰতিযোগিতাখনিত অংশ গ্ৰহণ কৰে বিশ্বনাথ জিলা নটাকৈ ভলীবল দলে।

## আজিৰে পৰা সৰুসজাইত ৰাজ্যিক জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ

**গুৱাহাটী, ৭ মাৰ্চ ঃ** কাইলৈৰ পৰা ১১ মাৰ্চলৈ গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকচ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ৰাজ্যিক পৰ্যায়ৰ ৪৩ সংখ্যক আন্তঃজিলা জুনিয়ৰ আৰু ছিনিয়ৰ এথলেটিকচ প্ৰতিযোগিতা। অসম এথলেটিকচ সন্থাৰ উদ্যোগত আৰু ক্ৰীড়া প্ৰাধিকৰণ, অসমৰ সহযোগত আয়োজিত প্ৰতিযোগিতাৰ ইভেন্টসমূহত অংশগ্ৰহনৰ বাবে ইতিমধ্যে ৩৬ খন জিলাৰ ৯৬৪ গৰাকী এথলীট উপস্থিত হৈছে সৰুসজাই ষ্টেডিয়ামত। উল্লেখ্য যে ১৪,১৬,১৮,২০ বছৰ অনুৰ্ধ্ব আৰু পুৰুষ-মহিলা শাখাত পুৰুষৰ ৭৭ টা আৰু মহিলাৰ ৭৬ টা ইভেন্ট অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত বহু নৱাগত খেলুৱৈ অংশগ্ৰহন কৰিছে। এই প্ৰতিযোগিতাৰ পৰাই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে অসম দল বাছনি কৰা হ'ব। উল্লেখ্য যে এইবাৰ অসম এথলেটিকছ সন্থাই গুৱাহাটীত আয়োজন কৰিব জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতা। উল্লেখ্য যে এইবাৰৰ আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতাখন আয়োজনৰ ক্ষেত্ৰত পূৰ্বৰ কিছু দিশ সাল-সলনি কৰিছে অসম এথলেটিকছ সন্থাই। তাৰ ভিতৰত গুৰুত্বপূৰ্ণ বিষয়টো হ'ল প্ৰতিযোগিতাৰ আয়োজকে অংশ লোৱা খেলুৱৈক থকাৰ সুবিধা দিব যদিও খোৱাটো খেলুৱৈজনৰ জিলাই দিব লাগিব। প্ৰতিযোগিতাখনৰ প্ৰতিটো কাৰ্যসূচীত অংশগ্ৰহনৰ লগতে সহায়-সহযোগিতা কামনা কৰিছে অসম এথলেটিকচঞ্জ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ আৰু সম্পাদক অশোক কুমাৰ ভৰালীয়ে।

## প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত ত্ৰিনয়ণ যুৱ সংঘ দলৰ খিতাপ লাভ

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ৭ মাৰ্চ ঃ** গোলাঘাট জিলা লক্ষীবাৰী অঞ্চলৰ সোনাপুৰ গাঁৱৰ ত্ৰিনয়ণ যুৱ সংঘৰ সৌজন্যত আৰু স্থানীয় অঞ্চলবাসী ৰাইজৰ সহযোগত সোণালী খেল পথাৰত অনুষ্ঠিত প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত স্থানীয় ত্ৰিনয়ণ যুৱ সংঘই প্ৰয়াত সমাজকৰ্মী লুহিত শইকীয়া সোঁৱৰণি প্ৰথম পুৰস্কাৰ নগদ ১৫। হেজাৰ টকাসহ ট্ৰফী আৰু মাহী ইলেভেণ্টই প্ৰয়াত সমাজসেৱক দেউতি হাজৰিকা সোঁৱৰণি দ্বিতীয় পুৰস্কাৰ নগদ ১০ হেজাৰ টকাসহ ট্ৰফী লাভ কৰে। উল্লেখ্য যে প্ৰথম পুৰস্কাৰ দাতা সমাজকৰ্মী শিশুৰাম শইকীয়া, দ্বিতীয় পুৰস্কাৰৰ দাতা ধৰ্মিন্দ্ৰ হাজৰিকাই আৰু ৰাণাৰ্ছআপ আগবঢ়ায় দিপক হাজৰিকাই। খেলখন পৰিচালনা কৰে ছাদ্দাম হুচেইন,নিৰ্মল বৰা,অপু হাজৰিকা আৰু মাখন বৰাই। ইয়াৰ পাছত এনিয়ণ যুৱ সংঘৰ প্ৰাক্তন সভাপতি যাদৱ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বটাঁ বিতৰণী সভাখনৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে দীপক হাজৰিকা, প্ৰাঞ্জল হাজৰিক আৰু পিংকু বৰাই।


লাবুচেঞ্জক বিদায় দিয়াৰ পাছত পাকিস্তানৰ খেলুৱৈ

## সীমান্ত ক্ৰীড়া মহোৎসৱৰ বাছনি শিৱিৰৰ সামৰণি

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৭ মাৰ্চ ঃ** সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অহা ২৫ মাৰ্চৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে সীমান্ত ক্ৰীড়া মহোৎসৱ শীৰ্ষক এখনি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উক্ত মহোৎসৱৰ সৈতে সংগতি ৰাখি ওদালগুৰিতো শনিবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে খেলুৱৈ বাচনি শিৱিৰ অনুষ্ঠিত হৈ যায়। বাচনি শিৱিৰত উপস্থিত থাকি সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মেনন মোছাহাৰীয়ে সীমান্তৱৰ্তী অঞ্চলৰ প্ৰতিভাসম্পন্ন খেলুৱৈসকলক এক উপযুক্ত প্লেটফৰ্ম দিয়াৰ লক্ষৰে এই কাৰ্যসূচী হাতত লোৱা বুলি জানিবলৈ দিয়ে। অসমৰ মুঠ নখন জিলাত বৰ্তমান চলি আছে এই বাচনি শিৱিৰ। ওদালগুৰিত অনুষ্ঠিত উক্ত শিৱিৰত অনুষ্ঠিত বিভিন্ন শিতানসমূহৰ ফলাফল ইতিমধ্যে আয়োজকে ঘোষণা কৰিছে। সেই অনুসৰি ১৯ বছৰ অনুৰ্ধ্বৰ খেলসমূহৰ ভিতৰত ল'ৰাৰ এশ মিটাৰ দৌৰত প্ৰথম বুদিৰাম চৰেণ, দ্বিতীয় অংকিত চৌৱাছী; দুশ মিটাৰ দৌৰত প্ৰথম বুদিৰাম চৰেণ, দিপক এক্কা; ১৫০০ মিটাৰত প্ৰথম অজৰ চাংমা, দ্বিতীয় নিমু চৰেণ; একেদৰে ছোৱালীৰ এশ মিটাৰ দৌৰত প্ৰথম সংগীতা বড়ো, দ্বিতীয় জেডিদা চাংমা;



দুশ মিটাৰ দৌৰত প্ৰথম সুশীলা হংস, দ্বিতীয় বাৰ্ণাহিন চাংমা; আঠশ মিটাৰ দৌৰত প্ৰথম সুশীলা টুডু, দ্বিতীয় চুমি মাৰ্দি; লক্সৰাৰ শ্বটপুটত প্ৰথম যোগেশ বড়ো, দ্বিতীয় অভিষেক বাচফৰ; ছোৱালীৰ শ্বটপুটত প্ৰথম সুশীলা বড়ো, দ্বিতীয় ইন্দুমতী দৈমাৰী; ল'ৰাৰ ডিচকাছ থ্ৰ'ত প্ৰথম যাদৱ নাথ, দ্বিতীয় ৰোনাল্ডো বড়ো; ছোৱালীৰ ডিচকাছত প্ৰথম ছোনিয়া ৰাভা, দ্বিতীয় ৰোছমেৰী লাক্ৰা; ল'ৰাৰ জেভেলিন থ্ৰ'ত প্ৰথম বলৰাম নাৰ্জাৰী, দ্বিতীয় ইন্দ্ৰ বাহাদুৰ তিৱাৰী; ছোৱালীৰ জেভেলিনত প্ৰথম নিৰ্মলা গুপ্তা, দ্বিতীয় ছোনিয়া ৰাভা; ল'ৰাৰ লং জাম্পত প্ৰথম বলৰাম নাৰ্জাৰী, দ্বিতীয় বিজয় বড়ো; ছোৱালীৰ লং জাম্পত প্ৰথম পুনম স্বৰ্গীয়াৰী, দ্বিতীয় বাৰ্ণাহিন চাংমা; ল'ৰাৰ হাই জাম্পত প্ৰথম তীৰ্থ জ্যোতি পাঠক, দ্বিতীয় পৱন ডেকা; ছোৱালীৰ হাই জাম্পত প্ৰথম কাঞ্চনা চেত্ৰী, দ্বিতীয় প্ৰীতি চৌহান নিৰ্বাচিত হৈছে। একেদৰে কাবাডী আৰু ভলীবলতো দুটাকৈ শ্ৰেষ্ঠ দলক নিৰ্বাচিত কৰা হৈছে। এই বাচনিৰ দ্বাৰা প্ৰথমে ৰাজ্যিক পৰ্যায়ত আৰু পৰৱৰ্তী সময়ত নিৰ্বাচিত হ'লে আন্তৰাষ্ট্ৰীয় পৰ্যায়ত খেলাৰ সুযোগ পাব বুলি জিলা সম্পাদক অনিল মহন্তই সদৰি কৰে। এই বাচনি শিৱিৰত প্ৰায় তিনি শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ৮ মাৰ্চ, ২০২২ মঙলবাৰ পৃষ্ঠা ১৬

## বিলাসনন্দন চ'ৰা

# যুদ্ধক লৈ জানিবলগীয়া কথাবোৰ



**যুদ্ধৰ** খবৰবোৰ আমাৰ নতুনচামে ভালকৈ ৰাখিছেনে? ভালকৈ ৰখা ভাল। কাৰণ এই যুদ্ধক লৈ পৰৱৰ্তী পৰ্যায়ৰ বিভিন্ন পৰীক্ষাত বিভিন্ন প্ৰশ্ন সোধাসুধি হ'ব পাৰে। প্ৰশ্ন সোধাৰ লগে লগে যাতে পটককৈ উত্তৰ দি দিব পৰা যায়, তাৰ বাবে তলত এলানি যুদ্ধ সম্পৰ্কীয় প্ৰশ্নোত্তৰ তুলি দিয়া হ'ল।

প্ৰশ্ন ঃ যুদ্ধ কিয় হৈছে?
উত্তৰ ঃ ছুপাৰপাৱাৰ কোন, তাৰে প্ৰমাণ দিবলৈ!
প্ৰশ্ন ঃ পুটিনে এনে কাণ্ড কিয় কৰিছে?
উত্তৰ ঃ দেশতকৈ যে কেতিয়াবা নেতা ডাঙৰ হয়, তাৰে নমুনা দাঙি ধৰিবলৈ।
প্ৰশ্ন ঃ পুটিন আৰু হিটলাৰৰ মাজত কি পাৰ্থক্য?
উত্তৰ ঃ হিটলাৰৰ লগত আমেৰিকাই যুঁজিবলৈ সাহস কৰিছিল, পুটিনৰ লগত কৰা নাই।
প্ৰশ্ন ঃ ৰাছিয়াৰ বিৰুদ্ধে আমেৰিকাই কিয় যুঁজা নাই? অস্ত্ৰৰ অভাৱ নেকি?
উত্তৰ ঃ নহয়, যুক্তিৰ অভাৱ। ইৰাকতো একেদৰেই এটেক্ কৰা হৈছিল!
প্ৰশ্ন ঃ ইৰাক যুদ্ধ আৰু ইউক্ৰেইন যুদ্ধৰ মাজত কি পাৰ্থক্য?
উত্তৰ ঃ পাৰ্থক্য এটাই—প্ৰথমখন আমেৰিকাই কৰিছিল আৰু দ্বিতীয়খন ৰাছিয়াই কৰিছে।
প্ৰশ্ন ঃ দুয়োখন যুদ্ধৰ মাজত মিল কি?
উত্তৰ ঃ দুয়োখন যুদ্ধৰে কোনো কাৰণ নাই।
প্ৰশ্ন ঃ তৃতীয় মহাযুদ্ধ হ'ব নেকি?
উত্তৰ ঃ নহয়।
প্ৰশ্ন ঃ কিয়?
উত্তৰ ঃ সকলোৱে কৰ'নাৰ প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ ৱেভ গন্তি কৰাত ব্যস্ত। মহাযুদ্ধ গন্তি কৰিবলৈ কাৰোৰে সময়ো নাই, শকতিও নাই।
প্ৰশ্ন ঃ আমেৰিকাই কিয় বাধা দি কোৱা নাই যে যুদ্ধ কৰাটো বেয়া কথা?
উত্তৰ ঃ মিঠাইৰ দোকানীয়ে কেতিয়াও নকয় যে মিঠাই খালে ছুগাৰ হয়। অস্ত্ৰ-শস্ত্ৰ বিক্ৰী নহ'লে চলিব কেনেকৈ?
প্ৰশ্ন ঃ নাটোৱে কি কৰি আছে শান্তিৰ কাৰণে?
উত্তৰ ঃ বাইডেনে শান্তিজল ছটিওৱালৈ বৈ আছে!
প্ৰশ্ন ঃ ৰাষ্ট্ৰসংঘই কি কৰি আছে?
উত্তৰ ঃ ধোঁৱাচাং বিচাৰি ফুৰিছে নীতি-নিয়মবোৰ তুলি থ'বলৈ।
প্ৰশ্ন ঃ পৰমাণু বোমা পৰিব নেকি?
উত্তৰ ঃ নপৰে।
প্ৰশ্ন ঃ কিয়?
উত্তৰ ঃ বহুদিন গুদামত পৰি আছেতো! পেলাই দিয়াৰ পাছত নুফুটিলে মান-ইজ্জত সৱ যাব।
প্ৰশ্ন ঃ এই যুদ্ধত পাকিস্তানৰ কিবা ভূমিকা আছে নেকি?
উত্তৰ ঃ দেখাদেখি যুদ্ধত পাকিস্তানৰ কোনো ভূমিকা নাথাকে নহয়। যিবোৰ যুদ্ধ দেখা নাযায়, তাতহে পাকিস্তানৰ শক্তিশালী ভূমিকা থাকে।
প্ৰশ্ন ঃ তেন্তে ইমৰান খান কিয় যুদ্ধৰ মাজতে ৰাছিয়া গৈ আহিল?
উত্তৰ ঃ ৰঙা চাইনাই চাগে ৰঙা চকু দেখুৱাই ক'লে— যা, এবাৰ খবৰ কৰি আহ, নহ'লে ধাৰ নিদিওঁ!
প্ৰশ্ন ঃ ইমৰান খানে পুটিনক লগ ধৰি কি ক'লে?
উত্তৰ ঃ পকেটৰ পৰা এটা এট'ম বোমা উলিয়াই টেবুলত থ'লে আৰু ক'লে— পুটিন চাহেব, এইটো মেড ইন পাকিস্তান। মেড ইন ৰাছিয়াবোৰ থৈ দি মেড ইন পাকিস্তানৰটোকে ব্যৱহাৰ কৰি চাওক।
প্ৰশ্ন ঃ পুটিনে কি ক'লে?
উত্তৰ ঃ ৰাছিয়াই চুৰি কৰা মাল ইউজ নকৰে বুলি ক'লে!
প্ৰশ্ন ঃ ইমৰান খানৰনো এই সময়ত ৰাছিয়া ভ্ৰমণ কৰাৰ কি যুক্তি আছে?



উত্তৰ ঃ আমাৰ বিশ্বগুৰুৱে আমেৰিকা ভ্ৰমণ কৰি 'অগলীবাৰ ট্ৰাম্প চৰকাৰ' বুলি চিঞৰাৰনো কি যুক্তি আছিল?
প্ৰশ্ন ঃ ৰাষ্ট্ৰসংঘই বোলে ৰাছিয়াৰ বিৰুদ্ধে নিন্দা প্ৰস্তাৱ লৈছে?
উত্তৰ ঃ লৈছে।
প্ৰশ্ন ঃ বিশ্বগুৰুৱে বোলে ভোট নিদিলে?
উত্তৰ ঃ নিদিলে।
প্ৰশ্ন ঃ কিয় নিদিলে?
উত্তৰ ঃ কিয়নো বিশ্বগুৰুৱে এতিয়ালৈকে নেহৰুকহে নিন্দা কৰিবলৈ শিকিছে, বেলেগক কৰিবলৈ শিকা নাই।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# হাতত ফোন নম্বৰ, পিঠিত বেগ লৈ মাজনিশা শ্ল'ভাকিয়াৰ সীমান্তত 'আজিৰ নায়ক'

## পিতৃ-মাতৃ গ'ল যুদ্ধলৈ ঃ অকলে দেশ এৰিলে ১১ বছৰীয়া শিশুৱে



■ **নিউজ ব্যুৰ'**
**ব্ৰাটিশ্লাভা (শ্ল'ভাকিয়া), ৭ মাৰ্চ ঃ** কথাতে আছে যে দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ হয়। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধই যেন সেই প্ৰচলিত প্ৰবাদকে বাৰে বাৰে মনত পেলাই দিছে। ৰাজনীতিৰ খেলাত সাধাৰণ মানুহ যে প্ৰকৃততে দবাৰহে গুটি, সেয়া ইউক্ৰেইনলৈ চালেই স্পষ্ট হয়। যুদ্ধৰ এই নৃশংসতাৰ পৰা বাদ পৰি যোৱা নাই শিশুসকলো। ইতিমধ্যেই ৩৮টি শিশুৰ মৃত্যু হোৱা বুলি ইউক্ৰেইনে চৰকাৰীভাৱে জনাইছে। চৰকাৰৰ তথ্যত নথকা আৰু কিমান শিশু আছে, তাৰ হিচাপ নাই। জীয়াই থকা শিশুসকলো নিৰাপদ নহয়। ভৱিষ্যতৰ স্বপ্ন চাবলৈ শিকা চকুত যুদ্ধৰ ধ্বংসলীলাই যেন আতংক জগাই তুলিছে তেওঁলোকৰ মনত। চকুৱে-মুখে এটাই প্ৰশ্ন, এই যুদ্ধ কেতিয়া শেষ হ'ব? এনে এক পৰিস্থিতিৰ মাজতে এক আবেগিক দৃশ্য দেখা গ'ল শ্ল'ভাকিয়াৰ সীমান্তত। এটি ১১ বছৰীয়া শিশুৱেই বুজাই দিয়ে যুদ্ধৰ নৃশংসতাক।

লাখ লাখ লোকে প্ৰাণৰ মমতাত ইতিমধ্যে ইউক্ৰেইন ত্যাগ কৰিছে। আশ্ৰয় লৈছে প্ৰতিবেশী দেশসমূহত। সপোনৰ ঘৰ, প্ৰিয়জনক হেৰুৱাই শৰণাৰ্থী হৈ নতুনকৈ জীয়াই থকাৰ সংগ্ৰামত জঁপিয়াই পৰিছে। প্ৰতিবেশী দেশসমূহৰ নিৰাপত্তাৰক্ষীয়ে এই শৰণাৰ্থীসকলক যথাসম্ভৱ সাহায্য কৰিছে। প্ৰত্যেক ক্ষণতে দেশ ত্যাগ কৰি আছে সাধাৰণ নাগৰিকে। ইয়াৰ মাজতে মাজনিশা আহি শ্ল'ভাকিয়াৰ সীমান্তত উপস্থিত হ'ল এটি ১১ বছৰীয়া শিশু। একো নুবুজাকৈয়ে নিশাৰ অন্ধকাৰত ঘৰ, পিতৃ-মাতৃক এৰি সীমান্তত উপস্থিত হোৱা শিশুটিক দেখি শ্ল'ভাক নিৰাপত্তা ৰক্ষীসকলো স্তম্ভিত হৈ পৰিছিল। শিশুটিৰ পিঠিত এখন বেগ আৰু এহাতত এটা পলিথিন। এখন হাতত এটা ফোন নম্বৰ লিখা আছে।

শ্ল'ভাকিয়াৰ সীমান্তৰক্ষীসকলে তেওঁলোকৰ সামাজিক মিডিয়াৰ পেজত শিশুটিৰ ফটো প্ৰকাশ কৰি সমগ্ৰ ঘটনা উল্লেখ কৰিছে। তেওঁলোকে জনাইছে যে ১১ বছৰীয়া শিশুটিৰ পিতৃ-মাতৃ ইউক্ৰেইনতে ৰৈ যায়। তেওঁলোকে স্বদেশৰ হৈ যুদ্ধত অৱতীৰ্ণ হ'ব বিচাৰে। সেইবাবে পুত্ৰ সন্তানক তেওঁলোকে দেশ এৰি পলায়ন কৰিবলৈ উপদেশ দিয়ে। অনেক বুজোৱাৰ পাছত পিতৃ-মাতৃৰ কথা পেলাব নোৱাৰিলে কণমানি ল'ৰাজনে।

পিতৃ-মাতৃৰ বুকুৰ মাজৰ পৰা ওলাই সন্মুখত অনিৰ্দিষ্ট লক্ষ্যস্থান লৈ চলচলীয়া চকুৰে জাপৰজাইৰ পৰা আহি মাজনিশা শ্ল'ভাকিয়াৰ সীমান্তত উপস্থিত হ'ল শিশুটি। সীমান্তৰক্ষীয়ে জনাইছে যে শিশুটিৰ হাতত লিখি থোৱা ফোন নম্বৰত ফোন কৰিয়ে তেওঁলোকে এক আত্মীয়ৰ সন্ধান পায়। সেই আত্মীয়ক মাতি আনি নিৰাপত্তাৰক্ষীয়ে শিশুটিক তেওঁলোকৰ হাতত তুলি দিয়ে। সামাজিক মাধ্যমত শ্ল'ভাকিয়াৰ এজন নিৰাপত্তাৰক্ষীয়ে লিখিছে, 'চকু-মুখত কোনো ভয়-আতংক নাই, এৰি অহা পিতৃ-মাতৃৰ বাবে বেদনা নাই। বৰঞ্চ দৃঢ়তাৰে জনাইছে নিজৰ ঘৰৰ কথা। এইজনেই 'আজিৰ নায়ক'। শিশুটিৰ মায়া ভৰা হাঁহিটো পাহৰাটো অত্যন্ত কঠিন হ'ব।'




# পথৰ নাম সলাই 'স্বাধীন ইউক্ৰেইন' ৰাখিলে আলবেনিয়াই

## ৰাছিয়াৰ নগ্ন আগ্ৰাসন ভৱিষ্যৎ প্ৰজন্মই মনত ৰখাৰ বাবেই সিদ্ধান্ত

■ **নিউজ ব্যুৰ'**
**তিৰানা, ৭ মাৰ্চ ঃ** ইউক্ৰেইন আক্ৰমণ কৰাৰ বাবে একাধিক দেশে নিষেধাজ্ঞা আৰোপ কৰিছে ৰাছিয়াৰ ওপৰত। এই তালিকাত আছে ইউক্ৰেইনৰ প্ৰতিবেশী দেশ আলবেনিয়াও। সৰু দেশখনেও ইতিমধ্যে ভ্লাডিমিৰ পুটিনৰ দেশৰ বিৰুদ্ধে আৰ্থিক নিষেধাজ্ঞা আৰোপ কৰিছিল। এইবাৰ দেশখনে ইউক্ৰেইনৰ কাষত থিয় দিয়াৰ প্ৰমাণস্বৰূপে নিজৰ জাতীয় নায়ককো আওকাণ কৰি এটা পথৰ নামকে সলনি কৰিলে। দেশখনৰ ৰাজধানী তিৰানাৰ এটা পথৰ নতুনকৈ নামকৰণ কৰা হৈছে 'স্বাধীন ইউক্ৰেইন।' যাতে সেই পথেৰে আহযাহ কৰোতে কাঁইটে বিন্ধাৰ দৰে অনুভৱ কৰে ৰুছ নাগৰিকসকলে।

আলবেনিয়াৰ ৰাজধানী চহৰখনৰ মেয়ৰৰ উদ্ধৃতি দি সংবাদ সংস্থা ৰয়টাৰ্ছে জনাইছে যে তিৰানাৰ যি স্থানত ৰাছিয়াৰ দূতাবাস আছে, সেই পথৰে নাম সলনি কৰি 'স্বাধীন ইউক্ৰেইন' ৰখা হৈছে। উল্লেখ্য যে ইউক্ৰেইনত সামৰিক অভিযান আৰম্ভ হোৱাৰ লগে লগে ৰাছিয়াৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপ কৰিছিল আলবেনিয়াই। নেটোৰ সদস্য দেশখনে ৰাছিয়াৰ স'তে বাণিজ্যিক সম্পৰ্কও ছেদ কৰিছে। পুটিনৰ দেশৰ বাবে বন্ধ কৰি দিয়া হৈছে আকাশপথ। এইবাৰ ইউক্ৰেইনৰ কাষত থকাৰ বাৰ্তা দিয়াৰ বাবেই ৰাজধানী চহৰখনৰ পথৰ নামেই তেওঁলোকে সলনি কৰিলে। লক্ষ্যণীয়ভাৱে উক্ত পথতে ৰাছিয়াৰ লগতে ইউক্ৰেইন, ক'ছ'ভ' আৰু ছাৰ্বিয়াৰ দূতাবাসো আছে। এই সিদ্ধান্তৰ সন্দৰ্ভত তিৰানাৰ মেয়ৰ এৰিয়ন ভেলিয়াজে কয়, 'ৰাছিয়াৰ এই নগ্ন আগ্ৰাসন ইয়াৰ দ্বাৰাই আমাৰ ভৱিষ্যৎ প্ৰজন্মই মনত ৰাখিব। ইউক্ৰেইনে বীৰৰ দৰে যি দৰে আক্ৰমণ প্ৰতিহত কৰিছে, তাকো মানুহে মনত ৰাখিব।' উল্লেখ্য যে পূৰ্বে উক্ত পথটো আছিল আলবেনিয়াৰ জাতীয় বীৰ ইস্কান্দাৰবেৰ পত্নী ড'নিকা কাষ্ট্ৰিঅ'টিৰ নামত। অৰ্থাৎ ৰাছিয়াক নিন্দা কৰাৰ বাবে আৰু ইউক্ৰেইনক সমৰ্থন কৰাৰ বাবেই দেশখনে নিজৰ জাতীয় নায়কৰ পত্নীকো অৱহেলা কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। মেয়ৰে লগতে কয়, 'ৰাছিয়াৰ দূতাবাসত কৰ্মৰতসকলে থকা-খোৱা, চিঠিৰ আদান-প্ৰদান কৰিব লাগিব এই 'স্বাধীন ইউক্ৰেইন'ৰ পৰাই।'



জনসংযোগ/ডিএফ/২৮৪৩/২১

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com